# Assam Legislative Assembly Debates

*OFFICIAL REPORT*

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE EIGHTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## WINTER SESSION

## VOL-IV

No.6

**The 17th December, 1986**

Price : 16·20

# CONTENTS

Winter Session

Volume IV : No. 6

Dated, the 17th December, 1986


| | | Page |
|---|---|---|
| 1. | Questions | 1 |
| 2. | Miscellaneous Discussions | 25 |
| 3. | Announcement from the Chair | 46 |
| 4. | Calling Attention Notice under Rule 54 | 47 |
| 5. | Matter under Rule 301 | 50 |
| 6. | Motion for approval of Rules | 54 |
| 7. | Consideration and Passing of Government Bill | 56 |
| 8. | Statement made by Minister, Industries | 74 |
| 9. | Adjournment | 85 |

Debates of the Assam Legislative Assembly, 1986

Wednesday, December 17 1986

The Assembly met at ten of the clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED

### Questions and Answers

Re : Irregularities in Irrigation Department, Kokrajhar

Shri Charan Narzari asked :

* 81. Will the Minister, Irrigation be pleased to state—

(a) Whether it is a fact that there are serious charges of corruptions and gross irregularities and service, misconduct against Shri Benu Chakraborty, Executive Engineer, Machanical Division of Irrigation Department at Kokrajhar, till very recently and now transferred to Nalbari ?

(b) If so, the charges and the action taken as far by the Government to punish the erring officer ?

Shri Pabin Chandra Deka (Minister, Irrigation) replied :

81. (a)—Yes.

(b)—The charges are failure to maintain absolute integrity, devotion to duties, dereliction to duties, violation of departmental rules and Assam Public Work Department Code and misuse of power in making purchase of materials procurement of materials witout sanctioned estimated provision, showing undue favouritism to the firms. Disciplinary proceedings as per Assan Services (Discipline and Appeal) Rules, 1964 has been drawn up against the charged officer.

Shri Charan Narzary – Sir, the Machanical Division of

Irrigation, Kokrajhar has given us a very sorry state of affairs. We have seen from the functioning of the Machanical Division of Kokrajhar that there are ample scope for rampant corruption. Now Sir, I want to know from the Minister, Irrigation, whether the Government is aware of the payment of huge amount of money against fake bills on account of purchasing materials for the completed schemes as well as on-going scheme ? If the Govt. is aware of these facts, what are the details ?

Shri Pabin Chandra Deka ( Minister, Irrigation )—Sir, some allegations have been received that some purchases have been made without sanction and estimate and after having received the allegations an enquiry has been instituted against the officer and the charged officer has been served with showcause notice. Sir, Govt. is aware that it ordered for some purchases like pump spares, starter spares, diesel engine spares etc. and all these are under progress of enquiry and enquiry report has been submitted and show cause notice has been issued to the charged officer.

Shri Charan Narzary—Sir, I have brought this question with specific purpose in the larger interest of justice to the people. Sir, these are news paper reports of the corruption charges against this particular Executive Engineer, Mechanical Division of Kokrajhar and I am equipped with innumerable facts and figures. Now I want to know from the Hon'ble Minister, Irrigation whether the Govt. is awre of the facts that the Assistant Executive Engineer, Meachanical Division, Kokrajhar, submitted monthly site accounts against certain specific schemes on 9.9.86. The dealing official in the office made a marginal observation that the site accounts was submitted on 9.9.86 but the date of issue of site accounts was shown as 11.4.86. It means the bill was submitted with a back-date and hence it was written on the margin by the dealing official. But the Executive Engineer also noted on the margin against this remark 'yes. Similar observation was made on several occasions in the office files and all such cases may be put up for necessary action'. Sir, this is a very serious case, I have procured this paper and it has to be enquired

সচিব হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰিবলৈ কোৱা হৈছিল। যিহেতু তেখেতে (শ্ৰীফেণীয়ে, ৩০।১১।৮৬ তাৰিখলৈকে উক্ত পদত যোগদান নকৰিলে, গতিকে চৰকাৰে ৰাজহুৱা স্বাৰ্থৰ খাতিৰত শ্ৰীফেণীক মুখ্য সচিব হিচাবে নিযুক্তি দিয়া অধিসূচনা নাকচ কৰি, তেতিয়া অতিৰিক্ত মুখ্য সচিব শ্ৰীঅচ্যুত কুমাৰ শইকীয়াক (ভাঃ প্ৰঃ সেঃ) মুখ্য সচিব হিচাবে চৰকাৰৰ ১।১২।৮৬ তাংৰ এ, এ, আই ৫৪।৮৫।২১ নং অধিসূচনা যোগে নিযুক্তি দিয়ে। তেখেতে (শ্ৰীশইকীয়া) ১।১২।৮৬ তাৰিখে চৰকাৰৰ নিৰ্দেশ অনুযায়ী মুখ্য সচিবৰ পদত যোগদান কৰে।

(ঙ)—মুখ্য সচিবৰ পদটোৰ নিযুক্তিৰ বাবে যোগ্যতা আৰু জেষ্ঠতা দুয়োতাই বিবেচনা কৰা হয়।

(চ)—বৰ্ত্তমানৰ মুখ্য সচিব জনতকৈ জেষ্ঠ বিষয়া থকাটো সঁচা। কিন্তু "ঙ" প্ৰশ্নৰ উত্তৰ সাপেক্ষে সকলো দিশ বিবেচনা কৰি চৰকাৰে বৰ্ত্তমানৰ মুখ্য সচিব শ্ৰীশইকীয়াক নিযুক্তি দিছে।

**Re : Mid-day Meal for Tea Garden L. P. Schools**

Shri Abdul Muqtadir Choudhury asked :

*97. Will the Minister, Education be pleased to state—

(a) When the Mid-day Meal for the tea Garden L. P. Schools have been introduced in Karimganj District ?

(b) The amount released for the purpose for Karimganj District ? (Date of release of the amount and the period relating to such amount may please be furnished)

Shri Brindaban Goswami (Minister, Education) replied :

(ক)—মিড ডে মেল আঁচনি কৰিমগঞ্জ জিলাৰ চাহ বাগিছা অঞ্চলৰ প্ৰাথমিক বিদ্যালয়ত ১৯৮৫ চনৰ ২৬ জানুৱাৰীত আৰম্ভ হয়।

(খ)—২৬।১।৮৫ তাৰিখৰ পৰা ৩১।১।৮৬ লৈ মিড দে মিল আঁচনিৰ বাবে ৬ লাখ ৫২ হেজাৰ ৫০০ শ টকা কৰিমগঞ্জৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াক মঞ্জুৰী দিয়া হৈছে। এই মঞ্জুৰী এনে ধৰণৰ :

১। ২৬।১।৮৫ ৰ পৰা ৩১।৩।৮৫ লৈ = ১ লাখ ৫০ হাজাৰ টকা।

২। ১।৪ ৮৫ ৰ পৰা ৩১।৩।৮৬ লৈ = ৫ লাখ ২ হাজাৰ ৫০০ শ টকা।

**বি : বন্যায় ক্ষতিগ্ৰস্তৱ জন্য আৰ্থিক অনুদান**

শ্ৰীৰামেন্দ্ৰ দে জিজ্ঞাসা কৰিতেছেন :

*৯৮। মাননীয় ৰাজহ বিভাগেৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবেন কি—

(ক) ১৯৮৫ ইংৰেজিৰ বন্যায় ক্ষতিগ্ৰস্ত দেৰ জন্য আৰ্থিক অনুদান হিসাবে হাইলাকান্দি মহকুমায় কত টাকা মঞ্জুৰ হইয়াছিল ?

(খ) আলগাপুৰ নিৰ্বাচন চক্ৰেৰ বক্ৰীহাটৰ মোহন পুৰ, আলগাপুৰ ও কালীনগৰ গাওঁ পঞ্চায়েত এলাকায় কত বাসগৃহ সম্পূৰ্ণ ধ্বংস হয়েসে কতটা

was posted as Assistant Registrar of Co-operative Societies at Udalguri during 1984-85 ?

(b) If so, whether the Government is aware that he had borrowed and left Udalguri without repaying Rs. 2000/-(Rupees two thousand) received from the Harisinga Co-operative Marketing Society Ltd. ?

(c) What does the Government propose to do against such officer ?

Shri Lalit Chandra Rajkhowa ( Minister, Co-operation) replied :

(a)—Yes.

(b)—Not true.

(c)—Does not arise.

বিঃ মুখ্য সচিবৰ নিযুক্তি

শ্ৰীআব্দুল জলিলে সুধিছে :

*৯৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) মুখ্য সচিব শ্ৰীজে, চি নামপুই অৱসৰ।

(খ) মুখ্য সচিব শ্ৰীজে, চি নামপুই অৱসৰ পোৱাৰ পিচত চৰকাৰে কাক মুখ্য সচিব হিচাবে নিযুক্তি দিছিল ?

(গ) এইটো কথা সঁচানে যে শ্ৰীনামপুৰ অৱসৰৰ পিচত শ্ৰীএছ, ডি ফেণীক মুখ্য সচিব হিচাবে নিযুক্ত দিছিল কিন্তু তেওঁৰ কামত যাতে ৰাজনৈতিক হেঁচা নপৰে তাৰ বাবে মুখ্যমন্ত্ৰীক অনুৰোধ কৰাতহে তেওঁৰ কামত যোগদান কৰিবলৈ দিয়া নাই ?

(ঘ) যদি সঁচা নহয়, শ্ৰীফেণীয়ে মুখ্য সচিবৰ দৰে গুৰুত্বপূৰ্ণ পদবীৰ দায়িত্বক ইমান দিনে লোৱা নাই বা লবলৈ কোৱা হোৱা নাই ?

(ঙ) মুখ্য সচিবৰ নিযুক্তি কিহৰ ভিত্তিত কৰা হয় ? যোগ্যতাৰ ভিত্তিত নে জেষ্ঠতাৰ ভিত্তিত ?

(চ) এইটো কথা সঁচা নেকি যে বৰ্ত্তমানে মুখ্য সচিব হিচাবে কাম কৰি থকা জনতকৈ যোগ্য আৰু জেষ্ঠ বিষয়া কেইবাজনো আছে অথচ তেওঁ-লোকৰ বিষয়ে বিবেচনা কৰা নাই আৰু যদি হয় কিয় ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক)—শ্ৰীঅচ্যুত কুমাৰ শইকীয়া ভাৰতীয় প্ৰশাসনীয় সেৱা।

(খ)—অসম প্ৰশাসনীয় ন্যায়াধীকৰণৰ অধ্যক্ষ শ্ৰীএচ, ডি, ফেণী ভাৰতীয় প্ৰশাসনীয় সেৱাক চৰকাৰৰ ২৫-১০-৮৬ তাৰিখৰ এ, এ, আই ২৬/৭৩/১৬০, এ নং অধিসূচনা যোগে নিযুক্ত দিয়া হৈছিল।

(গ) ও (ঘ)—শ্ৰীএচ, ডি, ফেণীক আই, এ, এছ ১।১১।৮৬ তাৰিখে মুখ্য

in the 15 Point programme for Minorities ?

(c) If so, when and will the Government see that those Directives are followed ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

(a)—Yes, the recommendation under point No. 8 of 15 Point Directives is reproduced as.

"8. In the recruitment of police personnel. State Government should be advised to give special consideration to minorities. For this purpose, the composition of Selection Commitees should berepresentative."

(b)—Yes. Director General of Police, Assam, Deputy Commissioners, Sub-Divisional Officers and all Administrative Departments have been instructed to take follow-up action on imlpementation of these 15 point Directives.

(c)—Government have been closely monitoring the implementation of these guidelines and taking steps for implementation.

### বি ঃ ৰবদিক ৰাই জলসিঞ্চন আঁচনি

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে ঃ-

*৯৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) শোণিতপুৰ জিলাৰ অন্তৰ্গত বৰদিকৰাই জলসিঞ্চন আঁচনিৰ কিমান শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে ?

(খ) এই আঁচনিৰ কাম কোনো ঠিকাদাৰক ৫০,০০০.০০ টকাৰ কামৰ পৰিবৰ্ত্তে ৬,০০০.০০ টকাৰ বিল দাখিল কৰা বুলি কিবা অভিযোগ পাইছিল নেকি ?

(গ) যদি তেনে অভিযোগ পাইছিল, সেই বিষয়ে চৰকাৰে ব্যৱস্থা লৈছে ?

শ্ৰীপবিন চন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক)—বৰদিক ৰাই জলসিঞ্চন আঁচনিৰ কাম বৰ্ত্তমানলৈকে ৯৩ শতাংশ সম্পূৰ্ণ হৈছে।

(খ)—এনে ধৰণৰ কোনো অভিযোগ পোৱা নাই।

(গ)—প্ৰশ্ন নুঠে।

**Re : Assistant Registra of Co-operative Societies**

Shri Binai Kumar Basumatari asked :

*95. Will the Minister, Co-operation be pleased to state—

(a) Whether Govt. is aware that one Shri T. C. Dutta

শ্ৰীদিলীপ শইকীয়া—মাননীয় অধ্যক্ষ মহোদয়, চুক্তিৰ ওপৰত হয়নে নহয় ? এইক্ষেত্ৰত পদমৰ্য্যাদা হৈ খেলি-মেলি হোৱা কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জানে নে ?

শ্ৰীযতীন মালী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, চামিলকৰণ কৰোতে সকলো বিলাক কথা চালি জাৰি চাইহে কৰা হৈছে। তাৰ পিছত যেতিয়া ঐক্য মতত উপনীত হয় তেতিয়াহে চামিলকৰণ কৰা হৈছে। গতিকে এই দুজন হেডমাষ্টৰৰ মাজত পদমৰ্য্যদা লৈ কিবা খেলি-মেলি হৈছে বুলি আমি নেভাবো। যদি কিবা হৈছে তেতিয়াহলে, আমি চাম। আমি তেনে অভি-যোগ পোৱা নাই।

শ্ৰীদিলীপ কুমাৰ শইকীয়া—মাননীয় অধ্যক্ষ মহোদয়, এম, ই আৰু হাইস্কুল একত্ৰিকৰণ একেটা নিয়মৰ দ্বাৰাই হয় নেকি ?

শ্ৰীযতীন মালী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এইক্ষেত্ৰটো সম্পূৰ্ণ নীতি নিয়ম মানিয়েই কৰা হয়।

শ্ৰীজয়নাথ শৰ্মা—মাননীয় অধ্যক্ষ মহোদয়, 'এমালগেমেশ্বন'ৰ ফলত পাব-লগীয়া সা-সুবিধাবিলাক স্কুল সমূহে পাবনে নাই। দ্বিতীয়তে, এইক্ষেত্ৰত কিবা খেলি-মেলি হব নেকি আৰু তৃতীয়তে এটা শৈক্ষিক পৰিবেশ গঢ়ি তোলাৰ কাৰণে চৰকাৰে কি কি ব্যৱস্থা হাতত লব সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে ?

(প্ৰশ্নটোৰ কোনো উত্তৰ নাই আৰু অধ্যক্ষই তেতিয়া 'কুৱেশ্বন আৱাৰ'ৰ পৰিসমাপ্তি ঘোষণা কৰে।)

Mr. Speaker—Now, time for Starred question is over. An important matter will be raised by hon'ble Member Shri Charan Narzary.

**Undisposed starred Questionis**

( To which oral answers were not called for want of time. However, written answers decmed to have been laid on the Table as follows )

**Re : 15 Point Directives**

Shri Altaf Hussain Mazumder asked :

*93. Will the Chief Minister be pleased to state—

(a) The recommendation under point No: 8 of 15 point of Directives of the Prime Minister regarding Min-orities ?

(b) Has any direction been given to Deputy Comm-issioner and S.D.O. (Civil) to follow the Directives given

বাবে নীতি গ্ৰহণ কৰিছে নেকি ?

(খ) যদি কৰিছে ১৯৮৬-৮৭ চনত ৰাজ্যৰ কিমান বিদ্যালয় চামিলকৰণ কৰা হ'ল আৰু কি কি ভিত্তিত কৰা হ'ল ?

(গ) এই বিদ্যালয় সমূহৰ নাম জনাব নে ?

শ্ৰীযতীন মালী (ৰাজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক)—যিবিলাক মধ্যইংৰাজী আৰু উচ্চ ইংৰাজী বিদ্যালয় একে চৌহদতে আৰু চামিলকৰণ বিচাৰে, চৰকাৰক পুঁজি সাপেক্ষে তেনেকুৱা বিদ্যালয়ত চামিলকৰণ কৰা হৈছে।

(খ)—১৯৮৬-৮৭ চনৰ বছৰটোত এনে চামিলকৰণ ২০ (বিশ) খন বিদ্যালয়ত কৰা হৈছে।

(গ)—এই বিদ্যালয় সমূহৰ তালিকা এখন সদনৰ মেজত ৰখা হৈছে।

শ্ৰীদেবেশ্বৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬-৮৭ চনৰ এই কালছোৱাত ২০ খন স্কুল চামিলকৰণ কৰা হৈছে বুলি মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিলে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে ইয়াৰ পিছতো এনে স্কুল চামিল কৰা হব ?

শ্ৰীযতীন মালী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, সদ্যহতে আমি ১৯৮৬-৮৭ চনৰ কালছোৱাত ২০ খন কৰিছো। পিছত কি কৰিব পৰা যায় সেইটো চাব লাগিব।

শ্ৰীদেবেশ্বৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে গ্ৰহণ কৰা নতুন শিক্ষা নীতি মতে এই চামিলকৰণৰ ব্যৱস্থা হব নেকি ?

শ্ৰীযতীন মালী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, যিহেতু নতুন শিক্ষা নীতি এতিয়াও প্ৰচলন হোৱা নাই, গতিকে এইটো এতিয়াই কৰ পৰা নেযাব।

শ্ৰীদুৰ্গাদাস বড়ো— মাননীয় অধ্যক্ষ মহোদয়, 'বাইফাৰকেশ্বন' হোৱাৰ ফলত একেখন স্কুলতে বড়ো মেডিয়াম ইণ্ট্ৰডিউছ কৰি ৭।৫ বছৰ মেট্ৰিক দিয়াৰ পিছত 'এক'মোডেশ্বন' নোহোৱাত অন্য ঠাইত ঘৰ বান্ধি স্কুল চলোৱাৰ ব্যৱস্থা কৰা হৈছে। মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো, 'বাইফাৰকেশ্বন বোলতে' এইটো ব্যৱস্থা আছে নেকি ?

শ্ৰীযতীন মালী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে কিবা থাকিলে সেইটো মই চাম।

শ্ৰীপদ্ম নাথ কয়ৰী—মাননীয় অধ্যক্ষ মহাশয়, চামিলকৰণৰ ফলত এখন হাইস্কুলৰ হেড্ মাষ্টৰজনেই হায়াৰ চেকেণ্ডেৰীত গৈ প্ৰিন্সিপাল হল আৰু সহকাৰী সকল হ'ল 'ভাইচ্-প্ৰিন্সিপাল'। এতিয়া মোৰ প্ৰশ্ন হৈছে, হাইস্কুলৰ হেডমাষ্টৰ সকল আৰু হাইয়াৰ চেকেণ্ডৰী স্কুলৰ প্ৰিন্সিপাল আৰু ভাইচ্-প্ৰিন্সিপাল সকলৰ পদমৰ্যাদাৰ সমতা ৰক্ষা কৰাৰ ব্যৱস্থা ৰাখিছে নেকি ?

শ্ৰীযতীন মালী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এই সকলো বিলাক কাম সম্পূৰ্ণ নীতি নিয়ম আৰু চৰ্ত্তৰ মাজেদিহে কৰিছো।

এপ্ৰিল মাহৰ পৰা জুন মাহলৈকে মাছ মৰাটো বন্ধ ৰাখিব লাগে। ইয়াৰ কাৰণে অন্যান্য বিভাগ বিশেষকৈ বন বিভাগৰ নিচিনাকৈ 'টাস্ক ফৰ্চ'ৰ প্ৰয়োজন আছে। কাৰণ বিল বিলাক এনে কিছুমান আওহতীয়া ঠাইত থাকে যে, বিলৰ মাছ মাৰি লৈ যায়। মানুহৰ ভীষণ উপদ্ৰব হয়। গতিকেই এই বিষয়ে চৰকাৰে বিবেচনা কৰি আছে। তাৰোপৰি, ব্যক্তিগতভাৱে যুৱক সকলক এই বিষয়ত উদগনি দি মাছৰ উৎপাদন বৃদ্ধি কৰিবলৈকো চৰকাৰে বিভিন্ন আঁচনি লোৱাৰ কথা চিন্তা কৰি আছে।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, আঠুৰা সদৃশ জালেৰে মাছ মৰাটো বন্ধ কৰিব নে?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিভাগৰ ফালৰ পৰা নিৰ্দেশ দিয়া হৈ গৈছে।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে আগতে বহুবাৰ উত্থাপন কৰা হৈছে কিন্তু আগৰ কোনো চৰকাৰেই এই বিষয়টোৰ প্ৰতি কোনো কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ নকৰিলে। নতুন অসম গণপৰিষদ চৰকাৰে এই কথাটো বিবেচনা কৰিব নে?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে ব্যৱস্থা লোৱা হৈছে আৰু অনুসন্ধান কৰিবলৈকো দিয়া হৈছে। কোনোবাই এনে কৰিলে আইনগত হিচাবত ব্যৱস্থা লোৱাৰ নিয়ম আছে।

Shri Charan Narzary—Sir, there are other important questions also. We should not spend more time.

শ্ৰীসুৰেন্দ্ৰ নাথ মেধি (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, 'ফিছাৰি বোল মতে এপ্ৰিল মাহৰ পৰা জুন মাহলৈকে মাছ মৰাটো নিষিদ্ধ। সেইটো এতিয়া 'এনফৰ্চ' কৰিলেই হব।

শ্ৰীপ্ৰফুল্ল গোস্বামী—মাননীয় অধ্যক্ষ মহোদয়, মাছৰ উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে চৰকাৰৰ যিবিলাক আঁচনি আছে সেই আঁচনি বিলাক কামত খটুৱাই সেইমতে ৰাজহুৱা যিবিলাক খাল-পুখুৰী, বিল আদি আছে সেইবিলাক উন্নত কৰাৰ ব্যৱস্থা কৰিলেই আমাৰ মাছৰ যথেষ্টখিনি উৎপাদন বাঢ়িব। ৰাজহুৱা পুখুৰী, বিল আদি ব্যক্তিগত মালিকৰ নামত পট্টন দিয়াই সেইমতে যাৱতীয় সুবিধা আদি দি মাছ উৎপাদনৰ ব্যৱস্থা কৰি দিব পাৰে। চৰকাৰে এই বিষয়ে বিভাগৰ ফালৰ পৰা বিহিত ব্যৱস্থা লোৱাৰ ব্যৱস্থা কৰিব নে?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী —মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে মই ইয়াৰ আগতে প্ৰশ্নোত্তৰত দিছোঁৱেই।

### বি: বিদ্যালয়ৰ চামিলকৰণ

শ্ৰীদেবেশ্বৰ বৰাই সুধিছে:

*৯২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) চৰকাৰে বৰ্ত্তমান বিদ্যালয় সমূহ চামিলকৰণ (amalgamation)

হয়? আৰু অসমত বৰ্ত্তমান পুঠিমাছ কমি যোৱাৰ কাৰণটো কি মাননীয় মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ উত্তৰত মই কওঁ যে যি বিলাক পুৰণি খাল বিল আছে তাৰে কিছুমান মীন বিভাগত আছে। বছেৰেকীয়া বাজেটৰ ধন নিচেই কম হোৱাৰ বাবে সকলো-বোৰ লব পৰা নাই। সেইবিলাকৰ উন্নয়নৰ কাৰণে বিহিত ব্যৱস্থা লোৱা হব বৰ্ত্তমান মীন বিভাগক আধুনিকীকৰণ হিচাবে লব পৰা হোৱা নাই। সেই কাৰণে মাছৰ পোনাৰ কাৰণে বিভিন্ন ব্যৱস্থা লোৱা হৈছে। এই ব্যৱস্থা সম্পূৰ্ণ হলে মাছৰ পোনা নমৰিব। পুঠি মাছ কমি যোৱা সম্পৰ্কে মোৰ হাতত বিতং তথ্য পাতি নাই সেই বিষয়ে মই বিতং ভাৱে জনাব নোৱাৰিম।

শ্ৰীফনী মাৰ টায়েং—মাননীয় অধ্যক্ষ মহোদয়, মীন বিভাগৰ কাৰণে পইচা দিয়া হয় নে? আৰু যদি দিয়া নাই কি ব্যৱস্থা কৰা হয়। জনাই সমষ্টিত পূৰ্বৰ চৰকাৰে এখন পাহৰুৱা নদীৰ ওপৰত মীনৰ কাৰণে বহুত টকা দিছিল।

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে এটা বেলেগ প্ৰশ্ন লাগিব।

শ্ৰীনৰেন তাঁতী—মাননীয় অধ্যক্ষ মহোদয়, মাছ নোহোৱা হোৱাৰ কাৰণ কি? মানুহে মাছ বেছি খাইছে নেকি? মই অনুৰোধ কৰিছো যে আমাৰ যি সকল ৰাজ্যিক মন্ত্ৰী আছে তেখেত সকলকো উত্তৰ দিবলৈ সুবিধা দিব নে?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, প্ৰকৃতাৰ্থত মাছৰ পৰিমাণ হ্ৰাস হোৱা নাই। জনসংখ্যা বৃদ্ধিৰ লগে লগে মাছৰ চাহিদা বাঢ়িছে। এই ক্ষেত্ৰত যি কুল আছে, তাক মহলদাৰ সকলে মানিব লাগে। কিন্তু তেওঁলোকে সেই নিয়ম নামানে। ইয়াৰ লগতে প্ৰাকৃতিক দুৰ্যোগো জড়িত হৈ আছে। বতৰৰ পৰিবৰ্ত্তন হোৱাৰ কাৰণে মাছৰ উৎপাদন হ্ৰাস পাইছে।

শ্ৰীজয় নাথ শৰ্মা—অধ্যক্ষ মহোদয়, খৰালি মাহৰ পিচত বিশেষকৈ চ'ত বহাগ মাহত মাছে পোৱালী দিয়ে। এই কেই মাহত মাছ মৰা বন্ধ কৰাৰ ব্যৱস্থা লব নে? আমি মাছৰ কাৰণে বিভাগীয়ভাৱে ব্যৱস্থা নকৰি ব্যক্তিগত-ভাৱে কৰিব নোৱাৰি নে? প্ৰত্যেক মানুহকেই মাছ পোহাৰ বাবে নিজাকৈ দায়িত্ব দি তেওঁলোকক ৫০০ (পাঁচ শ) টকাকৈ যোগান ধৰি সুবিধা দিয়াৰ ব্যৱস্থা কৰিব নে?

শ্ৰীদেবেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজয় নাথ শৰ্মাই কৈছে যে মাছে পোৱালী দিয়ে, আচলতে মাছে পোৱালী নিদিয়ে কণীহে পাৰে।

শ্ৰীজয় নাথ শৰ্মা—মাননীয় অধ্যক্ষ মহোদয়, টিমি মাছে পোৱালীহে দিয়ে।

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মাছে পোনা পৰাৰ সময়ত বা কণী পৰাৰ সময়ত মাছ মৰাটো বন্ধ কৰিবৰ কাৰণে চৰকাৰৰ নীতি নিৰ্দ্দেশনা আছে। অধিনিয়ম ৩৩ ধাৰা অনুসাৰে এপ্ৰিল মাহৰ পৰা জুন মাহলৈকে মাছ মৰাটো বন্ধ ৰখাৰ কাৰণে বাধা নিষেধ আছে।

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, আগতে মানুহে জালেৰে মাছ মাৰিছিল আৰু এতিয়া আঠুৱা সদৃশ জালেৰে মাছ মাৰে। এইটো বন্ধ কৰিব নে?

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মই কৈয়েই আছো

Mr. Speaker—The matter has been discussed elaborately. You are not allowed. Next Question.

বি: খাল বিলৰ সংৰক্ষণ

শ্ৰীপদ্মনাথ কৈৰবীয়ে সুধিছে :

*৯১। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) মাছৰ সংখ্যা হ্ৰাস হোৱালৈ লক্ষ্য ৰাখি প্ৰাকৃতিক খাল বিলবোৰ সংৰক্ষণ কৰিব লাগে বুলি চৰকাৰে ভাবেনে ?

(খ) এনেকুৱা খাল বিল বিলাক মানুহে গত কাৰণত পুতি পেলোৱা কথাটো চৰকাৰে জানে নে ?

(গ) যদি জানে, অতি শীঘ্ৰে এইবোৰৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব নে ?

(ঘ) মাছৰ বৃদ্ধিলৈ লক্ষ্য ৰাখি মাছে কণী পৰা সময়ত চৰকাৰৰ পোহনীয়া পুখুৰীৰ পৰা কম পৰিমাণে হলেও চৰকাৰী ভাবে মাছৰ বিতৰণৰ ব্যৱস্থা কৰি কণীপৰা মাছ মৰা বন্ধ কৰিব নে ?

শ্ৰীনগেন শৰ্মা (মীন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৯১। (ক)—ভাবে।

(খ)—খাল বিল বিলাক মানুহে ব্যক্তিগত কাৰণত পুতি পেলোৱাৰ কোনো নিৰ্দ্দিষ্ট তথ্য চৰকাৰৰ হাতত নাই।

(গ)—এনেকুৱা নিৰ্দিষ্ট তথ্য পালে চৰকাৰে বিহিত ব্যৱস্থা হাতত লব।

(ঘ)—কণী পৰা সময়ত চৰকাৰী ভাবে মাছ ধৰাটো বন্ধ কৰা হয়। এই ক্ষেত্ৰত ইতিমধ্যে মীন বিভাগৰ ৰাজ্যিক শাখা ফিচ্ ফেদ্ আদিৰ জৰিয়তে উচিত ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীপদ্ম নাথ কৈৰবী—মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে কিছুমান খাল বিল পুতি পেলোৱা দৃষ্টি গোচৰ হোৱা নাই। কিন্তু আমি দেখিবলৈ পাইছো যে কিছুমান খাল বিল পুতি পেলোৱা হৈছে। আমাৰ বিশ্বনাথ এৰিয়াত পুৰণি খাল বিল বিলাক মানুহে পুতি পেলাইছে। সেইবিলাক দেখিলে সঁচাকৈ দুখ লাগে। প্ৰকৃততে মাছ প্ৰকৃতিৰ বস্তু। সেই মাছৰ পৰা আমি আঁতৰি আহিছো। সেইখিনি ভৱিষ্যতে আমি নাপাম। তেনে ধৰণে বহুতো ঠাইত ঘটনা ঘটি আছে। এইবিলাক তদন্ত কৰিলে আমাৰ অসমৰ কাৰণে ভৱিষ্যতে ভাল হব। এই কথাটো মই চৰকাৰৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো।

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, অসমৰ সকলোবোৰ খাল বিল মীন বিভাগৰ অধীনত নহয়। অৱশ্যে কিছুমান চৰকাৰৰ অধীনত আছে। যি বিলাক তথ্য আমাৰ হাতলৈ আহে, সেইবিলাকৰ ব্যৱস্থা লব পাৰিম আমাৰ বিভাগৰ অধীনত থকা খাল বিল বিলাকৰ বিভিন্ন ব্যৱস্থা হাতত লৈছো।

শ্ৰীমহেন্দ্ৰ মোহন ৰায় চৌধুৰী—অধ্যক্ষ মহোদয়, অসমত ৰজাদিনীয়া বহুতো পুখুৰী আছে। সেই পুখুৰী বিলাকৰ ব্যৱস্থা কৰিছে নেকি ? দ্বিতীয়তে মাছৰ কণী শতকৰা ৫০ ভাগ বেয়া হয় বুলি জনা গৈছে। কি কাৰণত নষ্ট

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কোৱা মতে এটা তদন্তৰ ব্যৱস্থা কৰা হ'ব। এই ক্ষেত্ৰত মন্ত্ৰীয়েই থাকক বা বিষয়াই জৰিত থাকক তদন্তৰ ব্যৱস্থা কৰা হবই।

শ্ৰীজয়নাথ শৰ্মা—মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন চিভিল হস্পিতাল আৰু প্ৰাথমিক চিকিৎসা কেন্দ্ৰ বিলাকত ৰোগী অনা নিয়াৰ কাৰণে যিবিলাক আম্বুলেঞ্চ আছে তাৰ অধিকাংশই অচল অৱস্থাত আছে। সেই আম্বুলেঞ্চ বিলাক সুচল কৰাৰ ব্যৱস্থা লব নেকি?

শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, বিগত দিনৰ এই ষ্টেণ্ডাৰ্ড ২০ নামৰ যি কেইখন আম্বুলেঞ্চ আছে সেই কেইখন বিলো ষ্টেণ্ডাৰ্ডৰ। গতিকে বেছি ভাগ গাড়ীয়েই আজি হস্পিতাল বিলাকত বেয়া হৈ পৰি আছে। কাৰণ এখন ষ্টেণ্ডাৰ্ড ২০ গাড়ী ৬ মাহ যোৱাৰ পাচতেই বেয়া হৈ পৰে। সেই কাৰণে আমি ভাবিছো অসমৰ যিবিলাক চিভিল হস্পিতাল বা অন্যান্য হস্পিতালত গাড়ী নাই আৰু বেয়া হৈ পৰি আছে এই সকলো বিলাক কথা বিবেচনা কৰি অলপ বেছি পইচা খৰচ কৰি হলেও টাটা গাড়ী কিনাৰ ব্যৱস্থা লৈছো।

শ্ৰীজয়নাথ শৰ্মা—মাননীয় অধ্যক্ষ মহোদয়, টাটা গাড়ী কিনিলেও প্ৰতিখন পাব্লিক হেল্‌থ চেণ্টাৰতে একোখন এম্বুলেঞ্চ দিয়াৰ ব্যৱহাৰ কৰিবৰ বাবে কিবা ব্যৱস্থা কৰিবলৈ মন্ত্ৰী মহোদয়ে চেষ্টা চলাইছেনে? মেডিকেল কলেজৰ বহুতো যন্ত্ৰপাতি অচল হৈ আছে। এইবোৰ সুচল কৰি ব্যৱহাৰ কৰিবৰ বাবে কিবা ব্যৱস্থা লৈছে নেকি?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয় আৰু মাননীয় সদস্য সকল, শ্ৰীজয়নাথ শৰ্মা ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে সেই প্ৰশ্নটোৰ সত্যতা আছে। গতিকে আমাৰ যিখিনি অসুবিধা আছে সেই অসুবিধাখিনিৰ মাজেদিয়েই মেডিকেল কলেজবোৰত ৰিফ্ৰিজেৰেটৰৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীফণীধৰ টায়েং—মাননীয় অধ্যক্ষ মহোদয়, অসমৰ হস্পিটেল সমূহত যিখিনি প্ৰয়োজনীয় সামগ্ৰী এতিয়াও যোগান ধৰা নাই সেইখিনি যোগান ধৰাৰ কিবা ব্যৱস্থা কৰিব নে? লগতে ডাক্তৰ সকলৰ যিখিনি অসুবিধ সেই অসুবিধা খিনি দূৰ কৰাৰ কিবা ব্যৱস্থা লব নেকি?

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, অসম মেডিকেল কলেজত ব্যৱহাৰ কৰা যিবোৰ যন্ত্ৰপাতিৰ কথা কোৱা হৈছে সেই সম্পৰ্কে চেষ্টা চলাই থকা হৈছে যদিও ইয়াত ফাইনেন্সৰ প্ৰশ্ন আছে। এই অসুবিধা আজিও আছে ইয়াক একেদিনাই কৰা কাম নহয়। ডিব্ৰুগড় মেডিকেল কলেজ হস্পিটেলত এটা কেন্সাৰ ইউনিট আছে। এই ইউনিটটো ১৯৭ চনৰ পৰাই কাম কৰি আছে। এইটো চলনি কৰিবলৈ আমাৰ ২টা ডাঙ ফাণ্ডৰ প্ৰয়োজন। মেডিকেল কলেজ বিলাকৰ কাৰণে মেডিকেল হেডত পইচা নাই। কিন্তু এইবাৰ হস্পিটেল বিলাকত পইচা দিছে। কিছু টকা এপ্ৰোভ কৰিছে। গতিকে এই সমস্যা বিলাক কিছু পৰিমাণে সমাধা কৰিব পৰা যায়

Shri Ganesh Kutum—Mr. Speaker Sir. Mr. Speaker Si

(ক) বৰপেটা চীফ মেডিকেল এণ্ড হেল্‌থ অফিচাৰে ১৯৮৪ আৰু ১৯৮৫ চনত কিমানটা ৰিফ্রিজেৰেটৰ আৰু চাক্‌চন্‌ মেচিন কিনিছে ?

(খ) উক্ত সামগ্রী কিনাৰ বাবে নিদিবা আহ্বান কৰা হৈছিল নে ?

(গ) উক্ত সামগ্রীবোৰ এতিয়া ক'ত আছে ?

(ঘ) চাক্‌চন মেচিনবোৰ ব্যৱহাৰৰ অনুপযোগী বুলি উঠা অভিযোগ সঁচা নে ?

শ্রীচন্দ্র মোহন পাটোৱাৰী (স্বাস্থ্য বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

৯০। (ক)—চাক্‌চন্‌ মেচিন ১৪ টাহে কিনিছিল, ৰিফ্রিজেৰেটৰ কিনা নাছিল।

(খ)- চাক্‌চন্‌ মেচিন বিলাক স্বাস্থ্য বিভাগৰ ক্রয় মণ্ডলীৰ অনুমোদন ক্রমে ক্রয় কৰা হৈছিল। গতিকে নিদিবা আহ্বান কৰাৰ প্রশ্ন নুঠে।

(গ)—উক্ত মেচিনবোৰ বৰপেটা জিলাৰ স্বাস্থ্য বিভাগৰ বেলেগ বেলেগ অনুষ্ঠানবোৰত যোগান দিয়া হৈছে।

(ঘ)—এই বিষয়ে চৰকাৰৰ শুচৰত একো নথি-পত্র নাই।

শ্রীহেমেন দাস মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো—মন্ত্রী মহোদয়ে কৈছে যে চাকচন মেচিন বিলাক অনুপযোগী হৈ আছে বুলি চৰকাৰে কোনো খবৰ পোৱা নাই। এতিয়া মই এই সদনত কৈছো চাকচন মেচিন বোৰ বেচিভাগেই অনুপযোগী। মন্ত্রী মহোদয়ে এই বিষয়ে এটা তদন্ত কৰিবনে ?

শ্রীচন্দ্রমোহন পাটোৱাৰী (মন্ত্রী)—মাননীয় অধ্যক্ষ মহোদয়, যিটো প্রশ্ন ইয়াত উত্থাপন কৰিছে সেই বিষয়ে মই এটা তদন্তৰ ব্যৱস্থা কৰিম।

শ্রীদুৰ্গাদাস বড়ো—মাননীয় অধ্যক্ষ মহোদয়, অসমৰ স্বাস্থ্যমন্ত্রী মহোদয়ৰ লৈতে আৰু এজন নে দুজন এম, এল, এ ভ্রমণলৈ যাওতে ৰঙাপাৰাত থকা ৩০ খন বিচনাযুক্ত হস্পিতালত কেইখনমান বিচনা বঢ়াই দিয়া আৰু এটা ৰিফ্রিজাৰেটৰ দিয়াৰ কথা কৈছিল। কিন্তু এতিয়ালৈকে নিদিয়াৰ কাৰণে স্থানীয় ৰাইজে আপত্তি তুলিছে। সেই সম্পৰ্কে মন্ত্রী মহোদয়ে কিবা সিদ্ধান্ত লৈছে নেকি।

শ্রীচন্দ্রমোহন পা টাৱাৰী (মন্ত্রী)- মাননীয় অধ্যক্ষ মহোদয়, এইখন ৰঙাপাৰা হস্পিতাল নাছিল।

শ্রীদুৰ্গাদাস বড়ো—মাননীয় অধ্যক্ষ মহোদয়, মই ৰঙাপাৰাৰ কথাহে কৈছো।

শ্রীচন্দ্রমোহন পাটোৱাৰী ( মন্ত্রী )—মাননীয় অধ্যক্ষ মহোদয়, ৰঙাপাৰাত ৩০ খন বিচনা যুক্ত হস্পিতাল নায়েই। ৰঙাপাৰাৰ বিষয়ে যিটো কথা কৈছে সেই বিষয়ে বিবেচনা কৰি চাম।

কুমাৰ দীপক দাস—মাননীয় অধ্যক্ষ মহোদয়, বৰপেটাৰ মুখ্য চিকিৎসা ও স্বাস্থ্য বিষয়াৰ কাৰ্য্যালয়ত কিছুমান ৰিফ্রিজাৰেটৰ কিনা হৈছিল। ১৯৮৩ চনৰ সেই সময়ৰ মন্ত্রী আৰু স্বাস্থ্য বিভাগৰ সঞ্চালকে লগ লাগি এটা পাৰচেণ্ট লৈ বস্তুটো কিনিছিল আৰু তাত বহুটো খেলি মেলি আছিল। এই সম্পৰ্কে মন্ত্রী মহোদয়ে কিবা ব্যৱস্থা লৈছে নেকি ?

Shri Golak Rajbanshi—Sir, this is not the way to protect the right of the Hon'ble Members to raise a supplementary question.

( Voices from all sides )

Shri Swarup Upadhayaya—Sir, since the rights of the Hon'ble Member is not protected to raise a supplementary question, we walk out on protest against the decision of the Speaker.

( Voices from all sides )

( At this stage Hon'ble Members from Cong (I), Congress (S) & U. M. F. walked out from the House on protest. )

Starred Question Nos. 88 and 89 were not called for.

Re : Sub-Treasury at Sonai

Shri Abdul Rob Laskar asked :

*89. Will the Chief Minister be pleased to state--

(a) Whether the Government is aware that Sonai under Silchar Sub-Division about 16 km. from Silchar having 2 Colleges, many High Schools, M. E. and L. P. Schools and Government Offices is in immediate need of a Treasury Office ?

(b) If so, whether Government will consider the establishment of a Treasury Office at Sonai for the interest and betterment of public ?

Shri Prafulla Kumar Mahanta ( Chief Minister ) repied :

89. (a) & (b)—State Government have already taken up a phased programme for opening Sub-Treasuries at the headquarter of newly established Sub-division and other important places. Proposal for other places may be taken up only after completion of the present phase already in hand.

বি: বৰপেটাৰ চীফ মেডিকেল এণ্ড হেল্‌থ অফিচাৰৰ দ্বাৰা ৰিফ্ৰিজেৰেটৰ ক্ৰয়

শ্ৰীহেমেন দাসে সুধিছে :

*৯০। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি কনা —

কোনো নিয়ম বা গাইড লাইন কোনো চৰকাৰৰেই নাই। আমি নিজৰ সুবিধাৰ কাৰণে লবলৈ চেষ্টা কৰিছো।

শ্ৰীজয়নাথ শৰ্মা—মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ে এটা প্ৰশ্ন সুধিব খুজিছো যে এখন গাওঁলৈ ১০ টা বিভাগৰ ডেভলকমেণ্ট কামৰ বাবে ১০ টা মন্ত্ৰী গলে কিবা অসুবিধা হয় নেকি? আৰু ডেভেলপমেণ্টৰ কামত আগৰ চৰকাৰে কৰা বেয়া কামবোৰ চৰজমীন কৰাৰ কাৰণে মন্ত্ৰী সকল যোৱা উচিত নে নহয়?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকৰ কোনো বাধা নাই।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে—মাননীয় অধ্যক্ষ মহোদয়, হেলিকপ্টাৰ বাবদ কিমান টকা খৰচ হ'ল আৰু কোনোবা এম, এল, এ হেলিকপ্টাৰত ফুৰিব পাৰে নে নোৱাৰে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয় সেইটো এটা বেলেগ প্ৰশ্ন কৰিলে উত্তৰ দিয়াত সুবিধা হব। যোৱা বছৰত হেলিকপ্টাৰত পইচা দিব লগা আছে আৰু সেইটো চাপ্লিমেণ্টৰী ডিমাণ্ড আহি যাব।

Shri Swarup Upadhaya—Sir, it has been stated by the Hon'ble Chief Minister that for supervising the developmental activities ten Ministers can go at a time in a particular place and for that there is no hard and fast rule. Sir, in that case may I know from the Hon'ble Chief Minister whether the wives of the Ministers are also allowed to go with the Ministers to attend the developmental activities and in the name of developmental activities they are allowed to use Govt. vehicles to visit 'Rash-yatra' etc.?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মিনিষ্টাৰ লেভেলত মিনিষ্টাৰৰ পৰিবাৰ যাবই। মাননীয় প্ৰধান মন্ত্ৰী ৰাজীব গান্ধীৰ লগত যাওঁতে আপোনালোকে কি প্ৰশ্ন কৰিছিল?

শ্ৰীস্বৰূপ উপাধ্যায়—মাননীয় অধ্যক্ষ মহোদয়,

মাননীয় অধ্যক্ষ—বহক, বহক, বহক

(সদনত হুলস্থুল)

Shri Swarup Upadhaya—Sir, I have got one more supplementary question.

(Laughter....voices from all sides....)

Mr. Speaker—No more supplementary question on this question.... .......

(Voices from all sides)

(খ)—অহা ১৮ জানুৱাৰীত চৰকাৰী ঘোষণাৰ কথাটো মহকুমা গঠনৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰে।

(গ)—প্ৰশ্ন নুঠে

শ্ৰীদেবেশ্বৰ বৰা- মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাত মহকুমাক জিলালৈ ৰূপান্তৰিত কৰিব লাগে বুলি উত্থাপন কৰা হৈছিল। কিন্তু আমি জানিব বিচাৰিছো যে অসম বিধান সভাৰ মজিয়াত ১৯৭৪ চনৰ কোহালি আয়োগৰ প্ৰতিবেদন পুনৰ বিবেচনা কৰা হৈছে বুলি কৈছে। এই বিষয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এই বিষয় বিবেচনা কৰি থকা হৈছে। কিন্তু গোটেই প্ৰশ্নটো জৰিত আছে টকা-পইচাৰ লগত। টকা-পইচা নহলেটো জিলা ঘোষণা কৰি লাভ নাই।

## Re : Amount Spent on T. A. and D. A of Ministers and State Ministers

Shri Dileswar Tanti asked :

*87. Will the Chief Minister be pleased to state—

(a) The amount has been spent by the Ministers, State Ministers on T. A. & D. A. during this year up-till now ?

(b) Is there any guideline to control the tours made by the Minister ?

Shri Prafulla Kumar Mahanta (Chief Minister) replied :

87. (a)—On T. A. Rs. 11,47,261·41 (Rupees eleven lakhs forty seven thousand two hundred sixty one & paise forty one) only and on D. A is Rs. 1,67627·40 (Rnpees one lakh sixty seven thousand six hundred twenty seven and paise forty) only during this year up-till now.

(b)—No.

শ্ৰীদিলেশ্বৰ তাঁতী—মাননীয় অধ্যক্ষ মহোদয়, কোন কোন মন্ত্ৰীয়ে কিমান টকা ড্ৰ কৰিছে সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ? এই সম্পৰ্কে কিবা গাইড লাইন দিয়া আছে নেকি, মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা কোনো গাইড লাইন নাই আৰু কোনে কিমান টকা লৈছে সেইটো পাচত জনাব পৰা যাব।

শ্ৰীদিলেশ্বৰ তাঁতী—মাননীয় অধ্যক্ষ মহোদয়, আমি বাতৰি কাকত আদিত গম পাইছো যে একো একোখন সভাত কেইবাজনো মন্ত্ৰী উপস্থিত থাকে। এইটো কণ্ট্ৰোল কৰাৰ কিবা ব্যৱস্থা লৈছে নেকি ?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এনেকু

৮৫। (ক) (খ) (গ)—গুৱাহাটী মহকুমাত নতুন কোনো মহকুমা গঠনৰ আঁচনি চৰকাৰৰ নাই।

শ্রীকমলা কলিতাই সোধা (খ) আৰু (গ) প্রশ্নৰ উত্তৰত মুখ্যমন্ত্রী মহোদয়ে নাই বুলি কয়।

শ্রীকমলা কলিতা—মাননীয় অধ্যক্ষ মহোদয়, আজি চাৰিমাহ আগতে ছয়গাওঁৰ পৰা ৰাজহ পট্টন আৰু ছয়গাওঁ সমষ্টিৰ বিধায়কে মহকুমাৰ দাবীত তিনিখন স্মাৰক পত্র মুখ্যমন্ত্রীক দিছিল। তাৰ কি ব্যৱস্থা লোৱা হৈছে মুখ্যমন্ত্রী মহোদয়ে জনাব নে? দ্বিতীয়তে এই মহকুমাৰ বাবে কোনো কথা শুনোৱা নাই। কিছুদিনৰ পৰা বকোত আন এটা মহকুমা গঠন কৰা হ'ব বুলি কিছু কথা চলি আছে—সেই কথাটো সঁচা নে?

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্রী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে নিশ্চয় জানে যে উৰা বাতৰিত কাণ দিব নেলাগে। মহকুমা, জিলা আদি গঠন কৰা হয় চৰকাৰৰ প্রশাসনৰ সুবিধাৰ কাৰণে ৰাইজৰ দাবীৰ কাৰণে নহয়।

শ্রীকুল বাহাদুৰ ছেত্রী—মাননীয় অধ্যক্ষ মহোদয়, অসমত জিলা গঢন কৰা কথা চলি আছে। নতুনকৈ কিবা জিলা গঠন কৰা হ'ব নেকি?

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্রী)—অধ্যক্ষ মহোদয়, যি কেইটা মহকুমা আৰু জিলা গঠন কৰা হ'ল তাৰ ওপৰিও কৰিব পৰা যায়। কিন্তু এই কথাটো টকাৰ লগত জৰিত আছে।

বি: গোলাঘাট মহকুমাক জিলা ঘোষণা

শ্রীবিনোদ গোৱালাই সুধিছে:

*৮৬। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাব নে—

(ক)—গোলাঘাট মহকুমাক জিলা, আৰু সৰুপথাৰ, বৰপথাৰ সীমান্ত অঞ্চলক লৈ মহকুমা গঠনৰ ৰাইজৰ দাবীক চৰকাৰে কি বিবেচনা কৰিলে জনাব নে?

(খ) অহা ২৬ জানুৱাৰীত সৰুপথাৰ, বৰপথাৰ মহকুমা গঠনৰ চৰকাৰী ঘোষণা কৰিব পৰা হ'ব নে?

(গ) যদি নহয়, কিয় নহয় জনাব নে?

শ্রীপ্রফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে:

৮৬। (ক)—১৯৭৮ চনতে এটা সিদ্ধান্ত লোৱা হৈছিল যে চৰকাৰৰ আৰ্থিক অৱস্থা আৰু লাগতিয়াল কর্মচাৰী আদি পোৱাৰ সাপেক্ষে অসমৰ বৰ্ত্তমান মহকুমা বিলাকক ক্রমশঃ জিলালৈ ৰূপান্তৰ কৰিব লাগে। এই সম্পৰ্কত গোলাঘাট মহকুমাক জিলালৈ ৰূপান্তৰ কৰাৰ প্রস্তাৱটোও অন্তৰ্ভুক্ত আছিল। কিন্তু চৰকাৰৰ আৰ্থিক অৱস্থাৰ বিশেষ উন্নতি নোহোৱাত এতিয়ালৈকে গোলাঘাট মহকুমাক জিলালৈ ৰূপান্তৰ কৰিব পৰা হোৱা নাই।

সৰুপথাৰ আৰু বৰপথাৰ মৌজাকলৈ মহকুমা গঠনৰ আবেদন ৰাইজৰ পৰা পোৱা হৈছে। এই আবেদন চৰকাৰৰ পৰীক্ষাধীন হৈ আছে।

ment are correct or not?

Shri Pabin Chandra Deka (Minister)—Mr. Speaker, Sir, three numbers of diesel pumps were being issued to the Constituency as per the record of the Government, but if it is not done, as stated by the Hon'ble Member, Government will look into it.

শ্ৰীজয়নাথ শৰ্মা—মাননীয় অধ্যক্ষ মহোদয়, দলগাওঁত কিমান ইৰিগেছন আঁচনি আছে আৰু ছিপাঝাৰত কিমান আছে? কিমান ইৰিগেছন স্কীম ইৰিগেটেড হৈছে? ছিপাঝাৰত কিমান ইৰিগেটেড হ'ল? ছিপাঝাৰত এই স্কীম এটাও নাই, এই কথা সঁচা নে?

শ্ৰীপবিন চন্দ্ৰ ডেকা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, দলগাওঁ বিধান সভা সমষ্টিত ৮ টা ডিপ টিউব ওৱেল ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে। তাত এটা ইৰিগেছন স্কীম আছে। ছিপাঝাৰত স্কীমৰ কোনো আঁচনি লোৱা হোৱা নাই। যিহেতু আঁচনি নাই কিমান হেক্টৰ মাটিত আঁচনি লোৱা হৈছে প্ৰশ্ন নুঠে। নতুন চৰকাৰৰ দ্বাৰা তাত ইৰিগেছন স্কীম লোৱা হব।

শ্ৰীজয়নাথ শৰ্মা—অধ্যক্ষ মহোদয়, ছিপাঝাৰত নাই অথচ বেলেগ এৰিয়াৰ মাটি ইৰিগেটেড হৈছে। এইবিলাক ঠিক কৰাৰ কাৰণে বেলেঞ্চ হব নে নহয়?

শ্ৰীপবিন চন্দ্ৰ ডেকা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, এই স্কীমৰ দ্বাৰা খেতিত পানী দিয়া হৈছে। গতিকে চৰকাৰে চাব খেতিয়ক সকলে পানীৰ দ্বাৰা উপকৃত হৈছে নে নাই। ইয়াত বেলেঞ্চৰ প্ৰশ্ন নুঠে।

শ্ৰীস্বৰূপ উপাধ্যায়—মাননীয় অধ্যক্ষ মহোদয়, আৱশ্যক মতে য'ত ইৰিগেছনৰ কাম কৰিব লাগে তাত কৰা হোৱা নাই। ইৰিগেশ্বনৰ ব্যৱস্থা বিভিন্ন প্ৰকাৰে কৰা হয় নেকি?

শ্ৰীপবিন চন্দ্ৰ ডেকা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, আগৰ চৰকাৰে আৱশ্যক মতে কৰিছিল নে নাই নাজানো। কিন্তু এইবাৰ আমি আৱশ্যক অনুসৰি জলসিঞ্চনৰ ব্যৱস্থাৰ দিহা কৰিছো। জলসিঞ্চনৰ আঁচনি হব নে নহয় তাক পৰীক্ষা নিৰীক্ষা কৰিহে জলসিঞ্চন আঁচনি কৰা হৈছে।

বিঃ গুৱাহাটী মহকুমাত নতুন মহকুমা

শ্ৰীকমলা কলিতাই সুধিছে:

*৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক)—গুৱাহাটী মহকুমাৰ বৃহৎ কলেৱৰৰ প্ৰতি লক্ষ্য ৰাখি বৰ্ত্তমান চৰকাৰৰ নতুন মহকুমা ঘোষণা কৰাৰ আঁচনি আছে নেকি?

(খ)—যদি আছে তেন্তে নতুন মহকুমাৰ সদৰ ক'ত নিৰ্দ্ধাৰণ কৰা হব?

(গ)—যদি নাই তেন্তে ছয়গাওঁত মহকুমাৰ সদৰ হিচাবে লৈ নতুন মহকুমা ঘোষণা কৰা হব নেকি?

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

(b) Whether they are functioning and if not, why ?

(c) Whether any irrigation facility was given to Dalgaon Legislative Assembly Constituency to fight drought and if not, why ?

(d) Whether Sipajhar Legislative Assembly Constituency met with the same fate or a different one ?

Shri Pabin Chandra Deka (Minister, Irrigation) replied :

84. (a)—In Dalgaon Assembly Constituency sinking of 8 Nos. of D. T. W's hrve been completed.

(b)—The tube-wells are yet to function as other like installation of pump, energisation, work of distribution system etc. are in progress and yet to be completed.

(c)—Yes, Mobile Diesel pump sets were issued during the last drought period. The existing Sukhajani Flood Irrigation Scheme was under operation and providing Irrigation facilities.

(d)—Mobile Diesel Pump sets were also supplied in Sipajhar Legislative Assembly Constituency during drought period.

Shri Abdul Jabbar-Mr. Speaker, Sir, may I know how many diesel pumps were given in which places in the Constituency ?

Shri Pabin Chandra Deka (Minister)—Three numbers of diesel pumps were being issued to Dalgaon Assembly Constituency.

Shri Abdul Jabbar—I want to know the name of the villages.

Shri Pabin Chandra Deka (Minister)—Mr. Speaker, Sir, the question itself said about the Dalgaon Assembly Constituency. If it is asked specifically about the villages then I will give the reply.

Shri Abdual Jabbar—Sir, Minister has stated that such and such numbers of diesel pumps were given to the Constituency but so far I know that not a single number of diesel pump is given yet and it is clear from the Hon'ble Minister that he is not in a position to give the proper names of the places. Will the Minister enquire into the matter whether the numbers given by the depart-

জিলাৰ বিধায়ক সকলৰ পৰামৰ্শ লোৱা হৈছিল নে ?

(ঘ) যদি হোৱা নাই, কাৰণ কি ?

শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা ( শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৮৩। (ক)—সম্প্ৰতি দুটা বিভাগ চলি আছে।

(খ)—হয়।

(গ)—বৰ্ত্তমানে প্ৰতিষ্ঠানখন অস্থায়ীভাৱে ভাবাৰত আৰম্ভ কৰা হৈছে। গতিকে এই সম্পৰ্কে ধুবুৰী জিলাৰ বিধায়ক সকলৰ সৈতে আলোচনা কৰা হোৱা নাই।

(ঘ) - প্ৰশ্ন নুঠে।

শ্ৰীমজিবুদ্দিন শ্বেখ—অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে স্থায়ী ভাৱে ঘৰ বা স্থান নিৰ্ব্বাচন কৰাৰ সময়ত বিধায়ক সকলৰ লগত আলোচনা কৰা হব নেকি ?

শ্ৰীবাৰ্কি প্ৰসাদ তেলেঙ্গা ( শ্ৰম মন্ত্ৰী )—অধ্যক্ষ মহোদয়, বিবেচনা কৰা হব।

শ্ৰীমজিবুদ্দিন শ্বেখ—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে নিশ্চয় জানে যে ধুবুৰী জিলাত গৰাখহনীয়াত পৰি বিপৰ্য্যস্ত হোৱা বহু পৰিয়াল আছে, সেই পৰিয়ালবোৰত বহুতো যুৱক আছে যি সকলে কাম আদিৰ কাৰণে হাঁহাকাৰ কৰিবলগীয়া হৈছে। তেওঁলোকে গুৱাহাটীলৈ কাম বিচাৰি আহিব লগীয়া হয়, সেয়ে এই বিষয়টোলৈ লক্ষ্য ৰাখি ইয়াত আই, টি, আই আদি অনুষ্ঠানত পৰিসৰ বহলোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীবাৰ্কি প্ৰসাদ তেলেঙ্গা ( শ্ৰম মন্ত্ৰী )—অধ্যক্ষ মহোদয়, স্থায়ী ভাৱে যেতিয়া আই, টি, আই টো কৰিবলৈ লোৱা হব সেই সময়ত পুঁজি প্ৰয়োজনীয়তালৈ চাই নিশ্চয় চকু দিয়া হব।

শ্ৰীপদ্মকান্ত কৈৰী—অধ্যক্ষ মহোদয়, বৰ্ত্তমান অসমৰ আই, টি, আই বিলাকত চাহ বাগানৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে কিবা সংৰক্ষণৰ ব্যৱস্থা আছে নেকি ? যদি আছে সেয়া কেনে ধৰণৰ মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীবাৰ্কি প্ৰসাদ তেলেঙ্গা ( শ্ৰম মন্ত্ৰী )—অধ্যক্ষ মহোদয়, বৰ্ত্তমান আই, টি, আই বিলাকত দুটা চাহ বাগানৰ আৰু প্ৰাক্তন চাহ জনজাতীয় ছাত্ৰ ছাত্ৰীৰ কাৰণে সংৰক্ষণৰ ব্যৱস্থা আছে।

### Re : Installation of Deep Tube-wells

Shri Abdul Jabbar asked :

* 84. Will the Minister, Irrigation be pleased to state—

(a) The number of deep tube-wells installed in Dalgaon Legislative Assembly Constituency ?

নিকেল ইনজিনিয়াৰিঙৰ ভিতৰত।

(ঙ) ইলেকট্ৰনিকচ, কমপিউটাৰ ইনজিনিয়াৰিং-ইলেকট্ৰিকেল ইনজিনিয়াৰিঙৰ ভিতৰত।

(গ)—১২০ জন ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব।

**শ্ৰীগিৰিন্দ্ৰ কুমাৰ বৰুৱা**—মাননীয় অধ্যক্ষ মহোদয়, এই পলিটেকনিক সমূহ কেতিয়া আৰু কোন জিলাত স্থাপন কৰিব পৰা হব মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী—সন্মানিত অধ্যক্ষ মহোদয়, বৰ্ত্তমান বছৰত হোৱাত মাথোন এখন পলিটেকনিক বঙ্গাইগাওঁত যোৱা ৪.১১-৮৬ তাৰিখত স্থাপন কৰা হৈছে। ইয়াত মুঠতে ১২০ জন ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি কৰাৰ ব্যৱস্থা আছে। এই ১২০ জনৰ ভিতৰত ৬০ জন চিভিল ইঞ্জিনীয়াৰিং, ৩০ জন মেকানিকেল ইঞ্জিনীয়াৰিং আৰু ৩০ জন ইলেকট্ৰিকেল ইঞ্জিনীয়াৰিং। চিভিল ইঞ্জিনীয়াৰিঙত কনষ্ট্ৰাকৃসন মেনেজমেণ্ট, মেকানিকেল ইঞ্জিনীয়াৰিঙত প্ৰডাক্সন ইঞ্জিনীয়াৰিং, ম্যানুফেকচাৰিং ইঞ্জিনীয়াৰিং আৰু ইলেকট্ৰিকেল ইঞ্জিনীয়াৰিঙত ইলেকট্ৰনিকচ্, কম্পিউটাৰিং ইঞ্জিনীয়াৰিং নতুন বিষয়বোৰ অন্তৰ্ভুৰ্ক্ত কৰা হৈছে। কিন্তু বৰ্ত্তমান সকলো প্ৰকাৰৰ সা-সুবিধা নথকাৰ বাবে মাথোন চিভিল ইঞ্জিনীয়াৰিংৰ ৩৫ জন ছাত্ৰ-ছাত্ৰীক ভৰ্ত্তি কৰা কৰা হৈছে। সকলো ব্যৱস্থা সম্পূৰ্ণ হোৱাৰ পিচত বিশেষ বিষয় সহ বাকী বিষয়বোৰ আৰম্ভ কৰা হব।

শ্ৰীমজিবুদ্দিন শ্বেখ—অধ্যক্ষ মহোদয়, অসমত কিমানখন পলিটেকনিক আছে আৰু ক'ত ক'ত আছে? আমাৰ ধুবুৰী জিলাতো এনে এখন পলিটেকনিক স্থাপনৰ প্ৰস্তাৱ অসম চৰকাৰৰ হাতত আছে নে মন্ত্ৰী মহোদয়ে আমাক জনাবনে?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী)- অধ্যক্ষ মহোদয়, বৰ্ত্তমান ডিব্ৰুগড়ৰ লাহোৱাল, যোৰহাটৰ প্ৰিন্স অৱ ওৱেলচ্, গুৱাহাটীত দুখন। এখন গাৰ্লচ পলিটেকনিক আৰু এখন বয়জ পলিটেকনিক আৰু বঙাইগাৱঁত নতুনকৈ এখন আৰম্ভ কৰা হৈছে। ধুবুৰী জিলাত বৰ্ত্তমান নতুনকৈ স্থাপনৰ কথা চৰকাৰে ভৱা নাই।

বি : আই, টি, আই, ধুবুৰী

**শ্ৰীমছিৰ উদ্দিন শ্বেখে সুধিছে :**

*৮৩। মাননীয় শ্ৰমবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ধুবুৰী জিলাত স্থাপিত হোৱা আই, টি, আই, খনত বৰ্ত্তমান কেইটা বিভাগ চলি আছে?

(খ) উক্ত প্ৰতিষ্ঠানখনত বিভাগৰ সংখ্যা বঢ়োৱাৰ বাবে কোনো কথা চৰকাৰে ভাবিছেনে?

(গ) উক্ত প্ৰতিষ্ঠানখন স্থাপন কৰাৰ আগত স্থান নিৰ্ব্বাচনৰ বাবে ধুবুৰী

Quality Control Department. Now, my question is, whether the Government is taking any step for dismissal of the guilty officer to set an example.

Shri Pabin Chandra Deka (Minister, Irrigation)—Mr. Speaker, Sir, it has already been stated that the charges or the allegations as have been referred to by the Hon'ble Member have already being enquired into and after the enquiry is over the question of dismissal or any other action would come. Show cause notice has already been issued and after receipt of the answer from the Charge officer necessary action will be taken.

Shri Altaf Hussain Mazumdar—Mr. Speaker, Sir, it is in the record that in the Irrigation Deptt. some Engineers made malafide purchases. Will he take action against those Executive Engineers also who purchased recklessly and in a malafide manner ? One Executive Engineer made false bills, enquiries were made, discussions in the House were held and he has only been transferred and no other action has been taken. Will the Minister kindly look into it ?

Shri Pabin Chandra Deka (Minister, Irrigation)—Such allegations against such officers which have been received and under process of enquiry shows that they are guilty of purchasing materials without any sanction then they would be punished.

বি : পলিটেকনিক সমূহৰ পাঠ্যক্ৰম

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে :

*৮২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ নতুনকৈ স্থাপন কৰা পলিটেকনিক্ সমূহত কিবা নতুন বিষয় অন্তৰ্ভুক্ত কৰা হৈছেনে ?

(খ) যদি হৈছে, কি কি বিষয় অন্তৰ্ভুক্ত হৈছে ?

(গ) এই আঁচনিয়ে কিমান ছাত্ৰক উপকৃত কৰিব ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী) য়ে উত্তৰ দিছে :

৮২। (ক)—হয়, হৈছে।

(খ)—তলত উল্লেখ কৰা বিষয়বোৰ অন্তৰ্ভুক্ত কৰা হৈছে—

(১) কন্‌ষ্ট্ৰাকচন মেনেজমেণ্ট, চিভিল ইন্‌জিনিয়াৰিংৰ ভিতৰত।

(২) প্ৰডাকচন ইনজিনিয়াৰিং, ম্যানুফেকচাৰিং ইনজিনিয়াৰিং—মেকা-

into. Now, I want to know from the Hon'ble Minister how many orders for supply of materials in the Machanical Division had been issued by the Executive Engineer concerned from January, 1986 to June 1986 ? Whether Govt. have detected false bills against the orders placed by Executive Engineer for purchasing the materials ?

Shri Pabin Chandra Deka—Mr. Speaker, Sir, I have already stated that some irregular payments were made in regard to some purchases. I have already stated in my answer that these payments were made for purchase of materials without any estimate and without proper verification as to the necessity. Govt. is very much aware of this and enquiry has been instituted and report has been received and showcause notice has been issued to that charged officer.

Shri Charan Narzari—Sir, it is not a satisfactory reply: Here I have all the documents, From January 86 to June, 1986 the said Executive Engineer issued all these supply orders, so many supply orders and as per documents in my possession the total amount of money involved in all these supply orders is Rs. 7,64,577·00. Sir, not only this. There is a Lift Irrigation Scheme, viz., the Gaurang Lift Irrigation Scheme, which was declared dead by the Chief Engineer, Irrigation, since the flood of 1983. It was completely dead as a result of the flood of 1983. Then how is it that Rs. 40,000/- were spent for supply of materials for that scheme by the Executive Engineer against that dead scheme during 1984-85. Is it not a charge of corruption ? Where the money has gone ? I have long list of bogus firms, who do not have any Show Rooms, but order were given to them and their fake bills for supplying machinery parts valued lakhs of rupees were paid by the concerned Executive Engineer. I have a long list of firms here, most of whom are bogus. The affairs were enquired into by the Quality Control Deptt. also as we have learnt and certain documents were also seized by the Quality Control Deptt. But nothing has been done so far. We have seen, no action has been taken against the erring officer, who withheld so many files from being enquired into. These files were not exhibited before the

আংশিক ধ্বংস হয়েসে ?

(ঘ) ক্ষতিগ্রস্তরা কত্ত টাকা করে পেয়েছেন ?

শ্ৰীথানেশ্বৰ বড়ো (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক)—৫,০০,০০০.০০ টকা আনুতোষিক সাহাযা (গ্ৰেটিচিয়াছ ৰিলিফ) আৰু ১২,৪৬,২১০.০০ টকা পুনৰ সংস্থাপন সাহাৰ্য্য ( ৰিহেবিলিটেচন গ্ৰাণ্ট ) মঞ্জুৰ কৰা হৈছিল।

(খ)—মোহনপুৰ গাওঁ পঞ্চায়তত ১২৬টা ঘৰ সম্পূৰ্ণ আৰু ১৬১৪টা আংশিক কালীনগৰ গাওঁ পঞ্চায়তত ৬৮৩টা সম্পূৰ্ণ, ১৯০৮টা আংশিক আৰু আলগাপুৰ গাওঁ পঞ্চায়তত ২৪০টা সম্পূৰ্ণ আৰু ৭০৭টা ঘৰ আংশিক ভাবে ক্ষতিগ্ৰস্ত হৈছিল। বক্ৰীহাটৰ এলেকাটো উপৰোক্ত গাওঁ পঞ্চায়তৰ অন্তৰ্ভূক্ত।

(গ)—সম্পূৰ্ণৰূপে ধ্বংস হোৱা পৰিয়ালে ৫০০.০০ টকা হিচাবত আৰু আংশিক ভাৱে ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালে ৪০.০০ টকা হিচাবত পাইছিল।

**Re: Payment of Salary to Panchayat Employees**

Shri Muktar Hussain asked :

*99. Will the Minister, Panchayat be pleased to state—

(a) Is it a fact that the salary of panchayat employees are not given for months together ?

(b) If so, whether their salary will be paid within this Budget year ?

(c) Is it a fact that the post of Panchayat Secretary has been provincialised with effect from lst April, 1968 ?

Shri Chandra Arandhara (Minister, Panchayat replied :

(a)—The fact connected with non-receipt of salary by some Panchayat employees has come to the notice of Government.

(b)—Panchayat employees are not Government employees. Panchavat employees are entertained by the Mohkuma Parishads/Gaon Panchayats and Mohkuma Parishads Gaon Panchayats are responsible to pay the salaries of the employees under them from their own resources.

(c)—There is a provision in the Assam Panchayati Raj Act, 1986 for the State Government to appoint Secretary of the Gaon Panchayat.

**Re : Shifting of North Western Project of Circle Office**

*100. Will the Minister Irrigation be pleased to state—

(a) Whether it is a fact that the Government has decided to shift the North Western Project Circle Office (Irrigation), i. e. Office of the Superintending Engineer, now functioning at Barpeta Road to the Champamati Irrigation Project area?

(b) If so, the reasons for not shifting the said office up till now?

শ্ৰীপ্ৰবিন চন্দ্ৰ ডেকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক)—নহয়।

(খ)—কাৰণ এই কাৰ্য্যালয়টোৰ তিনিখন প্ৰকল্প যেনে :—(১) পহুমাৰা জলসিঞ্চন আঁচনি (মজলীয়া) (২) কপিলী জলসিঞ্চন আঁচনি (মজলীয়া) আৰু (৩) চম্পামতী জলসিঞ্চন আঁচনি (বৃহৎ) কাম চলাই আছে। এই কাৰ্য্যালয়টোৰ বৰ্ত্তমান অৱস্থিত স্থানেই উপৰুক্ত তিনিখন আঁচনিৰ বাবে মধ্যস্থান।

(Hon'ble Members, who walked-out, re-entered)

Shri Charan Narzary—Hon'ble Mr. Speaker Sir, when the A. G. P. came to power, in the first session of the Assembly I said that we would support the Government on various common issues on merit. But whenever any line of action of this Government goes against the interest of the tribals, there is no question of extending our support to the Government.

Sir, now I am raising an important matter which is affecting the tribals most. Eviction notices have been served on the tribals in various areas specially on the tribal encroachers on the Government khas lands and on the forest lands. I said during the last Assembly session that the problem of encroachment has already assumed a very gigantic proportion which needs to be handled very carefully. Because it is a very sensitive and burning issue. Now, the tribals are apprehending ruthless evictions any moment, any day, any time, because eviction notices have already been served on them in different areas. We have our Revenue Minister who happens to be a tribal, and we have the Forest Minister who is also a tribal. We hope that the security of the tribals will be ensured by this Government. Now, so far as the eviction

of the tribal encroachers on forest land is concerned, as I have come to know, the AGP Government has already adopted its positive policy by a circular and under this circular the C. F. Os have been given free hand, rather absolute power, to draw their own plans for eviction of the tribals. Here my reference is only to the tribals.

Sir, please note it. I quote the Government circular-letter No. FRS. 598181/pt/104 dated September, 86 from the Secretary to the Government of Assam addressed to all the Divisional Forest Officers, Assam etc. This is regarding eviction of encroachers from reserved forest lands, etc. Under this circular from the Secretary to the Government of Assam, the following directives or guidelines have been issued :

(1) 'The Divisional Forest Officers will exercise their statutory powers to evict the encroachers from the reserved forests with the help of civil administration. No. prior approval from the Government will be required to carry out eviction of encroachers from reserved forest land. All the previous instructions regarding such approval from the Government are withdrawn.

So, Sir. This is very clear that free land has been given to the D. F. Os. Again,

(2) 'Government Office Memo No. RFS/Sectt/183/66/337 dated 27.3.80 wherein it was stated that encroachment made before 1.1 80 are not to be removed, are hereby withdrawn so far as reserved forests are concerned. All encroachment will be liable for eviction.'

Sir, during the last session I told this House that over one lakh tribals are living in various forest lands as encroachers and their land-occupotion ranges from 30 years, 25 years, 20 years, 10 years, like that. Now, here it has been said that irrespective of length of encroachment, all will be liable for eviction.

(3) 'Strong and effective preventive measures are to be taken by D.F.Os to ensure that no fresh encroachment

can take place in reserved forests.

Sir, so far as the conservation of forests is concerned we fully agree with the Government policy. No fresh encroachment should be allowed. But then Sir, we have to see that indigenous tribals are not adversely affected. It has also been stated in this circular that "for eviction of encroachers and prevention of encroachment in future, the following guidelines are issued".

"Each territorial DFO will immediately prepare an action plan for carrying out eviction inside R. F. under his control".

Now Sir, the tribal encroachers in various reserved forest areas have become so panicky and apprehensive that groups of people have already arrived here to meet us just to make query about the position. We told them that the Govt. as per this circular may carry out eviction operation any moment, any time. When the D. F. Os have been given free hand rather absolute power, to carry out evictions even without intimating the Govt. or without obtaining approval of the Govt., we very much understand what they can do in the field. There are forest officials and we had bitter experiences in the past that they have always a tendency to exhibit diabolical behaviour and over actions against the tribals, whenever they find such an opportunity. Our people have heard many of the forest official madly shouting in course of eviction operation, who wanted to take bath with the blood of the tribals. In Odalguri forest area and North Kamrup Division the tribals have already been served with eviction notices. Many of the tribals in Gahpur area have also received similar eviction notices.

From various parts all over the State, groups of people are coming to us with unhappy reports that they are apprehending large-scale evictions everywhere. They are afraid that immediately after the Assembly session is over, they will be evicted. What is the actual position ? The Forest

Minister is not here at the moment. I have said this just for the information of the Chief Minister. If this is the position, Sir, the situation may go beyond the control of the Govt. These defenceless tribals are helpless. When they are defenceless and helpless, the question of defending themselves will naturally arise. Because there will be no one to protect them. I said during the last session also that without making suitable alternative arrangements, those encroachers should not be evicted. So far as the problem of encroachment is concerned, specially in case of the tribals we should be taken into confidence. Otherwise, I am afraid, circumstances may force us to take a drastic counter-action. If the Govt. do not think over it hundred times before going for evictions, a time may come very soon when we may be fored to oppose the AGP Govt. vehemently and say—'Down with AGP Govt.' Is this moment coming?

This is a very serious matter. We cannot allow our people to be butchered like cats and dogs. Many tribal members are there in the Treasury Bench. I do not know whether they are aware of the alarming magnitude of this burning problem. If the Govt. persists to evict the tribals in the name of conservation of forests, then I should say, we should give a call to our people to defend themselves on their own. Let there be a fierce and final battle—a battle of Waterloo, either for this or that side. Sir, this is not a matter to be laughed at. What I say, I say with all seriousness. We do not bother about other things. We are concerned with the security of the lives and properties of our own people. The Govt., if it realises the meaning of the situation, should refrain from such anti-tribal action. As the tribals are indigenous people, as they are the sons of the soil and prescriptive citizens of the country, certain forest areas may be spared for them. Of course, it does not mean that we are encouraging further encroachment on the forest land. Government approach

to this sensitive issue should be realistic. We opposed to the eviction of landless tribal encroachers, irrespective of the length of their occupation. It is a matter which involves the question of security of life and property of our people. On this issue, we cannot compromise with anybody. If necessary, we will fight to the last, we will give a call to our people to defend themselves. If the Govt. is adament, a tlare-up many be anticipated. Let there be a battle—a battle of Waterloo. Thank you Sir.

মাননীয় অধ্যক্ষ—এতিয়া ৰাজহ মন্ত্ৰীয়ে কব।

শ্ৰীথানেশ্বৰ বড়ো (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, বিষয়টোৰ ফৰেষ্ট ডিপাৰ্টমেণ্টৰ লগত সম্পৰ্ক আছিল, তথাপিতো মই কব খুজিছো........

মাননীয় অধ্যক্ষ—তেতিয়াহলে মুখ্যমন্ত্ৰীয়ে কব।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত (মুখ্যমন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিষয়টোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে। ফৰেষ্টৰ যিবিলাক 'এনক্ৰোচমেণ্ট' হৈছে ইত্যাদি কথা বিলাক তন্ন তন্নকৈ চাবলৈ আমাৰ বিলিফ-ৰিহেবিলিটেশ্যন তথা ৰাজহ বিভাগৰ মন্ত্ৰী আৰু বন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এই বিধান সভাৰ অধিবেশন শেষ হোৱাৰ পাচতেই যুটীয়াভাবে তেখেত সকলে সেই ঠাই 'ভিজিট' কৰিব আৰু তাৰ ওপৰত এটা সিদ্ধান্ত লব।

Shri B. K. Basumatari—Does it mean that till the visit is made, eviction operation will continue ?

Shri Charan Narzari—Here is a leaflet of All Assam Tribal Students' Union against evictions of the tribals. All the tribal organisations will unitedly oppose the eviction policy of the Govt. and fight to the last. So. this is a matter—a serious matter—to be taken for review.

Shri B. K. Basumatary—Can the Chief Minister give a clarification ?

মাননীয় অধ্যক্ষ—বন মন্ত্ৰীয়ে কব।

শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যেই কৈ গৈছে আৰু তেখেতে কোৱা মতেই বিহিত ব্যৱস্থা লোৱা হব।

Shri B. K. Basumatary—Till the visit is made, will the operation continue ?

শ্ৰীহেমেন দাস—মই এটা কথা কব বিচাৰিছো যে বেদখল ট্ৰাইবেলে কৰিছে সেইটো নহয়। অন্যান্য লোকো আছে আজি ট্ৰাইবেল অনা ট্ৰাইবেল যিয়েই নহওক যিবিলাকে বেদখল কৰি আছে তৎক্ষণাত উচ্ছেদ কৰিবলৈ যোৱাটো সমীচিন নহব। এই কামটোৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ যাব লাগিব। কোনো চৰকাৰে এই কামটো কৰিব নোৱাৰিলে দৈয়াং, মেৰাপানী আদিৰ পৰা উচ্ছেদ কৰা কাৰ সাধ্য আছে। গতিকে এই চৰকাৰে সেই কামটো কৰিবলৈ গৈ দেশত অশান্তি সৃষ্টি কৰাটো নিবিচাৰে। অৱশ্যে মাটি থকা মানুহক উলিয়াই আনিব লাগিব।

Shri Ardhendu Kumar Dey—When it is burning problem let the Chief Minister come forward and say that it will be stayed.

শ্ৰীজয়নাথ শৰ্মা—এই বেদখলকাৰীৰ সমস্যাটো ভৱিষ্যতে অসমৰ কাৰণে এটা ভয়াবহ সমস্যা। যি সকল বেদখলকাৰী সঁচাকৈ ভূমিহীন আৰু খিলঞ্জীয়া ভাৰতীয় সেই সকলক উচ্ছেদ কৰি বিকল্প ব্যৱস্থা কৰক। কিন্তু অধিকাংশ চৰকাৰী বনাঞ্চল আৰু ভি, জি, আৰ, পিজি, আৰ, আদিত ভাৰতীয় আছে বুলি দৃঢ়তাৰে কব নোৱাৰো। (গণ্ডগোল) খিলঞ্জীয়া ভাৰতীয় বুলি কওঁতে ট্ৰাইবেল সকল বাদ পৰা নাই। যিসকল ভূমিহীন হয় নিম্নতম প্ৰয়োজনীয় আঁচনি বা অন্যান্য সুবিধাৰ জৰিয়তে উচ্ছেদ কৰাৰ পাচত ভাৰতীয় নাগৰিক হিচাবে বিকল্প ব্যৱস্থাত মাটি পোৱাৰ যোগা হওক।

Shri Hemen Das—We challenge........

Shri Binai Khungur Basumatari—Do they consider the Tribals not Indians?

Shri Charan Narzary—No non-Indians should be allowed to stay in the State no matter where it is reserve forests, Tribal Belts or Blocks or any other place. That is why we supported the resolution brought by hon'ble member Shri Kalita yesterday, for amending the Illegal Migrants (Determination by Tribunal) Act.

অধ্যক্ষ—মাননীয় সদস্য সকলে উত্থাপন কৰা গুৰুত্বপূৰ্ণ বিষয়টোৰ কথাখিনিৰ ওপৰত ভিত্তি ৰাখি চৰকাৰে বিবৃতি দিব।

Now another important matter will be raised by Shri Deba Kumar Bora.

শ্ৰীদেব কুমাৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, আজিৰ সদনত আলোচনাৰ বাবে মই এটা বিষয় উত্থাপন কৰিব বিচাৰিছো যিটো বিষয়ৰ ওপৰত আমাৰ সাংস্কৃতিক আৰু অৰ্থনৈতিক কথা জৰিত হৈ আছে। বিষয়টো উত্থাপন কৰাৰ

আগতে এই সম্পৰ্কত কাৰ্য্যালয় স্থানান্তৰ কৰাৰ বিৰুদ্ধে দৈনিক জনমভূমি বাতৰি কাকতত এটা বাতৰি প্ৰকাশিত হৈছে বাতৰিটো হ'ল—তিতাবৰ আঞ্চলিক ছাত্ৰসন্থাৰ মুখ্য কাৰ্য্যালয়ৰ পৰা এক বিবৃতি যোগে জনাইছে যে উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ আঞ্চলিক ৰেচম গৱেষণা কেন্দ্ৰৰ প্ৰশাসনীয় কাৰ্য্যালয়টো কেন্দ্ৰীয় চৰকাৰে চক্ৰান্তমূলক ভাবে তিতাবৰৰ পৰা তুলি অনাৰ প্ৰতিবাদত তিতাবৰ আঞ্চলিক ছাত্ৰসন্থাৰ আহ্বানত ৩১ অক্টোবৰ তাৰিখে দিনৰ ১১ বজাত উক্ত কেন্দ্ৰৰ সন্মুখত এক বিৰাট গণ সমাবেশ অনুষ্ঠিত হৈ যায়। গণ সমাবেশত উপস্থিত থকা ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে উক্ত কাৰ্য্যৰ গৰিহনা দিয়ে আৰু কাৰ্য্যালয়টো পুনৰ আগৰ স্থানলৈ স্থানান্তৰ কৰা বাবে দাবী জনায়। সেই গণ-সমাবেশত এখন ৬ দফীয়া দাবী চনদ প্ৰস্তুত কৰা হয়। আৰু বিভাগীয় কৰ্ত্তৃপক্ষ সমূহলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লোৱা হয়। অহা ১০ নবেম্বৰৰ ভিতৰত কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ নকৰিলে গণতান্ত্ৰিক পদ্ধতিৰে আঞ্চলিক ছাত্ৰ সন্থাই আন্দোলনৰ কাৰ্য্যসূচী লবলৈ বাধ্য হব বুলি এটা প্ৰস্তাৱত লোৱা হয়।

এই বিষয়টো দৃষ্টি আকৰ্ষণ কৰি ৰেচম মন্ত্ৰী শ্ৰীনগেন শৰ্মা দেৱক উপযুক্ত সময়ত কাৰ্যকৰী ব্যৱস্থা লবৰ কাৰণে এখন চিঠি প্ৰেৰণ কৰিছো। আকৌ চিঠিখনৰ বিষয় বস্তুটোৰ জ্ঞাতাৰ্থে জনাব খুজিছো যে—Public resentment on shifting of Administrative office of the Central Silk and Muga centre Titabar to Jorhat town........it is for your information that due to sudden shifting of office of the Central Muga Research Centre of Titabar to Jorhat, without knowledge of public and local authority has seriously resented by the public of Titabar circle. I have received complaints and memorandum in this regard to stop such activities on your part from the local public including Titabar AASU unit. As such to give proper respect to the public resentment, I request your kind attention to the problem created in the locality should be normalised by using requisite order to stop such office shifting activities. What is more surprising and seriously noted by the public that the office shifting activities was exercised by your some officials through village roads secretly to Jorhat. So there is sufficient doubts on the activities where some interest may be identified how it has happened.

Please intimate your action in this regard immediately as there is authenic report from the local authority that the public agitation has been organised against your

irregular move.

Thinking you.

মাননীয় অধ্যক্ষ মহোদয়, ৰেচম বিষয়টো অসমৰ এটা গুৰুত্বপূৰ্ণ বিষয়। পৃথিৱী বিখ্যাত মুগা অসমত আছে আৰু অসমৰ ভিতৰতেই সীমাবদ্ধ হৈ আছে। এই বিষয়টো অসম চৰকাৰে ৰেচম বিভাগৰ দ্বাৰা কিমান দূৰ গুৰুত্বসহকাৰে চোৱা-চিতা কৰি আহিছে সেই বিষয়টোত কব লাগিব। ১৯১৯ চনত ভাৰত চৰকাৰ যেতিয়া বৃটিচৰ অধীনত তেতিয়া ফ্ৰান্সৰ এজন বিশেষজ্ঞই মুগা বিচাৰ ষ্টেচনটো এনে এটুকুৰা ঠাইত পাতিবলৈ পৰামৰ্শ দিছিল য'ত সৰহ সংখ্যক লোক এই বিষয়টোত জৰিত আছে। তাত ১০ হাজাৰতকৈ অধিক লোকে মুগা বিষয়টো পালন কৰি আহিছে। ঠিক তেনেকৈ এৰি আৰু পাত শিল্পৰ লগত জৰিত আছিল। এই চেণ্ট্ৰেল চিল্ক বোৰ্ডৰ কেইবোৰ বিশেষজ্ঞই বিপৰীত ৰিপোৰ্ট উলিয়াই বিভ্ৰান্তমূলক ভাবে এইটোলৈ যোৱা দেখা পোৱা গৈছে। সেই ক্ষেত্ৰত এজন সচেতন নাগৰিক হিচাবে মাত মতাৰ দায়িত্ব আছে। বৃটিচ শাসনৰ কালত শ্বিলঙত ৰাজধানী থাকোতে লেফ্ৰয় চাহাব আৰু বসু ডাঙৰীয়াই তেওঁলোকৰ ৰিপোৰ্টত শিৱসাগৰ জিলাৰ এডোখৰ উপযুক্ত ঠাইত মুগা, এৰি আৰু পাট পলুৰ কাৰণে এখন চৰকাৰী ফাৰ্ম খুলি অনুবিক্ষণ যন্ত্ৰৰ সহায়েৰে নিৰোগী পলুৰ সচ উৎপন্ন কৰি ৰাইজক যোগাৰ আৰু উন্নত জাতৰ পলুৰ সচ জাপান, ফ্ৰান্স, ইটালি আদি দেশৰ পৰা আনি এডোখৰ স্বাস্থ্যকৰ পাহাৰী ঠাইতো এখন ফাৰ্ম পা'ত তাত সচ উৎপন্ন কৰি ৰাইজৰ মাজত বিতৰণ কৰিবলৈ পৰামৰ্শ দিছিল। চৰকাৰে প্ৰথম অৱস্থাত শিৱসাগৰ জিলাৰ ফাৰ্ম খনকে খুলিবলৈ মনস্থ কৰে। ৰায় বাহাদুৰ বৰুৱা ডাঙৰীয়াই কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই শিল্পোন্নতিৰ কাৰণে যোৰহাটত এখন কাৰিকৰী বিদ্যালয়, গুৱাহাটীত এখন বয়ন বিদ্যালয় আৰু তিতাবৰত এখন ৰেচম ফাৰ্ম আৰম্ভ কৰে। তেখেতে তিতাবৰকে ৰেচম ফাৰ্ম পাতিবৰ কাৰণে উপযুক্ত স্থান বুলি নিৰ্বাচিত কৰে। যিহেতু তিতাবৰৰ আশে পাশে সেই সময়ত মুগা খেতিৰ বহুল প্ৰচলন আছিল আৰু য'তে ত'তে চোম গছবোৰ গজি চোমনিবোৰ হৈছিল। তিতাবৰৰ পৰা ৭/৮ মাইলমান দূৰত কাৰ্শলি নামৰ ঠাইত মেজাঙ্কৰী সূতা উৎপন্ন কৰিছিল। ৪/৫ মাইলমান দূৰত জালুকনিত পান চপা গছত মুগা পুহি মূল্যবান চপাপতীয়া সূতা উৎপন্ন কৰিছিল। এই সম্পদটো অসমৰ এটা চহকী সম্পদ। কিন্তু আমাৰ অসমৰ ভিতৰতেই এই সম্পদৰ জৰিয়তে উন্নতিকৰণ নকৰি এই বিষয়ৰ বিশেষজ্ঞ সকলে আওপাকে যোৱাৰ ব্যৱস্থা কৰিছে। আজি পাট/মূগাৰ ট্ৰেনিং লবলৈ হলে অসমত নহয় বাঙ্গালোৰলৈ যাব লাগে। আমাৰ বিশেষজ্ঞ সকলে এনেকুৱা এটা পৰিবেশৰ সৃষ্টি কৰিছে যে বাঙ্গালোৰলৈ শিক্ষা আহৰণ কৰিব নগ'লে নহয়। অধ্যক্ষ মহোদয়, আপোনাৰ জ্ঞাতাৰ্থে কব খুজিছো যে—

"I being a conscious citizen of Assam would feel to

draw your kind attention to the impact of Central Silk Board of Govt. of India towards development of Sericulture Industry in Assam. Taking into consideration the recent activities particularly during 1985 and 1986, I shudder to think about the future of the Industry. The industry has already suffered a setback for Research support which is supposed to provide by the above Department. But in turn the acts are nothing but exploitation and misspent of public money .... .... .... The ONGC is there at Sibsagar and Nazira because there is a oil field .... .... Rubber Plantation .... .... .... Central silk Board........ অলপ দিন আগতে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল চেন্ট্ৰেল চিল্ক বোৰ্ডে পূৰ্বাঞ্চলৰ কাৰণে ১২০ কোটি টকাৰ এটা অনুদান আগবঢ়াইছে কিন্তু কথা হ'ল অনুদান আগবঢ়ালেই নহয়। তাৰ ওপৰত আমি অফিচ ক'ত হব, কোন জন মানুহ ক'ত লব, কিমান কৰ্মচাৰী নিয়োগ কৰা হব এই সকলোতে মাত-মাতিব পাৰিব লাগিব। যদি এই সকলোবোৰতেই আমি মাত-মাতিব নোৱাৰো সেই অনুদানৰ কোনো অৰ্থ নাই। তেনেকুৱা অনুদান আমি লব নালাগে। কেৱল বিবৃতি দিবলৈ আমাক টকাৰ আৱশ্যক নাই, কাম হব লাগিব।

আমি চাব লাগিব আমাৰ মাত মতাৰ অধিকাৰ আছে নে নাই? এতিয়া ১২০ কোটি টকা গোটেই পূৰ্বাঞ্চলৰ বাবে দিয়া হৈছে। আমাৰ যদি তাত মাত মতাৰ অধিকাৰেই নাই তেনেহলে সেই অনুদান কেন্দ্ৰীয় চৰকাৰক ঘূৰাই দিব লাগে। ডুলিয়াজানত অইল ইণ্ডিয়াৰ হেডকোৱাৰ্টাৰ আছে কাৰণ তাত অইল ফিল্ড আছে। ঠিক সেই ধৰণে অইল ফিল্ড থকাৰ কাৰণে নাজিৰাত অ, এন, জি, চিৰ হেডকোৱাৰ্টাৰ আছে। অৰুণাচলৰ চাপ্লাই অফিচ যোৰহাটত আছে কাৰণ যোগান সামগ্ৰী ভৈয়ামৰ পৰা আনিব লাগে। কিন্তু ৪৮ হাজাৰ টকাৰ ঘৰ ভাৰাভৰি, জীপ গাড়ীত অহা যোৱা কৰি ২ লাখ টকা খৰছ কৰি ফাৰ্মৰ বিচাৰ্চ কৰিম বুলি ভাবে, তেনেকুৱা ৰিচাৰ্চৰ প্ৰয়োজন নাই। সেই ক্ষেত্ৰত কোনো চিল্ক বোৰ্ডক মাটি প্ৰদান কৰা ক্ষেত্ৰত বাধা আৰোপ কৰিব লাগে। চীন, জাপান দেশত চাহবাগিছাৰ লগত ৰাবাৰ প্লেণ্টেচন কৰিছে। ঠিক তেনেধৰণে মূগী, এৰি আদি খেতি কৰাৰ কাৰণে ষ্টেট্ ঘোষণা কৰক। আৰু ক'ৰপোৰেছন কৰি কাম আৰম্ভ কৰক। চেন্ট্ৰেল গৱৰ্মেণ্টৰ অতপালি সহ্য নকৰো। ১৯১৯ চনত প্ৰতিষ্ঠা কৰা ফাৰ্ম খনত চুণতেল দিবলৈ অনুদান নিদিয়ে। সেই বিলডিং অসম চৰকাৰে কেন্দ্ৰীয় চিল্ক বোৰ্ডক চমজাই দিছিল কাম নকৰিলে। এতিয়া এ. জি, পি চৰকাৰৰ দিনত ১২০ কোটি টকা অনুদান দিয়াৰ পাচত তাত যদি একো মাত মাতিব নোৱাৰে অনুদান নোলোৱাই ভাল।

The Sericulture Research Station, Titabar, which was under the Govt. of Assam the only Sericulture Research Station in North East was handed over to the Central Silk Board during the year 1982 with its all buildings, lands and laboratory with all equipments at free of cost, experting better research support to sericulture of Assam and North East 14 years have already been elapsed but in the name of development of the Station or the Sericulture Industry what has been achieved, nothing but a big zero. Even the buildings constructed by the Assam Govt. were not maintained and now are in dilapidated condition. What had obstructed the Department to develop the Station and to conduct systematic Research ? During 1982 the Central Silk Board shifted the Muga Research Station from Titabar to Boko. The Govt. of Assam provided the Muga Seed Farm at Turukpara, Boko in Kamrup, that also free of cost. What has been done during last 4 years at Boko ?

Recently the office of the Regional sericultural Research station, Titabar, has been shifted to Jorhat to a rented building, as per Central Silk that has been done for administrative better facility.

এইটো চমজাই দিয়া ১৪ বছৰ পাৰ হৈ গ'ল।

Jorhat is a developed town and Titabar is a Semi-urban and developing town. Sericulture is an industry of the rural areas, and hence it is a rural subject. How an office is allowed to work in an urban area ? To enjoy Cinema by their families and educate their children in English medium:

অধ্যক্ষ মহোদয়, এইবিলাক ডাঙৰ ডাঙৰ অফিচাৰ কিছুমানে অফিচৰ ফাইলত কিছুমান ৰিৰ্পোট তৈয়াৰ কৰিছে। তেওঁলোকৰ এনজয়মেণ্টৰ কাৰণে আমি সেইবিলাকত পতিয়ন যামনে ? কোনোবাই নিজৰ এনজয়মেণ্টৰ বাবে

অফিচ, ফাৰ্ম আদি আৰবান এৰিয়ালৈ উঠাই লৈ অনাটো আমি সহ্য নকৰো।
কাৰ্য্যালয় উঠাই অনাৰ আগতেই অন্ততঃ দি, দিক জনাব লাগে। সন্ধিয়া
সময়ত অফিচ চিফটিং কৰিছে আৰু ধোদৰ আলিয়েদি নাহি সকলো সজুলি
আদি লৈ ট্ৰাকেৰে গাঁৱলীয়া ৰাষ্টাৰে পলাই আহিছে। আজি যোৰহাটৰ
ক্লাব ৰোডত মাহে ৪ হাজাৰ টকা ভাৰা দিয়া হৈছে আৰু বছেৰেকত ৪৮
হাজাৰ টকা দিয়া হব। আগতে এক টকাও কৰি ভাৰা দিয়া হৈছে আৰু
বছেৰেকত ৪৮ হাজাৰ টকা দিয়া হব। আগতে এক টকাও নাছিল আমাৰ
গণপৰিষদ চৰকাৰ অহাৰ পিচত চি, এচ, বিয়ে ১২০ কোটি টকা দিছে।
গতিকে ৪ হাজাৰ টকাত ঘৰ ভাৰা কৰিছে। আমি এইটোত সমৰ্থন দিব
নোৱাৰো। ৰেচম বিষয়টোত গুৰুত্ব দিব লাগে। কাৰণ ই অৰ্থনৈতিক
ভাবে আৰু সকলো প্ৰকাৰে দুবেলা দুমুঠি দুখীয়া মানুহক খোৱাত সহায়
কৰিব। এইটো আমি কব নোৱাৰাকৈ মেঘালয়লৈ গুচি গ'ল। এইখন
অসম সাহিত্য সভাৰ বুৰঞ্জী. অৱশ্যে এইখন পঢ়িব পৰা হলে ভাল
আছিল। এই বিষয়ত যি ধৰণে গুৰুত্ব আৰোপ কৰিব লাগিব সেই ধৰণে
কৰিব পৰা নাই। এই কথাটো মই নাজানো। ষ্টেট লিষ্টত আছে।

In 1986 it was decided to establish a separate resea-
rch station of Eri at Rani but the same was shifted to
Meghalaya, Mandipathar very recently. This was done
to please one of the political leaders of the area who is
now a State Minister in the Central Govt. One T. K.
Dewan of central Silk Board wanted to please him
with a view to get his extension in Assam. He was a
man of Andhra Pradesh cadre, who took part in the last
election at Andhra Pradesh. That officer knows, if the
office is shifted to a rented House nobody will bother.
In view of all these things, I beg to place the matter
for personal attention of the Minister. Sericulture and to
take proper actions specially on the following :

(1) The Director of Central Silk Board at Gauhati is feeding misguiding information to the Govt. and he is trying to please some political leader for his personal benefits.

(2) We cannot agree to the proposal to shift Titabar sta-

tion to Jorhat and compell them to shift back to Titabar from Jorhat.

(3) We cannot agree to the proposal to shift the station from Boko to Jorhat.

If they are not agreeing to the Govt. of Assam then let them get back all he farms handed over to the Central Silk Board and organise a Research Station for research support to the Sericulture Industry by the Govt. of Assam. Otherwise the Industry will be in zeopardy in our State. So I request the Govt. to take proper steps at proper time.

শ্ৰীনগেন শৰ্মা ( মন্ত্ৰী )—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই সোধা প্ৰশ্নৰ উত্তৰ সম্পৰ্কে এটা বিৱৰণ মই দিব বিচাৰিছো। ১৯৭২ চনতে অসম ৰেচম গৱেষণাগাৰটো চি, এচ, বিৰ হাতত অসমৰ ৰেচম শিল্পৰ উন্নতিৰ আৰু সম্প্ৰসাৰণৰ কথা চিন্তা কৰি অৰ্পণ কৰা হৈছিল। অসমৰ বিজ্ঞানী সকলক সুবিধা দিব লাগে বুলি অসম চৰকাৰে বাৰে বাৰে কেন্দ্ৰীয় চৰকাৰৰ চি, এচ, বিক অনুৰোধ জনাই আহিছে। এইটো অতি সুক্ষ্ম বিষয় গতিকে ইয়াক সহজে মূল্যায়ন কৰাতো সম্ভৱ নহয়। ইয়াত যথেষ্ট অসুবিধা আছে। গতিকে ইয়াক সহজে মূল্যাঙ্কণ কৰিবলৈ হলে সময়ৰ আৱশ্যক। এইটো সত্য যে, কেন্দ্ৰীয় ৰেচম বৰ্ডে মুগা গৱেষণা সংস্থানটো তিতাবৰৰ পৰা মিৰ্জা (বকোলৈ) স্থানান্তৰিত কৰিলে। তিতাবৰৰ আঞ্চলিক গৱেষণাগাৰৰ অফিচ যোৰহাটলৈ স্থানান্তৰ সন্দৰ্ভত ৰেচম বৰ্ডৰ পৰা ঠিৰাং কৰা হৈছে যে মাত্ৰ প্ৰশাসনীয় গোটটো কাৰ্য্যনিৰ্বাহৰ সুবিধাৰ অৰ্থে স্থানান্তৰ কৰা হৈছে।

অলপতে তিতাবৰৰ পৰা তেওঁলোকৰ যিটো প্ৰশাসনীয় কাৰ্য্যালয় সেইটো যোৰহাটলৈ স্থানান্তৰ কৰিছে। এই সম্পৰ্কত মাননীয় সদস্য গৰাকীয়ে যিটো কথা সদনত উত্থাপন কৰিছে সেই বিষয়ে আমি কেন্দ্ৰীয় চৰকাৰৰ ৰেছম বৰ্ডৰ লগত যোগাযোগ কৰি আছো। কিন্তু এই সম্পৰ্কে কোনো উত্তৰ এতিয়ালৈকে আমি পোৱা নাই। কেৱল তেওঁলোকৰ আঞ্চলিক গোটৰ যি গৰাকী সঞ্চালক আছে তেওঁৰ পৰা জানিব পৰা মতে তিতাবৰত যিটো প্ৰশাসনীক গোট আছে এইটো কেৱল অসমৰ কাৰণে আছিল। এতিয়া সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ প্ৰশাসনীয় গোটৰ অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁলোকে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ লগত যাতে যোগাযোগ কৰিব পাৰে তাৰ সুবিধাৰ কাৰণে এইটো তিতাবৰৰ পৰা যোৰহাটলৈ স্থানান্তৰ কৰা হৈছে বুলি আমাক জনাইছে।

ইয়াৰোপৰি তিতাবৰৰ পৰা যোৰহাটলৈ স্থানান্তৰ কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধাৰ যাতে সন্মুখীন নহয় সেই সম্পৰ্কে তেওঁলোকে জনোৱা মতে যি সকল কৰ্মচাৰী আছে তেওঁলোকক বানচ দিয়াৰ ব্যৱস্থা হৈছে আৰু তাৰ কাৰণে যাতায়াতৰ সুবিধাৰ কাৰণে বিভাগৰ তৰফৰ পৰা ব্যৱস্থা লৈছে বুলি আমাক জনাইছে। যি কি নহওক, এই বিষয়ত চৰকাৰে বিশেষ মনোযোগ দিছে। তথাপি যোৰহাটৰ আঞ্চলিক গৱেষণাৰ পৰা অতিৰিক্ত কাৰ্য্যালয় স্থানান্তৰ সম্পৰ্কে আমাৰ তৰফৰ পৰা বাধা দিয়া হৈছে। তিতাবৰত থকা গৱেষণাগাৰ আৰু স্থানান্তৰ নহয় বুলি আঞ্চলিক সঞ্চালকৰ পৰা আমি জানিব পাৰিছো। ইয়াৰোপৰি ৰেছম বৰ্ডৰ যিখিনি অতিৰিক্ত বাজেট সি অতি কম হোৱাৰ কাৰণে কেন্দ্ৰীয় চিল্ক বৰ্ডৰ লগত যোগাযোগ কৰা হৈছে। এই বৰ্ডে উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে ১২০ কোটি টকা দিয়াৰ কাৰণে সিদ্ধান্ত লৈছে, ইয়াৰ ৬০ ভাগ অসমৰ কাৰণে ব্যয় কৰা হব অৰ্থাৎ ৭২ কোটি টকা অসমে পাব আৰু এই টকাৰ কাৰণে যিটো প্ৰজেক্ট ৰিপৰ্ট সেইটো ইতিমধ্যে চি, এচ, বি আৰু এগ্ৰ ফিনানচিয়েল কৰপৰেশ্যনে তৈয়াৰ কৰি আছে। সেইটো এমাহৰ ভিতৰতে পাম বুলি আমি আশা কৰিছোঁ আৰু পালেই কাম আৰম্ভ হব।

মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে যে মুগা গৱেষণাৰ কাৰণে টেলিগ্ৰাম বা টেলেক্সৰ প্ৰয়োজন নাই। অৱশ্যে চি, এচ, বি অফিচ দূৰ হোৱাৰ কাৰণে বিশেষ কিছু সুবিধাৰ প্ৰয়োজন। তেওঁলোকে সময়ে সময়ে টকা পইচাৰ লেন-দেন আৰু প্ৰশাসনিক ব্যৱস্থাৰ কাৰণে টেলেক্স বা টেলিফোনৰ প্ৰয়োজন হয়। সেই কাৰণে আমি কৈছো যে প্ৰয়োজন আছে আৰু ইয়াক আধুনিকীকৰণ কৰাৰ কাৰণে তেওঁলোকে সম্পূৰ্ণ ব্যৱস্থা লব লাগে বুলি আমি জনাইছো। গৱেষণাৰ ক্ষেত্ৰত আমাৰ তৰফৰ পৰা শেহতীয়া ভাৱে অলপতে কেন্দ্ৰীয় চিল্ক বৰ্ডৰ চেক্ৰেটাৰী আহিছিল আৰু আমি আলোচনা কৰিছো। মুগা পোহা ব্যৱসায়টো পৃথিবীৰ আন কোনো অঞ্চলতে নাই। এই গৱেষণাৰ কাৰণে অসমৰ মানুহক সুযোগ সুবিধা দিবলৈ আৰু বিশেষ অনুদান আগবঢ়াবলৈ তেখেতে বিশেষ ব্যৱস্থা লম বুলি আমাক জনাইছে।

মাননীয় সদস্য গৰাকীৰ প্ৰশ্ন উত্তৰত মই জনাইছো যে যিহেতু চি, এচ, বি কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ সংস্থা, পোনপতীয়া হস্তক্ষেপ আমি কৰিব নোৱাৰো, আমি লিখা পঢ়াহে কৰিব পাৰো।

শ্ৰীদেৱকুমাৰ বৰা—অধ্যক্ষ মহোদয়, যিখিনি উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ে দিছে সেইখিনি খৱৰ আমাৰ যথেষ্ট আছে। কিন্তু কথা হ'ল যে আমাৰ দেশত বৃটিছে যেতিয়া চাহ বাগিছা পাতিছিল তেতিয়া সেইবোৰ জংঘল আছিল,

সেই সময়ত তেতিয়া কোনো টেলেক্স বা টেলিফোন নাছিল কিন্তু পৃথিবীৰ ভিতৰত information আৰু তেওঁলোকক ফৰ্চ কৰিছিল অফিচৰ্চ' চুদ forced to go to the interior places and not to urban areas আজি অসম চৰকাৰেও তেওঁলোকক জোৰ কৰিব নোৱাৰেনে? আমাৰ কথা হ'ল যে উন্নয়ন যদি কৰিবলৈ বিচাৰিছে তেতিয়া হলে অফিচাৰ সকলৰ—officers must go to the interior places। তাকে যদি নহয় অসম চৰকাৰে জনাই দিব লাগে। টেলিফোন নোহোৱাৰ কাৰণে যোৰহাট গুৱাহাটীৰ লগত তেওঁলোকে যোগাযোগ কৰিব নোৱাৰে। কিন্তু তুলীয়াজানৰ হেডকোৱাৰ্টাৰ গুৱাহাটীত পাতিব লাগিছিল নেপাতিলে কিয়? সেই কাৰণে আমি এটা কথা জানিব বিচাৰিছো যে ভিতৰুৱা অঞ্চললৈ এই বিলাক যোৱাৰ ক্ষেত্ৰত কিবা বাধা আছে নেকি? এনেধৰণৰ কথাত যি সকলে ক্ষমতা দিয়ে আমি সেই কথাত সম্মতি দিব নোৱাৰো।

অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এইটোৰ ওপৰত এটা কটকটীয়া সিদ্ধান্ত হওক। উজনি অসমৰ যিজন কমিশ্যনাৰ আছে তেখেতৰ দায়িত্বত ইয়াৰ এটা অনুসন্ধান কৰিব নে কি? মোৰ দ্বিতীয় কথা হৈছে তিতাবৰলৈ পুনৰ এই অনুষ্ঠানটো ঘূৰাই অনাৰ প্ৰতিশ্ৰুতি দিব নেকি? I am going to file this in the High Court and Supreme Court.

শ্ৰীনগেন শৰ্মা (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক মই জনাওঁ যে অসম চৰকাৰৰ অধীনৰ যি সকল বিষয়া তেওঁলোকক আমি ভিতৰুৱা অঞ্চললৈ যোৱাৰ নিৰ্দেশ দিব পাৰো কিন্তু কেন্দ্ৰীয় চৰকাৰৰ বিষয়াসকলক আমি পোনপতীয়া নিৰ্দেশ দিয়াৰ হাত আমাৰ নাই, কেন্দ্ৰীয় চৰকাৰৰ বিষয়াসকলক আমি অনুৰোধ হে কৰিব পাৰো যাতে তেওঁলোকে ভিতৰুৱা অঞ্চললৈ গৈ কাম কৰক। আমাৰ ৰেশম বিভাগৰ যিখন বছেৰেকীয়া বাজেট প্ৰকল্প আছে এইটো শক্তিশালী কৰিলে যথেষ্ট উন্নয়ন কৰাৰ ব্যৱস্থা আছে। আমাৰ যিহেতু আৰ্থিক অৱস্থা নাই সেই হেতুকে তাত কাম কৰাৰ অসুবিধা আছে আৰু উজনি অসমৰ আয়ুক্তৰ জৰিয়তে তেখেতে দিয়া পৰামৰ্শত কাম কৰিব পাৰিনে এই বিষয়ে মই মুখ্যমন্ত্ৰীক জনাম।

শ্ৰীজয়নাথ শৰ্মা—অধ্যক্ষ মহোদয়, সদনৰ পৰম্পৰাগত নীতি হিচাবে মই কেইটামান কথা আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছোঁ।

অধ্যক্ষ মহোদয়, এই সদনলৈ আমি ৰাইজৰ আশীৰ্বাদ লৈ আহিছোঁ, সেইবুলি ৰাইজে আমাক ইয়াত ল'ৰা-ধেমালি কৰিবলৈ পঠোৱা নাই, আৰু পঠোৱা নাই সদনৰ পৱিত্ৰতা ধ্বংস কৰিবলৈ। আমি দেখা পাইছোঁ বিৰোধী

দলৰ দলপতিয়ে সদনত টোপনিয়াই আছে।

Shri Golok Rajbongshi—It is not a matter of public importance. This is not the way to put it. I am not sleeping.

Shri Altaf Hussain Mazumdar—On point of order, Sir. There is dignity of the House. He was not sleeping. He has made an allegation. He must withdraw first.

সদনত পক্ষ বিপক্ষ উভয় দলৰ নানান হাহাঁকাৰ সৃষ্টি হয়....।

("বহ কুকুৰ"—বুলি এটা ধ্বনি শুনিবলৈও পোৱা যায়)।

Shri Golok Rajbongshi—Sir, I have raised a point of order. You must give hearing. Point of order will get priority.

Shri Altaf Hussain Mazumdar—Point of order gets the priority. That is the Rule, Sir.

(noise)

Shri Charan Narzary—This is not only unparliamentary, it is shameful also.

(সদনত হুলস্থূল, একো শুনা নাযায়)

মাননীয় অধ্যক্ষ—অৰ্ডাৰ, অৰ্ডাৰ, আপোনালোক আটায়ে বহক। মই এই পবিত্ৰ সদনত মাননীয় সদস্য সকলক এটা কথা কব বিচাৰিছো, প্ৰত্যেকজন সদস্য চৰকাৰী পক্ষই হওঁক বা বিৰোধী পক্ষই হওঁক প্ৰত্যেকৰে এটা নিজস্ব দায়িত্ব আৰু কৰ্ত্তব্য আছে। চৰকাৰী পক্ষই শাসনৰ গাদীত থাকি জনসাধাৰণক প্ৰতিনিধিত্ব কৰে আৰু বিৰোধী পক্ষইও চৰকাৰে কৰা দোষ আঙুলিয়াই দি জনসাধাৰণক প্ৰতিনিধিত্ব কৰে। গতিকে দুয়োপক্ষৰে সমান দায়িত্ব। আজি কিছু সময় আগতে এই পবিত্ৰ সদনত এটা ঘটনা ঘটিছে তাৰ কাৰণে মই দুখ পাইছো। আজি প্ৰশ্নোত্তৰ কালত এটা ঘটনা ঘটিছে—ঘটনাটো ঘটিছিল এটা পৰিপূৰক প্ৰশ্নৰ সন্দৰ্ভত—মন্ত্ৰী সকলৰ লগত তেওঁলোকৰ সহধৰ্মিনী সকল ভ্ৰমনত যাব পাৰে নে নাই? প্ৰশ্নটো কৰিছিল মাননীয় সদস্য শ্ৰীস্বৰূপ উপাধ্যায় ডাঙৰীয়াই। আমি যিখন সমাজত বাস কৰো সেই সমাজখনৰ কিছুমান শালিনতাৰ কথা আছে। সেই শালিনতাখিনি ৰক্ষা কৰিবৰ কাৰণে সকলো মাননীয় সদস্যই চেষ্টা কৰিব লাগে। প্ৰশ্নটো কৰোতে মাননীয় সদস্যগৰাকী

শালিনতাৰ কিছু বাহিৰলৈ গৈছিল। সকলো প্ৰশ্নৰে পৰিপূৰক প্ৰশ্নৰ দৰ্কাৰ অদৰ্কাৰ অধ্যক্ষই বিবেচনা কৰিব পাৰে। সেয়ে মই মাননীয় সদস্য শ্ৰীউপাধ্যায় ডাঙৰীয়াক প্ৰশ্নটো উত্থাপন কৰিব দিয়া নাছিলো। সেইটোৰ ওপৰতে ক্ষোভ প্ৰকাশ কৰি বিৰোধীপক্ষৰ দায়িত্বশীল সদস্য সকলে সদনৰ বাহিৰলৈ গৈছিল মই তাৰ কাৰণে দুখ পাইছো। আমাৰ বিৰোধীপক্ষৰ মাননীয় সদস্য সকলেও জনসাধাৰণক প্ৰতিনিধিত্ব কৰে। অসমৰ যিখন থলুৱা সমাজ সেই সমাজখনৰ শালিনতা বা পৰম্পৰা ৰক্ষা কৰা চৰকাৰীপক্ষ বা বিৰোধীপক্ষৰ সকলো মাননীয় সদস্যই চেষ্টা কৰিব লাগে আৰু সেইমতে কাম কৰিব লাগে। আমি সকলোৱে অসমৰ ৰাইজৰ দায়িত্ব বহন কৰিবলৈহে ইয়ালৈ নিৰ্বাচিত হৈ আহিছো। এই সদনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাত অধ্যক্ষই অকলে একো কৰিব নোৱাৰে ইয়াত সকলো সদস্যৰে সহায় সহযোগ লাগিব। মই যিমানদূৰ পাৰো সাধ্যানুযায়ী বিৰোধী পক্ষক পৰিপূৰক প্ৰশ্নৰ ক্ষেত্ৰত বেছি সুবিধা দিওঁ। সেই কাৰণে শাসক দলৰ মাননীয় সদস্য সকলে মোক কয় যে মই তেনো বিৰোধী পক্ষক বেছি সুবিধা দিওঁ। পৰিপূৰক প্ৰশ্ন আদিৰ ক্ষেত্ৰত সাধাৰণতে বিৰোধীপক্ষৰ বেছি দায়িত্ব থাকে, সেই কাৰণেই তেওঁলোকক সুবিধা দিওঁ আৰু তাত শাসকদলৰ সদস্য সকলে সন্তুষ্টি প্ৰকাশ কৰিছে। মই নিবেদন জনাইছো যাতে সদনৰ কাম-কাজ চলাওঁতে দুয়োপক্ষৰ মাননীয় সদস্য সকলে মোক সকলো প্ৰকাৰৰ সহযোগ আগবঢ়ায়।

Shri A. F. Golam Osmani—Sir, whether the Hon'ble Member, who used the most objectionable and unparliamentary word, will be withdrawn ? He must withdraw it ?

( Voices....he must withdraw it.... )

মাননীয় অধ্যক্ষ—এই শব্দটো সদনৰ কাৰ্যবিবৰণীৰ পৰা উঠাই লোৱা হব। এতিয়া মাননীয় সদস্য শ্ৰীমুক্তাৰ হুচেইনে এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব।

শ্ৰীমুক্তাৰ হুচেইন—মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই সদনত মই এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো। বিষয়টো হৈছে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তি দিয়া সম্পৰ্কে। অধ্যক্ষ মহোদয়, ইয়াৰ আগতে শিক্ষা মন্ত্ৰী মহোদয়ে অসমত প্ৰাথমিক বিদ্যালয়ৰ কাৰণে উপদেষ্টা সমিতি বিলাক গঠন কৰি দিছে। দক্ষিণ শালমাৰা ( মানকাছাৰৰ ) কাৰণেও তেনে এখন উপদেষ্টা সমিতি বিলাক গঠন কৰি দিয়া হৈছে। এই সমিতিয়ে কি ধৰণৰ বা কি নীতি নিয়মেৰে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তি কৰিব এই সন্দৰ্ভত

মই যোৱা আগষ্ট মাহৰ অধিবেশনতো আৰু এই অধিবেশনতো প্ৰশ্ন উত্থাপন কৰিছিলো কিন্তু নাজানো আজি পৰ্য্যন্ত এই প্ৰশ্নবিলাক সদনৰ মজিয়ালৈ অহা নাই। দক্ষিণ শালমাৰাৰ কাৰণেও সমিতি গঠন কৰি দিয়া হৈছে। তাৰ সভাপতি হৈছে গোৱালপাৰা পশ্চিম সমষ্টিৰ পৰা এজিপিৰ প্ৰাৰ্থী হিচাবে প্ৰতিদন্দিতা কৰি পৰাজয় বৰণ কৰা শ্ৰীপ্ৰভাত চন্দ্ৰ ৰাভা। তেখেতক এই মহকুমাৰ সভাপতি কিয় কৰিলে নাজানো কাৰণ তেখেত এই মহকুমাৰ স্থায়ী বাসিন্দা নহয়। তথাপিও কিবা উপযুক্ততাৰ কাৰণে সভাপতি পতা বুলি বিশ্বাস কৰিছো। তথাপিও যাৰ দক্ষিণ শালমাৰাৰ বিষয়ে একো ভৌগলিক জ্ঞান নাই তেওঁকে সভাপতি কৰা হৈছে। যি নহওঁক যোৱা অক্টোবৰ মাহত এই সমিতিৰ এখন বৈঠক বহিল তাত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তি সম্পৰ্কে আলোচনা কৰি দৰ্খাষ্ট আহ্বান কৰি বাছনি পৰীক্ষা পতাৰ কথা আলোচনা হৈছিল। তাৰ পিছত নবেম্বৰ মাহৰ ১০ তাৰিখে আকৌ এখন বৈঠক পাতি ঠিক কৰিলে যে বাছনি পতাৰ দৰ্কাৰ নাই যোগ্যতাৰ ভিত্তিত লিষ্ট তৈয়াৰ কৰা হব কিন্তু তাৰে দুদিন পাছতে ১৩ তাৰিখে আৰু বহি ১৪ তাৰিখৰ ভিতৰত লিষ্টৰ চূড়ান্ত তালিকা যুগুত কৰিলে। এই চূড়ান্ত তালিকাত ১৮ জন স্থায়ী শিক্ষক, ৪৮ জন অস্থায়ী শিক্ষক আৰু মজলীয়া স্কুলত ২ জন স্থায়ী আৰু ১৬ জন অস্থায়ী পদত নিযুক্তি দিয়া হয়।

উপাধ্যক্ষ মহোদয়, মই জনাত অসমত কেইবা হাজাৰো প্ৰাথমিক শিক্ষকৰ পদ খালী আছে। ইয়াৰ কাৰণে হাজাৰ হাজাৰ প্ৰাৰ্থীয়ে এই শিক্ষকৰ পদৰ কাৰণে আবেদন জনাইছে। শিক্ষাধিকৰ্ত্তাই যি নীতি নিয়ম বান্ধি দিছে যে শতকৰা ৪০ ভাগ নম্বৰ পোৱা যি কোনো প্ৰাৰ্থীয়ে এই পদৰ বাবে আবেদন কৰিব পাৰিব। উপাধ্যক্ষ মহোদয়, মোৰ হাতত এনে কিছুমান তথ্য আছে য'ত শতকৰা ৩৫ ভাগ হাইস্কুল শিক্ষান্ত পৰীক্ষাত নম্বৰ পোৱা প্ৰাৰ্থীকো বাছনি কৰা হৈছে। তাৰোপৰি এনেও হৈছে যে প্ৰথম বিভাগত পাছ কৰা প্ৰাৰ্থীৰ দৰ্খাস্তও নামঞ্জুৰ হৈছে। এই ক্ষেত্ৰত আব্দুল আজিম খান নামৰ এজনে আবেদন কৰিছিল তেওঁ হাইস্কুল শেষান্ত পৰীক্ষাত ৭২% নম্বৰ পাইছে। তেওঁক বাছনি কৰা নাই কিন্তু নিয়তি মহন্ত বুলি এগৰাকীক শতকৰা ৩৫ ভাগ নম্বৰ পোৱা এই ক্ষেত্ৰত নিযুক্তি দিয়া দেখা গৈছে। এইটো বৰ গুৰুত্বপূৰ্ণ কথা। সমগ্ৰ অসমতে প্ৰাথমিক শিক্ষকৰ নিয়োগৰ কাম আৰম্ভ হৈছে। আমাৰ বৰপেটা জিলাত ২০০ জন যুৱকক চাকৰি দিব পাৰিব। কিন্তু এই ২০০ জনক দিওঁতে সকলো নিয়ম নীতি উলংঘা কৰিব বুলি সন্দেহ হৈছে। অসমত যি সকল ছাত্ৰই যোৱা ৬ বছৰ ধৰি আন্দোলন কৰিলে সেই সকলেও এটা চাকৰি পাম বুলি আশা কৰি আছে। ১৪ হাজাৰৰ ভিতৰত ৬ হাজাৰ

প্ৰাৰ্থীয়েই আন্দোলনত ক্ষতিগ্ৰস্ত বুলি ছাত্ৰসন্থাৰ পৰা চাৰ্টিফিকেট আনি আবেদন কৰিছে। চাকৰিৰ জাননী দিওঁতেই আন্দোলনত ক্ষতিগ্ৰস্ত হোৱা লোকক চাকৰিত অগ্ৰাধিকাৰ দিয়া হব বুলি কোৱা হৈছিল। সেয়ে মই ধৰি লৈছো যি সকলে আন্দোলনক সমৰ্থন কৰা নাই সেই সকলে চাকৰি নাপাব। গতিকে এনে এখন চাৰ্টিফিকেট দি চাকৰি দিয়াৰ ব্যৱস্থাটোৱে বেকাৰ সমস্যাত জৰ্জ্জৰিত দেশৰ কাৰণে ডাঙৰ কথা হব। তাৰোপৰি নিয়ম নীতি মানি নচলা-কৈ নিযুক্তি দিয়াৰ উদাহৰণটো আছেই। প্ৰথম বিভাগত পাছ কৰাই চাকৰি নাপায় কিন্তু তৃতীয় বিভাগত পাছ কৰিও চাকৰি পাইছে।

উপাধ্যক্ষ মহোদয়, অভিজ্ঞতা সম্পন্ন শিক্ষক আৰু লিভ ভেকেঞ্চীত কাম কৰি থকা শিক্ষকক চাকৰিত সুবিধা দিয়া উচিত। কিন্তু এই নিয়মো কিছু মান ক্ষেত্ৰত মানি চলা হোৱা নাই। সেয়ে মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে প্ৰাথমিক আৰু মজলীয়া স্কুলৰ শিক্ষকক চাবি দিয়াৰ ক্ষেত্ৰত যি দুৰ্নীতি চলিছে সেইয়া যেন বন্ধ কৰিবলৈ যত্ন কৰে। নহলে ৰাজ্যৰ অন্যান্য ঠাইলৈকো এই দুৰ্নীতি নিশ্চয় বিয়পিব, সেয়ে এইটো বন্ধ কৰিবৰ কাৰণে শিক্ষা মন্ত্ৰীক মই অনুৰোধ কৰিলোঁ। লগতে প্ৰশাসনটোকো দুৰ্নীতি-মুক্ত কৰিব বুলি আশা কৰিলোঁ। চৰকাৰৰ ফালৰ পৰা যি বিলাক এলি-মেণ্টেৰী এডুকেচন বৰ্ড গঠন কৰি দিছে তাত আমাৰ বৰপেটা জিলাৰ শাসক দলৰ পৰা সদস্য অন্তৰ্ভুৰ্ক্ত কৰা হৈছে কিন্তু বিৰোধী পক্ষৰ পৰা কোনো সদস্য লোৱা হোৱা নাই। সেই কাৰণে মই ভাবো যে চাকৰি নিয়োগৰ ক্ষেত্ৰত নিশ্চয় দুৰ্নীতি আদি হবই। দুই পক্ষৰ পৰা সদস্য আদি থাকিলে অন্যায়ৰ বিৰুদ্ধে যুজিবলৈ বা দুৰ্নীতি বন্ধ কৰিবলৈ সুবিধা হয়। অন্ততঃ নিয়ম নীতি মানি নিয়োগ কৰিবলৈ সুবিধা হয়।

উপাধ্যক্ষ মহোদয়, দক্ষিন শালমাৰা আৰু মানকাছাৰত প্ৰাথমিক শিক্ষক আৰু মজলীয়া শিক্ষকৰ প্ৰাৰ্থী বাছনি কৰিছে বুলি আমি জানো। কিন্তু এই ক্ষেত্ৰত বহু অনিয়মৰ অভিযোগ উঠিছে, সেয়ে এই ক্ষেত্ৰত এটা অনুসন্ধানৰ সিদ্ধান্ত কৰি যোগ্য অৰ্হতাসম্পন্ন প্ৰাৰ্থীক সুবিধা দি প্ৰয়োজন হলে আগৰ অন্যায়ভাৱে দিয়া প্ৰাৰ্থীক আতৰাই হলেও কিবা এটা ব্যৱস্থা কৰিব বুলি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলোঁ। আকৌ এই ক্ষেত্ৰত সমষ্টি বা ব্লকত যি বোৰ খালী পদ আছে সেই বিলাক স্থানীয় প্ৰাৰ্থীৰ দ্বাৰা পূৰণ কৰাৰ আশ্বাস এটা দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষামন্ত্ৰী)—সন্মানিত অধ্যক্ষ মহোদয়, মানকাছাৰ আৰু দক্ষিণ শালমাৰাত শিক্ষক নিয়োগৰ ক্ষেত্ৰত কিছুমান অভিযোগ আহিছে।

প্ৰাথমিক বিদ্যালয় সমূহত নিয়োগৰ ক্ষেত্ৰত কিছুমান নীতি নিয়ম বান্ধি দিয়া হৈছে আৰু তাত চাৰ ডিভিজনেল এলিমেণ্টেৰী বৰ্ড কিছুমানো গঠন কৰি দিয়া হৈছে। তেওঁলোকেই চৰকাৰৰ নিৰ্ধাৰিত নিয়ম নীতি মতে প্ৰাৰ্থী বাছনি কৰিব পাৰিব। মানকাছাৰতো সেই দৰে এলিমেণ্টেৰী বৰ্ড গঠন কৰি দিয়া হৈছে। নিয়োগৰ সম্পৰ্কত শিক্ষা উপদেষ্টা পৰিষদ এখনো গঠন কৰি দিয়া হয় আৰু তেওঁলোকক চৰকাৰৰ নীতি নিয়মৰ আধাৰতেই নিয়োগ কৰাৰ নিৰ্দেশ দিয়া হৈছে। আন্দোলনকাৰীৰ ক্ষেত্ৰতো অৱশ্যে তাত এটা কথা উল্লেখ আছে আৰু অৱসৰপ্ৰাপ্ত শিক্ষকৰ ল'ৰা ছোৱালীক সুবিধা দিবৰ কাৰণেও আমি আগ্ৰহী। একেদৰেই লিভভেকেন্সীত কাম কৰি বহু বছৰ অতিবাহিত কৰা শিক্ষকৰো বহুত দৰ্খাস্ত আহিছে। আকৌ নৰ্মাল প্ৰশিক্ষন প্ৰাপ্ত আৰু বুনিয়াদী প্ৰশিক্ষন প্ৰাপ্ত শিক্ষককো আমি পাইছোঁ। তাৰোপৰি আন্দোলনত নিৰ্য্যাতিত হোৱা সকলকো আমি চাব লাগিব। সেয়ে নিয়োগ কৰাৰ সময়ত সকলোৱে যাতে সমানে সুবিধা পায় আৰু সম্পূৰ্ণ চৰকাৰৰ নিয়ম নীতি আদি মানি চলিবলৈ আমি সকলোলৈকে নিৰ্দেশ পঠিয়াইছোঁ। ইতিমধ্যে বাতৰি কাকততো প্ৰাথমিক শিক্ষক আৰু মজলীয়া স্কুলৰ শিক্ষকৰ বাছনিৰ ক্ষেত্ৰত বহুতো আলোচনা বিলোচনা হৈছে।

উপাধ্যক্ষ মহোদয়, এল, পি, স্কুল, হাইস্কুল এইবিলাকেই একমাত্ৰ চাকৰিৰ ক্ষেত্ৰ হৈ পৰিছে। কেইটামান পদৰ বাবেই হেজাৰ হেজাৰ ল'ৰাই আবেদন জনাইছে। এইবিলাক সমস্যাই দেখা দিছে। কাৰণ ইমান ব্যাপক ভাৱে আবেদনকাৰী সকলে আবেদন কৰিছে যে এই সকলোবোৰ বিচাৰ বিবেচনা কৰিবলৈ যাওতে বহুত সময় লব। মাননীয় সদস্য গৰাকীয়ে কোৱা কথা ইয়াৰ আগলৈকে আমাৰ দৃষ্টি গোচৰ হোৱা নাছিল। তেখেতক আমি আশ্বাস দিব পাৰো। তেখেতে গোটেই বিষয়টো চাব পাৰে। এইটো আমি অনুসন্ধান কৰিছো।

শ্ৰীমুক্তাৰ হুছেইন—মাননীয় উপাধ্যক্ষ মহোদয় মাননীয়, মন্ত্ৰী মহোদয়ে আমাক জানিব দিলে ভাল হয় কি ধৰণে অনুসন্ধান কৰিছে?

শ্ৰীযতীন মালি (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, আমাৰ সন্মানিত বিৰোধী পক্ষ আছে। তেওঁলোকে আজি সদনত মন্তব্য আনিছে। আমাৰ যি এলিমেণ্টৰী বোৰ্ড গঠন কৰা হৈছিল তাত বিৰোধী পক্ষৰ তৰফৰ পৰাও দিয়া হৈছিল। মাননীয় সদস্য শ্ৰীকেশৱ গগৈ, কুমাৰী ৰবি দাস আৰু এছ. হুছেইনও আছে। তেখেত সকলে কাৰ্য্য নিৰ্বাহ কৰা বুলি জানিছো।

শ্ৰীমুক্তাৰ হুছেইন—উপাধ্যক্ষ মহোদয়, মই সুধিছিলো অনুসন্ধান কি পৰ্য্যায়ত

চলি আছে ? তাক আমি জানিব পাৰিলে ভাল হয়।

শ্ৰীৰামেন্দ্ৰ দে—অধ্যক্ষ মহোদয়, রাজ্য সরকারের বেশীরভাগ এড্ভাইজারী কমিটিতে বিরোধী সদস্য নেই। কংগ্রেসী কয়েকজন সদস্য বোধহয় আছেন। অন্যান্য বিরোধী দলের সদস্য নেই। কাদেরে চাকরী দেওয়া হবেনা হবে সেটা আমার প্রশ্ন নয়। আমার প্রশ্ন হলো—এই সিলেকশন কমিটি গুলি কি ভিত্তিতে গঠন করা হয়? কারণ, করিমগঞ্জে এমন একজন সদস্যকে কমিটিতে নেওয়া হয়েছে যাকে একজন এডুকেশনিষ্ট হিচাবে গণ্য করা হয়েছে। তিনি সামান্য একজন শিক্ষক। নাম আব্দুল হক। বয়স মাত্র ২২ বৎসর। চাকুরী পেয়েছেন ১৯৮৩ ইংরাজীতে। তিনি শিক্ষকদের সিলেকশন্ কমিটির সদস্য। যদি সারা আসামে এই রকম এডুকেশনিষ্টদেরে সদস্য করা হয় তাহলে রাজ্যের শিক্ষার কি অবস্থা হবে আমি জানি না। তাই আমি মন্ত্রী মহোদয়ের নিকট থেকে পরিস্কার ভাবে জানতে চাই যে এডুকেসনিষ্ট বলতে আপনার কাকে বোঝেন?

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী)—উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে বয়সৰ ফালৰ পৰা যিটো প্ৰশ্ন উত্থাপন কৰিছে তেতিয়া হলে অসমৰ ৰাইজে আমাক ইয়াত নবহুৱালেহেতেন। ২২ বছৰীয়া লোকেও নিশ্চয় নিৰ্বাচনৰ কাৰণে উপযুক্ত হব পাৰে। কম বয়সৰ লোকেও দক্ষতা দেখুওৱা বহুতো আছে। গতিকে মই ভাবো যে বয়সক অগ্ৰাধিকাৰ দি যিটো কথা উল্লেখ কৰিছে সেইটো কেনেকৈ হব? কাৰ বয়স কিমান হব তাৰ কোনো নিৰ্দিষ্ট কৰি দিয়া নাই। আৰু অৰ্হতা কিমান আছে তাক সংশ্লিষ্ট কমিটিৰ লগত আলোচনা কৰিম। ২২ বছৰ হোৱাৰ কাৰণে এজন সদস্য অনুপযুক্ত বুলি ভবা ধাৰণাটো আমি আতৰ কৰিব লাগিব।

শ্ৰীমজিৰুদ্দিন আহমেদ—উপাধ্যক্ষ মহোদয়, মই আমাৰ সদনৰ প্ৰথম অধিবেশনৰ কথা কৈছো আৰু বাজেট অধিবেশনত এটা কথা পাইছিলো, তাত এটা কথা স্পষ্ট কৰি দিছিল। শিক্ষা বিভাগত ৰাজনীতি কৰা নহয়। তেতিয়া আমি ভাল পাইছিলো। তেখেতে মনোগ্ৰাহী কথাৰে আনন্দ দিছিল। আমি শিক্ষা বিভাগৰ বহুতো কেৰোনৰ কথা শুনি আহিছিলো। শিক্ষামন্ত্ৰী ডাঙৰীয়াই শিক্ষা বিভাগক ৰাজনীতিৰ পৰা মুক্ত বিষয়টোক আমি ভাল পাইছিলো। মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক এটা কথা শুধিব বিচাৰিছো। দক্ষিণ শালমাৰা, মানকাছাৰ শিক্ষাবোৰ্ডত প্ৰাথমিক শিক্ষা বোৰ্ডৰ চেয়াৰমেনৰ কাৰণে গোৱালপাৰাৰ পৰা মানুহ ধাৰ কৰি আনিব লগা হ'ল। শিক্ষামন্ত্ৰী মহোদয়ে ভাৱে নেকি যে উপযুক্ত মানুহ নাই? শিক্ষা বিভাগৰ বাজ্যিক মন্ত্ৰী ডাঙৰীয়াই এতিয়া কৈছে যে বোৰ্ড বিলাকৰ কাৰণে অভিযোগ বিৰোধী পক্ষৰ সদস্য সকলে কৰিলেই নহয়। তেখেতে

কৈছে যে ইয়াৰ নিয়ম আছে। সেইটো সঁচা। আমাৰ কংগ্ৰেছৰ আছে দুজন আৰু ইউ, এম, এফৰ পৰা আছে এজন। কিন্তু এটা কথা স্পষ্ট যে শিক্ষা বিভাগক ৰাজনীতিৰ পৰা মুক্ত কৰিবৰ বাবে শিক্ষা মন্ত্ৰী ডাঙৰীয়াই কৈছিল। ধুবুৰী জিলাৰ এজন মানুহৰ কথা কব বিচাৰিছো যিজন মানুহ বৰ্ত্তমান বিধায়ক আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীশৰৎ সিংহ ডাঙৰীয়া। তেখেতক অনভিজ্ঞ, শিক্ষা বুজি নাপায় কাৰণে নেকি বাদ দি কৰা হৈছে? তেখেতক কি কাৰণে ৰখা নাই? এইটো ৰাজনীতিৰ মতলব নেকি? শিক্ষা বিভাগৰ উন্নতি কল্লে বাদ দিয়া হৈছে নেকি? এইটো বুজাই দিব পাৰিলেহে শিক্ষা বিভাগটো ৰাজনীতিৰ পৰা মুক্ত বুলি আমি সন্তুষ্ট হ'ম।

শ্ৰীবৃন্দাবন গোস্বামী (মন্ত্ৰী): মাননীয় উপাধ্যক্ষ মহোদয়, আজি যি প্ৰস্তাৱ তোলা হৈছে তাক মই কওঁ যে আমাৰ যিবিলাক সদস্য আছে বহুটো সদস্যই কমিটিত অন্তৰ্ভূৰ্ক্ত হোৱা নাই। ধাৰ কৰা কথাটো নহয়। এইখন ৰাজ্যৰ এম, এল, এ, হৰলৈ যোৱাৰ কাৰণেই তেনেকুৱা হৈছে। অন্যান্য ক্ষেত্ৰতো তেনেকুৱা হয়। আজি যি প্ৰস্তাৱ উত্থাপন কৰা হৈছে মই মাননীয় সদস্য সকলক তাৰ কাৰণে এতিয়াও প্ৰতিশ্ৰুতি দিছো। ৰাজনৈতিক প্ৰভাৱ পৰা বুলি কোৱা হৈছে। আমি সেই কাৰণে শিক্ষা বোৰ্ডৰ উপ সমিতি গঠন কৰিছো এইটো ঠিক যে প্ৰায় তিনি লাখ মানুহ হব, সকলোকক কোনো কমিটিয়ে সন্তুষ্ট কৰিব নোৱাৰে। নিয়োগৰ ওপৰতো নোৱাৰে। যদি কোনোবাই এই ক্ষেত্ৰত বিসঙ্গতি কৰিছে চৰকাৰৰ তৰফৰ পৰা গাইদেন্স দিয়া হব।

শ্ৰীহেমেন দাস: উপাধ্যক্ষ মহোদয়, মেট্ৰিক পৰীক্ষাত শতকৰা ৭২ নম্বৰ পোৱা ল'ৰাইও চাকৰি পোৱাৰ পৰা বঞ্চিত হ'ল। তাক জানিব বিচাৰিছো। আকৌ মেট্ৰিকত শতকৰা ৭২ নম্বৰ পোৱা প্ৰাৰ্থীও প্ৰাইমাৰীৰ শিক্ষক হোৱাৰ যোগ্যতা যে নাই, তাক জনাব নে?

মাননীয় উপাধ্যক্ষ: মাননীয় মন্ত্ৰী মহোদয়ে এই কথা চাম বুলি ইতিমধ্যে সদনত জনাইছে। এতিয়া একেটা বিষয়ৰ ওপৰত দুখন ন'টিচ আছে। এখন আছে মাননীয় সদস্য শ্ৰীচিলভিয়াচ কন্দপানৰ নামত আৰু আনখন শ্ৰীআলটাফ হুছেইন মজুমদাৰৰ নামত। এতিয়া শ্ৰীচিলভিয়াচ কন্দপানে কব।

Shri Silvius Condpan:—Sir, I would like to bring to the notice of the Government through you regarding a newsitem published in the Assam Tribune on 15th December, 1986 under the caption "Resentment Against Police Action". Sir, we were always apprehending

the danger of the Indian nationals being harassed at the time of detection the foreigners. Today this newsitem gives such an idea that hundreds of Indian nationals have been served with notices to prove their bonafide. Sir, this is a very serious thing. The newsitem is brief. I would like to state that the people of Puranigudam, the area of our hon'ble Chief Minister, expressed their resentment against serving of notices to local people, Assamese Muslims and this has been agitating by Sahitya Sabha unit, not only the opposition parties. So, I would like to draw the kind attention of the Government and give a statement over the action taken by the Government on this issue.

Shri Altaf Hussain Mazumdar—Mr. Deputy Speaker Sir, this is a very serious matter. Now Sir, we are all for the Accord and it must be executed by the State Government. But it is unfortunate that in Silchar in the name of Accord, notices have been served to hundreds of tea garden and ex-tea garden labourers as Bangladeshis, who have been staying all along in India and whose forefathers even have not seen Bangladesh. They have brought it to the notice of the Government of India. Now Sir, in the district of Karimganj, notices have been issued to the indigenous people, indigenous muslims, who have been here in India and there is no doubt about their bonafide. In Nagaon, the home district of Chief Minister, notices have been served to the indigenous muslim people. So, these things must be stopped. Probably, I would draw the attention of the Chief Minister to the statement of the Prime Minister Shri Rajiv Gandhi before this Accord here in Guwahati field "I am giving you a solution where nobody will be victorious and nobody will be losers". But it is the

Government in their victorious stand and if the minorities of the state, linguistic and religous minorities are harassed like this to implement this Accord, the Government will play with fire. There must be limit of patience. We were for the police harassment on the tea labourers, indigenous people, linguistic and religious minorities and other communities must be stopped. You go and carry on with the Accord but pleasse do not make it an instrument to harass them. I warn the Government that it will be not to their interest, to harass the people in this manner in name of foreigners. So, the harassment to the indigenous people, indigenous muslims, Assamese speaking muslims and other communities should be stopped.

মাননীয় উপাধ্যক্ষ: এতিয়া আজি দিনৰ ২-৩০ বজালৈ সদন স্থগিত ৰখা হ'ল।

( ২-৩০ বজালৈ সদন স্থগিত ৰখা হয় )

( After lunch the House met at 2-30 P. M. with Hon'ble Speaker in the Chair ).

Mr. Speaker—The Hon'ble Members of the House are aware that the Hon'ble Gauhati High Court had set aside the election of Shri Dewan Joynal Abedin and upon receipt of the written information from the Registrar, Gauhati High Court, I intimated about the decision of the Gauhati High Court to the House on 10.12 86. I have received a certified copy of an order of the Hon'ble Gauhati High Court dated 15.12.86 staying the operation of previous order dated 2.12.86 setting aside the election of Shri Dewan Joynal Abedin for a period of two months. The operative part of the order is as follows:

1. The petitioner Dewan Joynal Abedin is allowed to attend all the sittings and meetings of the House of the Legislature of Assam, and to participate or

to take part in those sittings and meetings without having any right to vote ; and

2. This order shall remain in force for a period of 2 months from today.

This is for information of the House.

Now, item No. 2 Hon'ble member Shri Dilip Kr. Saikia

শ্ৰীদিলীপ কুমাৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৮৬ চনৰ ২ নবেম্বৰ তাৰিখৰ 'অগ্ৰদূত' কাকতত আৰু ১৯৮৬ চনৰ ৩ নবেম্বৰ তাৰিখৰে 'গণদূত' কাকতত প্ৰকাশিত যথাক্ৰমে 'মঙহ খোৱাৰ জাত' আৰু 'কিশোৰী যুৱতি বিন্নু নায়কৰ মৃত্যুৰ পম খেদি' শীৰ্ষক বাতৰি দুটাৰ প্ৰতি গৃহমন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো। অলপতে যোৱা ইং ১২ অক্টোবৰ তাৰিখে ইয়াৰ স্থানীয় ধেমাজী মহকুমা অসামৰিক চিকিৎসালয়ত ১৩ বছৰীয়া বিন্নু নায়কৰ মৃত্যু হয়। এই গৰাকী যুৱতীৰ জীৱন অৱসানৰ অন্তৰালত এক জটিল ৰহস্য লুকাই আছে। ঘটনাৰ বিৱৰণীত প্ৰকাশ যে বৰদলনী বৰবাম দেউৰী অঞ্চলৰ শ্ৰীনিৰ্মল নায়কৰ কন্যা বিন্নু নায়কে জীৱন জীৱিকাৰ তাড়নাত পৰি ধেমাজী নগৰৰ বাসিন্দা শ্ৰীচন্দ্ৰ মিছিং আৰু তেওঁৰ পত্নী শ্ৰীমতী চেনিমাই মিছিং (দলে)ৰ ঘৰত কামকৰা ছোৱালী হিচাবে মাহিলী ৮০ টকা বেতন লৈ কাম। কৰে ১৩ বছৰীয়া বিন্নুৰ ভাগ্যৰ কি বিড়ম্বনা যে তাইক কেন্দ্ৰ কৰি এখন জীৱন নাটৰ আখৰা আৰম্ভ হ'ল। কিশোৰী বিন্নুৱে পুলিছৰ আগত দিয়া জবানবন্দী অনুসৰি তেওঁক হেনো ঘৰৰ মালিকে এটা বেলেগ কোঠাত থাকিবলৈ দিয়ে। ঘৰৰ মালিকে নানান অচিনাকী বাবু তথাকথিত মুখা পিন্ধা ভদ্ৰলোক মাতি আনি বিন্নুৰ কোঠাত সোমোৱাই অবৈধ সমাবেশ ঘটিবলৈ দিয়ে। ঘৰৰ মালিকে এইদৰেই বিন্নুক লৈ দেহোপজীৱিনীৰ ব্যৱসায় আৰম্ভ কৰিলে। বহুতো তথা-কথিত ভদ্ৰতাৰ মুখা পিন্ধা ভদ্ৰলোকৰ সমাগম ঘটিবলৈ ধৰিলে। ফলত কিশোৰী যুৱতী বিন্নু এদিন অন্তঃসত্বা হ'ল। এদিন বিন্নুৰ গৰ্ভপাত হৈ ৰক্ত-স্ৰাব আৰম্ভ হ'ল। ফলত বিন্নুৰ মাক দেউতাকে বিন্নুক ধেমাজী মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্ত্তি কৰিলে। তেওঁৰ শাৰীৰিক অৱস্থা অতীব সংকটাপন্ন হৈ পৰিল। বিন্নুৰ মাকে কিশোৰী বিন্নুৰ এনে অৱস্থা দেখি ধেমাজী আৰক্ষী চকীত এটা গোচৰ দিলে। ধেমাজী আৰক্ষী থানাৰ পুলিচ এছ. আই শ্ৰীলংকেশ্বৰ গগৈয়ে এই গোচৰৰ তদন্ত চলালে। বিন্নুৱে দিয়া জমানবন্দীত উল্লেখ কৰিলে যে তেওঁৰ ওচৰলৈ দিনে ৬।৭ জনকৈ এছ, ডি, অ', ইঞ্জিনীয়াৰ, অভাৰচিয়াৰ, ঠিকাদাৰ আদি ভদ্ৰবেশী লোকে গৈ বিন্নুৰ ওপৰত অত্যাচাৰ

চলাই যোৱা বুলি উল্লেখ কৰিলে। তদন্তকাৰী বিষয়া শ্ৰীগগৈয়ে শ্ৰীচন্দ্ৰ মিছিং আৰু তেওঁৰ পৰিবাৰ শ্ৰীমতী মিছিং ( দলেক )ক গ্ৰেপ্তাৰ কৰিলে। শ্ৰীচন্দ্ৰ মিছিঙক উত্তৰ লক্ষীমপুৰ জেল হাজোতলৈ প্ৰেৰণ কৰিলে। এই গোচৰ ধেমাজী থানাত গোচৰ নং ১৯৬।৮৬ আৰু ভাৰতীয় দণ্ডবিধি আইনৰ ৩৭৩।৩৭৬।৩১৪ নং ধাৰাত পঞ্জীভূক্ত হৈছে। গোচৰ এতিয়াও তদন্তাধীন হৈয়ে আছে। এই ঘটনাৰ সবিশেষ তথ্য উদ্ঘাটন হবলৈ পাওঁতেই ইতিমধ্যে যোৱা ইং ১২ অক্টোবৰ তাৰিখে কিশোৰী বিনুৰ হস্পিতালত মৃত্যু ঘটে। এই ঘটনাই ধেমাজী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত এক মৃত্যু সৃষ্টি কৰিছে। স্থানীয় ৰাইজে এই ঘটনাৰ তীব্ৰ নিন্দা আৰু এক উচিত তদন্তৰ দাবী কৰিছে।

অগ্ৰন্থুত বাতৰি কাকতত দিয়া বাতৰিটো হ'ল— ধেমাজীৰ অসামৰিক চিকিৎসালয়ত ১৩ বছৰীয়া কিশোৰী কুমাৰী বিনু নায়কৰ মৃত্যু হবলগীয়া হোৱাত স্থানীয় ৰাইজৰ মাজত চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনাৰ বিৱৰণীত প্ৰকাশ যে বৰদলনিৰ শ্ৰীনিৰ্মল নায়কৰ কন্যা বিনু নায়কে জীৱিকাৰ তাড়নাত ধেমাজীৰ এটা পৰিয়ালত মাহে আশী টকাত কাম কৰা ছোৱালী হিচাপে থাকিবলৈ লৈছিল। কিন্তু ঘটনা ইমানতে সীমাবদ্ধ নাথাকিল। ঘৰৰ মালিকে কিশোৰী যুৱতীক লৈ দেহোপজীৱিনীৰ ব্যৱসায় আৰম্ভ কৰিলে। অন্তঃসত্বা হৈ তেওঁৰ ৰক্তস্ৰাব আৰম্ভ হোৱাত মাকে থানাত এজাহাৰ দাখিল কৰিলে। ধেমাজী আৰক্ষী থানাৰ উপ-পৰিদৰ্শক শ্ৰীলংকেশ্বৰ গগৈয়ে গোচৰৰ তদন্ত চলালে। ইতিমধ্যে বিনুৰ অৱস্থা সংকটাপন্ন হোৱাত তেওঁক ধেমাজী মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্ত্তি কৰিলে। বিনুৰ জবানবন্দী হাস্পাতালতে লোৱা হ'ল। বিনুৱে জবানবন্দীত সেই নগৰৰ ভালেমান উচ্চপদস্থ বিষয়াই তেওঁৰ ওপৰত চলোৱা ধৰ্ষণৰ ঘটনা বিৱৰি কয়। তদন্তকাৰী বিষয়া শ্ৰীগগৈয়ে বিনু থকা ঘৰৰ মালিক শ্ৰীচন্দ্ৰ মিছিং আৰু তেওঁৰ পৰিবাৰক গ্ৰেপ্তাৰ কৰি উত্তৰলক্ষীমপুৰ জেল হাজোতলৈ চালান দিয়ে। মাননীয় অধ্যক্ষ মহোদয়, যি কি নহওক এনেকৈ এজনী সৰু ছোৱালীক হস্পিতালত পুলিচে জবানবন্দী লবলগীয়া হোৱা এই ঘটনাটো সঁচাকৈয়ে এটা পেথেটিক ঘটনা। এই ঘটনাটো ইমান পেথেটিক যে সেইটো কল্পনা কৰিব নোৱাৰি। এনেধৰণে এই ঘটনাটো আকৌ ৱালী লব লগা হ'ল যে যি বিলাক লোক ইয়াৰ লগত জড়িত আছে সেই আটাইবিলাকেই সমাজৰ তথাকথিত মুখাপিন্ধা ভদ্ৰলোক। তাৰ ভিতৰত কিছুমান ইবিগেচন বিভাগৰ বিষয়াও জড়িত আছে। বিনুৱে সেই বিষয়ে কৈছে। বিনুৱে কেৱল বিষয়া বিলাকৰ বৰ্ণনাহে দিব পাৰিছে। গতিকে মাননীয় গৃহমন্ত্ৰী ডাঙৰীয়াই বিষয়াই হওঁক বা কৰ্ম্মচাৰীয়েই হওঁক বা ঠিকাদাৰেই হওঁক তদন্ত কৰি বিহিত ব্যৱস্থা লব লাগে আৰু কঠোৰ শাস্তি প্ৰদান কৰিব লাগে যাতে গৰীব লোকেও

ন্যায় বিচাৰ পায়। এই খিনিকে মাননীয় গৃহমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

প্ৰাপ্ত প্ৰতিবেদন অনুসৰি ঢকুৱাখানা থানাৰ অন্তৰ্গত বৰবাম দেৱাৰী গাঁৱৰ শ্ৰীমতী নিৰ্মলা নায়কৰ নাবালিকা ছোৱালী (প্ৰায় ১৪ বছৰ বয়সৰ) শ্ৰীমতী বিনু নায়ক ওৰফে বিনতা নায়ক যোৱা জুলাই মাহৰ পৰা ৮০ টকা মাহিলী দৰমহাত ধেমাজীৰ ঠিকাদাৰ শ্ৰীচন্দ্ৰ মিছিংৰ ঘৰত কাম কৰা ছোৱালী হিচাবে আছিল। শ্ৰীচন্দ্ৰ মিছিং আৰু তেওঁৰ পৰিবাৰ শ্ৰীমতী চেনীমাই মিছঙে (জলসিঞ্চন বিভাগৰ কৰ্মচাৰী) শ্ৰীমতী বিনু নায়কক তেওঁলোকৰ নিজৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে তাইৰ ইচ্ছাৰ বিৰুদ্ধে যোৱা আগষ্ট মাহৰ পৰা কিছুমান মানুহৰ লগত যৌন কাৰ্য্যত লিপ্ত কৰায় আৰু এই বিষয়ে কাকো নজনাবলৈ ভাবুকি দিয়ে। ফলস্বৰূপে শ্ৰীমতী বিনু নায়ক অন্তঃসত্বা হয় আৰু শ্ৰীমতী চেনীমাই মিছঙক গোপনে এই সম্পৰ্কে জানিবলৈ দিয়ে। শ্ৰীমতী চেনীমাই মিছঙে গৰ্ভপাত কৰাবলৈ কিবা বিষাক্ত লতাৰ শিপা শ্ৰীমতী বিনু নায়কক ব্যৱহাৰ কৰিবলৈ দিয়ে। ইয়াৰ ফলত শ্ৰীমতী বিনু নায়কৰ অতিপাত ৰক্তস্ৰাৱ হয় আৰু তাইৰ মাকে ধেমাজী অসামৰিক হস্পিতালত ভৰ্ত্তি কৰায়। যোৱা ৯।১০।৮৬ তাৰিখে শ্ৰীমতী বিনু নায়কৰ মাক শ্ৰীমতী নিৰ্মলা নায়কে এই সম্পৰ্কে ধেমাজী আৰক্ষী থানাত এটি লিখিত গোচৰ দাখিল কৰে। ধেমাজী আৰক্ষী উপ-পৰিদৰ্শকে এই বিষয়ে অনুসন্ধান কৰি উক্ত তথ্যপাতি সত্য বুলি এটি প্ৰতিবেদন দাখিল কৰিছে। এই প্ৰতিবেদন অনুসৰি ধেমাজী আৰক্ষী থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ৩৭৬ ধাৰাত এটি গোচৰ ৰজু কৰা হৈছে। এই গোচৰ অনুযায়ী শ্ৰীচন্দ্ৰ মিছঙক গ্ৰেপ্তাৰ কৰি জেইল হাজোতত ৰখা হৈছে।

১২।১০।৮৬ তাৰিখে শ্ৰীমতী বিনু নায়কৰ ধেমাজী অসামৰিক হস্পিতালত মৃত্যু হয় আৰু তেওঁৰ মৃত দেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে উত্তৰ লক্ষীমপুৰ অসামৰিক হস্পিতাললৈ পঠিওৱা হয়। ইয়াৰ প্ৰতিবেদন এতিয়াও পোৱা হোৱা নাই। অনুসন্ধানকাৰী বিষয়াই SDJMৰ আদালতলৈ দিয়া প্ৰতিবেদনত ভাৰতীয় দণ্ডবিধি আইনৰ ৩১৪ ধাৰাটিও সন্নিবিষ্ট কৰিবলৈ দিয়ে।

যোৱা ২৫।১০।৮৬ তাৰিখে অভিযুক্ত শ্ৰীচন্দ্ৰ মিছঙৰ পৰিবাৰ শ্ৰীমতী চেনীমাই মিছঙকো গ্ৰেপ্তাৰ কৰা হয় আৰু তেওঁৰ দুটি যজাঁ সন্তান থকা হেতুকে জামিনত মুক্তি দিয়া হয়।

২।১১।৮৬ আৰু ৩।১১।৮৬ 'অগ্ৰদুত' আৰু 'গণদূত' বাতৰি কাকতত উল্লেখ থকা উক্ত কাৰ্যত লিপ্ত থকা মানুহ কেইজনক বিচাৰি উলিয়াবলৈ চেষ্টা চলাই থকা হৈছে।

শ্ৰীগোলোক ৰাজবংশী: মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ

প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ৰবিশষ্যৰ কাৰণে চৰকাৰে লোৱা আঁচনি সম্পৰ্কীয় এই বিষয়টি উত্থাপনৰ জৰিয়তে কৃষি বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, ১৯৭২ চনৰে পৰা আমি, ৰবিশষ্যৰ খেতি যাতে আমাৰ খেতিয়ক সকলে গ্ৰহণ কৰে তাৰ কাৰণে প্ৰচেষ্টা চলাই আহিছিলো আৰু শালি খেতিৰ বাহিৰেও ঘেহু খেতি আধুনিক ধৰণে যাতে কৰে তাৰ কাৰণে খেতিয়ক সকল আগবাঢ়ি আহিছে। কিন্তু দেখা গৈছে আহু খেতিৰ ক্ষেত্ৰত অসমৰ যিটো বতৰ আৰু অসমৰ খেতিয়কৰ যিটো মনোভাৱ সেই খিনি নোহোৱাৰ কাৰণে যোৱা ২ বছৰমান ঘেহু খেতিৰ প্ৰতি মানুহৰ মনতো অলপমান আতৰি গৈছে। এইবাৰ বানপানীত যি ক্ষতি হ'ল আৰু তাক পৰিপূৰণ কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা মুখ্যমন্ত্ৰীয়ে দিয়া বিবৃতি মতে ৩২ কোটি টকাৰ ৰবিশষ্যৰ আঁচনি লৈছে আৰু সেই কাৰণে মই এই বিষয়টো উত্থাপন কৰি ৰবিশষ্যৰ ক্ষেত্ৰত দেখা দিয়া আসোঁৱাহ সমূহ দাঙি ধৰিব বিচাৰিছো।

প্ৰথম কথা হ'ল ধানৰ খেতি কৰিব নোৱাৰিলে তাৰ পৰিবৰ্তে 'ষ্টেবোল ফুড' হিচাবে অন্যান্য খেতি নকৰে যেনে আলু, ঘেহু খেতি ইত্যাদি নকৰে যিটোৰ দ্বাৰা তেওঁলোকে চাউলৰ অভাৱটো পূৰণ কৰিব নোৱাৰে। চাউলৰ বদলি আলু, শাক তৰকাৰী ইত্যাদি নাখায়। মুখ্যমন্ত্ৰীয়ে দিয়া বিবৃতি মতে আমাৰ ৰাজ্যখনৰ ধান-চাউলৰ যি উৎপাদন হয় তাৰ চাহিদাৰে মাত্ৰ ৭ মাহ হে চলিব পাৰে। এইবাৰ তাতে ধান মেলাৰ সময়তে বাৰিষা হোৱাৰ কাৰণে ধানৰ উৎপাদন শতকৰা কমি গৈছে। গতিকে যোৱা বছৰৰ তুলনাত ধানৰ খেতিয়েই হওঁক বা আহু খেতিয়েই হওক আমি পৰিপূৰক হিচাবে যদি উৎপাদন বৃদ্ধি কৰিব নোৱাৰো তেতিয়াহলে খেতিৰ উৎপাদন হোৱা হিচাবে বা বৰ্তমান দেখা হিচাবে এইটো অকল চৰকাৰৰ সমস্যাই নহয় গোটেই অসমতে জনসাধাৰণে এটা ভয়ানক সমস্যাৰ সন্মুখীন হব। সেইকাৰণে আজি আমি ৰবিশষ্যৰ ওপৰত বিশেষ গুৰুত্ব দিব লাগে। প্ৰকৃতপক্ষে বানপানীৰ সময়ত যেতিয়া ততাতৈয়াকৈ বীজ যোগান ধৰাৰ কথা আছিল তেতিয়া বাস্তৱিকতে বীজ যোগান ধৰাত অসুবিধা হৈছে। ৰবিশষ্যৰ যি বীজ ঘেহু ইত্যাদি লাগে সেই বিলাক চাৰ্টিফাইড চীড চাৰ্টিফিকেশ্যন এজেন্সীৰ চাৰ্টিফাইড হব লাগে। এই বীজ নেশ্যনেল চীড কৰপৰেশ্যন, টাৰাই চীড কৰপৰেশ্যন আৰু হাৰিয়ানা চীড কৰপৰেশ্যনক প্ৰায় ৯ মাহ মান আগতেই ইনদেণ্ট দিব লাগে। বানপানী হব বুলি নাভাবি আমি যদি বীজ যোগান দিবলৈ লিখিলোহেতেন তেতিয়াহলে খেতিয়ক সকলে বীজ পোৱাৰ লগে লগে খেতি কৰিবলৈ প্ৰস্তুত হ'লহেতেন। কিন্তু আগতীয়াকৈ যোগাযোগ নকৰাৰ কাৰণে বানপানীৰ ফলত ততাতয়াকৈ

বীজ যোগান ধৰাৰ কাৰণে আৰু সেই বিলাক ৰিভাইটেলাইজদ চীড দিয়াৰ কাৰণে তাৰ পৰা একো উৎপাদন নহয় কেৱল ফুল ফুলে। আমাৰ অঞ্চলত তেনে আঁচনি মই চাবলৈ গৈছো, কিন্তু ভাত দেখা গৈছে গজা নাই। সেই ক্ষেত্ৰত মই বিভাগক বা কোনোবা বিষয়াক আৰু সকলোকে দোষ নিদিও কিন্তু এই ক্ষেত্ৰত যেতিয়া আঁচনি লৈছে বা আঁচনি আছে আৰু তাত ধাৰ্য্য কৰা টকা-পইচা খৰচ কৰিব লাগে গতিকে সেই ধৰণেই বীজ যোগান ধৰি খেতিয়কক দি আছে। আচলতে ৰবিশষ্যৰ ঘেহুৰ বতৰ হৈছে নবেম্বৰ আৰু অক্টোবৰ মাহ কিন্তু আমাৰ এইবাৰ আৰ্লি মনচুনৰ কাৰণে পথাৰত গছতে ফুল ফুলিল আনহাতেদি আমাৰ ঠেতচাৰ মেশ্বিনৰ অভাৱ হোৱাৰ কাৰণে গৰুৰে মৰণা মৰাৰ কাৰণে গুড়টো ভাঙি যায় আৰু সেই কাৰণেই আহু খেতি কৰাৰ প্ৰতি আমাৰ খেতিয়ক সকলৰ দুৰ্বল মনোভাৱ হৈছে। যিহেতু চৰকাৰৰ ফালৰ পৰা ঘেহু বীজ ৩৮ কিলো বিনামূলীয়াকৈ দিছে গতিকেই তেওঁলোকে লবলৈ আপত্তি কৰা নাই আৰু বহু ঠাইত লৈছেয়ো। তেওঁলোকে কোনো ভাল ফল পোৱা নাই আৰু ক'ৰবাত ক'ৰবাত খাই পেলাইছে। তাৰোপৰি আমাৰ খেতিয়ক সকলৰ যিমান পৰিমাণৰ ট্ৰেক্টৰ খেতিৰ মাটি চহ কৰিবৰ কাৰণে আৱশ্যক সিমান ট্ৰেক্টৰ নাই। ট্ৰেক্টৰ যথেষ্ট নোহোৱাৰ কাৰণে মাটি চহ নোহোৱাকৈ কিমান দিন বাট চাই থাকিব গতিকে বৈ থাকি থাকি পিছত সেইবিলাক খাই পেলাইছে।

অৱশ্যে মাটি চহাবৰ কাৰণে ইমান সৰহ সংখ্যক ট্ৰেক্টৰ চৰকাৰে দিব নোৱাৰে। এই যে ইমান পৰিমাণৰ ঘেহুৰ বীজ বা ৰবিশষ্যৰ বীজ খেতিয়কক যোগান ধৰিলে সেইটো কাগজে-কলমে থাকি গ'ল কিন্তু তাৰ দ্বাৰা খেতিয়ক সকল বিশেষ উপকৃত নহব। গতিকে নভেম্বৰৰ ভিতৰত যিখিনি মাটিত ঘেহু খেতি কৰিবলৈ বীজ দিছিল সেইখিনি মাটিত আৰ্লি আহু কৰৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিব লাগে। কিন্তু আৰ্লি আহু কৰাত তিনিটা অসুবিধা আছে। প্ৰথম কথা হ'ল পানী যোগান। জলসিঞ্চন বিভাগে যদি সময়মতে পানী যোগান নধৰে তেতিয়াহলে কৃষি বিভাগে অধিক উৎপাদনক্ষম কৰি তোলাত সাফল্য নহব। মোৰ বিশ্বাস জলসিঞ্চন বিভাগে সম্পূৰ্ণ সহযোগ কৰিব কাৰণ মোৰ তিক্ত অভিজ্ঞতাৰ পৰা কৈছো যে পানী যোগান সময়-মতে কৰিব নোৱাৰিলে যিমানেই আঁচনি লোৱা নহওক তাৰ দ্বাৰা কোনো সফল কাম হব নোৱাৰে। ইৰিগেশ্যন বিভাগে যিটো কমাণ্ড এৰিয়া দেখুৱাই সেইমতে তাত পানী যোগান ধৰা নহয়। এই বিষয়ত মই কৃষি মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। ট্ৰেক্টৰলৈ বাট চাই থাকোতে আৰু যিখিনি গৰুৰে হাল বোৱা হয় তাৰ দ্বাৰা কাম নহয় ফলত যিখিনি বীজ আছে সেইখিনিয়ো

খাই পেলাব আৰু গৰুৰো অৱস্থা মাটি শুকান হোৱাৰ কাৰণে নিশকতীয়া হৈ যায়। সেই কাৰণে ব্যক্তিগতখণ্ডতো যদি কাৰোবাৰ ট্ৰেক্টৰ আছে সেইবিলাকো কৃষিৰ কামত ব্যৱহাৰ কৰিবলৈ আনিব লাগে। বীজ সম্পৰ্কত মই কৰ বিচাৰিছো ফেন্সী বজাৰৰ পৰা আলু কিনি আনিছে আৰু বীজ হিচাবে খেতিয়কৰ মাজত বিতৰণ কৰিছে, তাৰে আধা আলু গজিছে আৰু আধা নগজিল। কাঁচী বজাৰৰ পৰা আনি নতুন বীজ বুলিয়েই দিয়া হ'ল! মই পৰহি দেখি আহিছো কিছুমান আলু গজা নাই আৰু নগজেও। আচল যিটো বীজ সেই বীজ বিতৰণ কৰি আলি আহু খেতি কৰিলে আশাপ্ৰদ ভাবে সুফল লাভ কৰিব বুলি মই ভাবো। আৰু এইখিনি নভেম্বৰ মাহৰ পৰাই কৰিব লাগে। যিবিলাক আলু বিতৰণ কৰা হৈছে সেইবিলাকৰ কিছু অংশ গেলা। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি ৩২ কোটি টকাৰ কথা কৈছে তাৰে এই ধৰণে যদি খেতিয়কক বীজ বিতৰণ কৰে আৰু খেতিয়কক সময়মতে সহায়-সহযোগ আগবঢ়ায় তেতিয়াহলে নিশ্চয় আশাপ্ৰদ ফল লাভ কৰিব পৰা হব। এইখিনিকে মই জনালো।

Shri Neelmoni Das (Minister, Agriculture)—Mr. Speaker, Sir, I cordially thank the mover for his Motion. It is time worthy. In fact, the year 1986 is a disheartening year for agriculture in Assam. Of course, we do not have any control over the natural calamity. Even God put the nature into imbalance because for 1000 male there is only 999 female in this State, so natural calamities cannot be overcome with the persistent effort of a Government.

The year of 1986 was unprecedented for bad weather which caused immense loss to the cultivators. It was very disheartening because there was scanty rainfall from October 1985 to March 1986 and as a result, the production of Rabi crop has decreased considerably. After April, 1986, the rainfall was more or less normal, but it decreased considerably after August, 1986. Anyway, the farmers could plant sali. During the period ending the month of September, 90% of sali paddy was planted. The heavy flood in the month of October caused damage in the southern bank of Brahmaputra specially in parts of the

districts of Jorhat, Nowgong, Cachar & Karimganj. Similarly there was flood to a smaller extent in Dhubri, Goalpara, Kamrup & NC Hills districts. Actually, the rainfall from January to October is given separately in Annexure I where facts and figures are elaborated. This is placed on the table of the House for the information of the Hon'ble members. I would like to summarise the figures or what was actually done to expedite the Rabi Crop programme. The flood situation caused a havoc to the cultivators for the damage done to the sali paddy. Immediately after the occurrence of the flood, Govt. took some of the measures to increase the amount of seeds to be procured and distributed to the farmers. Despite the difficulties, the farmers were encouraged to cultivate potatoes, and the seeds for potatoes was distributed. Though some of the points mentioned by the Hon'ble Member about the low quality seeds purchased from Fancy Bazar was correct, the Govt. rectified the procedure and rejected the seed purchased from Fancy Bazar. All the Deputy Commissioners were made aware of the fact that if such sub-standard seeds are found, they may be rejected at once. With respect to wheat, an amount of 52,000 quintals of seeds were distributed to the farmers free of cost. Similarly, there was a provision for tractorisation of land of the drought and flood affected people. In the flood affected areas alone, 30,000 hectares of land was under tractorisation programme. It was offered free of cost. In the case of other crops, as the hon'ble member has already mentioned, Boro paddy seeds have been distributed and the normal programme is going to be undertaken. As I have already told, the cultivation will largely depend upon the weather. The achievement of the target was poorer than what was expected. In the case of paddy, 73% of the

target was achieved, and in the case of potatoe, the achievement would be 79%. In the case of wheat, we are expecting 90% achievement of the original target. I have taken note of the valuable suggestions offered by the Hon'ble Member. In the case of Ahu programme, I would look into it. On one point I would like to mention that if there is any anomally in the distribution of seeds found, this could be brought to my notice. I will certainly take necessary action.

( Concluded )

Shri Pradip Gogoi ( Minister of State, Parliamentary Affairs )—Sir, I beg to move that the Members of Assam Legislative Assembly (Disqualification on ground of Defectin) Rules, 1986 be approved as laid in the House on 10.12.86.

Shri B. K. Basumatary—I would just like to obtain a clarification on this Rule. It is first of its kind in India. We do not have opportunity to consult and compare the provisions and rules made under this Act, i. e. Disqualification Act. This is under Schedule 10 of the Constitution of India. So, we only have to have some clarifications from the Minister whether there was any guidence obtained from the Lok Sabha or the parental organisation where this law was passed.

Shri Ardhendu Kumar Dey—Sir, I want one clarification. In the rules it is written in the Proviso to Rule (6) "Provided that a petition in relation to the Speaker shall be addressed to the Secretary" and in sub-rule (3) of Rule (6) (a) as soon as may be after the receipt of a petition under the proviso to sub-rule (2) make a report in respect thereof to the House ; and (b) as soon as may be after the House has elected a member in pursuance of the proviso to sub-paragraph (1) of paragraph 6 of the Tenth Schedule place the petition before such member".

The problem here Sir, is that Article 181 (1) of the Constitution of India states "At any sitting of the Legislative Assembly, while any resolution for the removal of the Speaker from his office is under consideration, the Speaker, or while any resolution for the removal of the Deputy Speaker from his office in under consideration, the Deputy Speaker, shall not, though he is present, preside and provisions of clause (2) of Article 180 shall apply in relation to every such sitting as they apply in relation to a sitting from, which the Speaker or, as the case may be, the Deputy Speaker, is absent." So it appears that in case of any no-confidence motion against the Speaker or the Deputy Speaker, the Speaker or the Deputy Speaker against whom the no-confidence motion is moved will not preside over such sitting of the House. Therefore, in case there is a charge framed against the Speaker or the Deputy Speaker, under the provision the Rules framed under the Anti-Defection Act, whether the Speaker or the Deputy Speaker will be in the Chair, that should be clarified.

শ্ৰীপ্ৰদীপ গগৈ (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ সদনত যিখন বিল উত্থাপন কৰা হৈছে সেইখন লোক সভাৰ নিৰ্দেশ ক্ৰমেহে কৰা হৈছে আৰু এই ক্ষেত্ৰত যি 'গাইড্-লাইন' দিছে সেইমতেহে কৰা হৈছে। আনহাতে আমাৰ মাননীয় সদস্য শ্ৰীবসুমতাৰী ডাঙৰীয়াই আলোচনাৰ বাবে যিটো প্ৰস্তাৱ আগবঢ়াইছে তাৰ ওপৰত ভিত্তি কৰি মই কওঁ যে, আজি এইখন যোৱা ১০ তাৰিখেই উত্থাপিত কৰা হৈছিল যদিও আজি সাত দিনেও ইয়াৰ ওপৰত কোনো সংশোধনী প্ৰস্তাৱ আদি অনা হোৱা নাই। আনহাতে আমাৰ আন এজন মাননীয় সদস্য অৰ্দ্ধেন্দু কুমাৰ দেই যিকেইটা কথা উত্থাপন কৰিছে, সেই সন্দৰ্ভত মই sub-Rule (2) of the Eighth Schedule to the Constitution of India উল্লেখ কৰি কওঁ যে, সেইমতে কোনো বাধা ইয়াত নাইকীয়া। সম্পূৰ্ণ বিবৰণী যদি পঢ়ি দিব লাগে তেতিয়াহলে, মই সেইটো পঢ়ি দিবলৈ প্ৰস্তুত আছো।

Mr. Speaker—Now I put the motion. The motion is that the Members of Assam Legislative Assembly ( Dis-

qualification on ground of Defection ) Rules, 1986 be adopted.

The motion is adopted and the Rules are adopted.

Now item No. 5. Here is a message from the Governor of Assam, which reads as follows :

"Raj Bhavan, Guwahati the December 2, 1986.

Under the provision of Article 207 (3) of the Constitution of India, I, Bhishma Narayan Singh, Governor of Assam, recommend that the Assam Industries ( Sales Taxes Concession ) Bill, 1986 be taken up for consideration by the Assam Legislative Assembly.

Sd : Bhishnia Narayan Singh,
Governor of Assam

Hon'ble Chief Minister to move.

Shri Prafulla Kumar Mahanta ( C. M. )—Sir, I beg to move that the Assam Industries ( Sales Taxes Concession ) Bill, 1986 be taken into consideration.

শ্ৰীহেমেন দাস—মাননীয় অধ্যক্ষ মহোদয়, মই এই বিলখনৰ বিৰোধীতা কৰিছো। এই কাৰণেই এই বিলখনৰ বিৰোধীতা কৰিছো যে, দিল্লীৰ পৰা অসমলৈকে 'কনচেছন' দিয়াৰ ক্ষেত্ৰত তাৰ পৰিণতি স্বৰূপে ভাৰতবৰ্ষৰ বৈদেশিক বাণিজ্যত ৮ হেজাৰ ৬০০ শ কোটি টকাৰ ক্ষতি হবলগীয়া অৱস্থা হৈছে। ওপৰৰ পৰা তললৈকে 'কনচেছন' দিছে এই উদ্যোগ বিকাশৰ কাৰণে। তাৰ ফলত বিশেষকৈ অসমত কি হৈছে ? অসম উদ্যোগ বিকাশৰ ফলত ভাৰতবৰ্ষৰ সকলো বিলাক ৰাজ্যৰ তলত থাকে। 'কনচেছন' দিয়াৰ ফলত আমি ভাৰতবৰ্ষৰ কতো উদ্যোগৰ বিকাশ দেখা নাই। আমাৰ চাৰিওফালে এনে এটা পৰিবেশ আহি পৰিছে যে, উদ্যোগ বিকাশ হওক চাৰি উদ্যোগ বিলাক মাৰিবলৈহে আৰম্ভ কৰিছে। ভাৰতবৰ্ষত ২৮ হেজাৰতকৈ বেছি উদ্যোগ বন্ধ হৈ আছে। বাকীবোৰ কেলেপ-কেলেপ কৰি জীয়াই আছে। নাৰ্ৰত তোলা মাছৰ নিচিনাকৈ কোনোমতে জীয়াই আছে। আজি অসমত যি কেইটা উদ্যোগ আছে সেই সকলো বিলাক উদ্যোগৰ এই অৱস্থাই হৈছে। বেছি ভাগ উদ্যোগেই নাৰ্ৰত তোলা মাছৰ নিচিনাকৈ কেলেপ-কেলেপকৈ জীয়াই আছে। আমাৰ অসম গণপৰিষদ চৰকাৰে শিলঘাটৰ মৰাপাট কল পুনৰ চালু কৰিছে কিন্তু তাৰ প্ৰাণবায়ু কোন

দিনা উৰি যায় তাৰ উন্নাদিহ নাই। জাগীৰোডত যি 'স্পান চিল্কমিল' আছে তাৰো সেই অৱস্থা। অশোক পেপাৰ মিলৰ বিষয়েতো কবই নালাগে। তাৰোপৰি, গুৱাহাটী আৰু তাৰ ওচৰে-পাজৰে যি কেইটা উদ্যোগ যেনে, এভাৰেষ্ট চাইকেল ফেক্টৰীকে আদি কৰি যি কেইটা উদ্যোগ আছে সেই কেইটা উদ্যোগো আজি মৰিছে। জীৱিত হোৱাৰ আশা কোনো পধোই নাই। আমাৰ চৰকাৰৰ এইটো কৰ্ত্তব্য আছিল যে, অসমত উদ্যোগ বিলাক এইদৰে মৰাৰ কাৰণ কি? অসমৰ উদ্যোগ বিলাক বিকাশ নোহোৱাৰ কাৰণ কি? যদি অনুসন্ধানৰ পিছত এইটো পোৱা যায় যে, এই উদ্যোগ বিলাক মৰাৰ একমাত্ৰ কাৰণ হৈছে অৰ্থ তেতিয়াহলে, তাৰ কাৰণে প্ৰচুৰ অৰ্থৰ যোগান আমি ধৰিব লাগিব। যদি কোৱা যায় যে, অসমত উদ্যোগ বিলাক মৰাৰ বা বিকাশ নোহোৱাত আচল অন্তৰায় হৈছে, কেঁচামাল তেতিয়াহলে, আজি ইয়াত যিখন বিল উত্থাপন কৰা হৈছে সেইখন আমি যুক্তিসঙ্গত বুলি মানি লম। আমি প্ৰথমতে এইটো বাহিৰ কৰি উলিয়াব লাগিব যে, অসমত উদ্যোগৰ অন্তৰায় ক'ত? আমি বিচাৰি উলিয়াব লাগিব কি কি কাৰণত অসমৰ উদ্যোগ এটাৰ পিছত এটাকৈ ধ্বংশপ্ৰাপ্ত হব ধৰিছে। এই বিলাক চিন্তা-ভাৱনা কৰাৰ পিছত যদি উদ্ভাৱন কৰিব পাৰে যে, এইবিলাক কাৰণতে উদ্যোগ বিলাক মৰিছে তেতিয়াহলে, অসমৰ উদ্যোগিক বিকাশৰ কাৰণে যি বিলেই সদনলৈ নানক তাকেই আমি সমৰ্থন কৰিম। যদি কোৱা হয় যে, কেঁচামালৰ অভাৱৰ কাৰণেই উদ্যোগ বিলাক নহয় তেতিয়াহলে, তাৰ কাৰণে কৰ মাফ দিবলগীয়া হলেও আমি দিবলৈ প্ৰস্তুত। কিন্তু আমাৰ চৰকাৰে কোনো কাৰণেই বাহিৰ নকৰাকৈ বা অনুসন্ধান নকৰাকৈ এই বিলখন অনাৰ কাৰণে আমি বিৰোধীতা কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন অনাৰ ভিতৰুৱা কিছুমান কাৰণ আছে। কোনো ব্যক্তিগত মানুহৰ স্বাৰ্থ পূৰণৰ কাৰণেই এই বিলখন অনা বুলি আমাৰ ধাৰণা হৈছে। আমাৰ সন্দেহ হৈছে, ১৯৮২ চনৰ ১৫ অক্টোবৰ তাৰিখটো কিয় ধৰা হ'ল? কোনোবা এজন ভাগ্যৱান নিশ্চয় থাকিব লাগিব। আজি অসমৰ অসম গণপৰিষদ চৰকাৰটো ক্ষমতাত অধিষ্ঠিত হৈছিল ১৯৭৫ চনৰ ২৪ ডিচেম্বৰ তাৰিখে। সেই দিনটোৱেই যদি এই বিলখনৰ কাৰণে ধৰিলোহেঁতেন তেতিয়াহলে, আমি এইটোকে ধৰিলোহেঁতেন যে, অসম গণপৰিষদ চৰকাৰটোৰ স্মৃতিতে কৰ মাফ দিবলৈ এই বিলখন অনা হৈছে। কিন্তু সেইটোও কৰা হোৱা নাই। ১৯৮২ চনৰ ১৫ অক্টোবৰ তাৰিখটো ধৰি লোৱা হল কোনোবা এজন ভাগ্যবানক আৰু অধিক ভাগ্যবান কৰি তোলাৰ কাৰণে। কোনোবা ভাগ্যবানে এই উদ্যোগ কৰিছে।

গতিকে এই বিলাক আমাৰ চকুৰ আগতে হৈছে। সেয়ে এই বিলাক যদি চিন্তা ভাবনা কৰি এই কাৰণতেই হৈছে বুলি কয় তেতিয়া হলে মোৰ আপত্তি নাই। কেচা মালৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱাৰ কাৰণেই যদি উদ্যোগৰ বিকাশ হোৱা নাই বুলি কয় আৰু তাৰ কাৰণেই কৰ মাফ দিব লাগে বুলি কয়, সেইটো বেলেগ কথা। এই কথা কিন্তু আগৰ কোনো চৰকাৰেই কোৱা নাই। এই বিলাক কাৰণতে মই এইখনৰ বিৰোধীতা কৰিছো। মোৰ এনেকুৱা অনুমান হৈছে যে যেন কাৰোবাৰ ব্যক্তিগত স্বাৰ্থৰ কাৰণেই এই বিলখন অনা হৈছে। নহলে ১৯৮২ চনৰ ১৫ অক্টোবৰ তাৰিখটো কিয় ধৰি দিব? নিশ্চয় সেই তাৰিখত কোনোবা ভাগ্যবান থাকিব পাৰে। এইটো যদি এই চৰকাৰ প্ৰতিষ্ঠা হোৱা দিনৰে পৰা হোৱা হলেও আমাৰ কবলগীয়া একো নাছিল। কিন্তু ১৯৮২ চনৰ ১৫ অক্টোবৰ তাৰিখটো কিয় ধৰিলে? কোন ভাগ্যবানক আমি এই টকা দিবলগীয়া হৈছো? কংগ্ৰেছ চৰকাৰক আপোনালোকে মুখেৰে গালি পাৰিলেও এইটো কথা থিক যে ভিতৰি ভিতৰি কৰা কাম বিলাকৰ প্ৰতি আপোনালোকৰ বেঠা আছে। অধ্যক্ষ মহোদয়, এই সময়ছোৱাৰ ভিতৰত যি বিলাক উদ্যোগে কেচা মাল আনিছে তেওঁলোকক টকা ঘূৰাই দিব লাগে বুলি যি বিল আনিছে সেই বিল মই কিয় সমৰ্থন কৰিম? কোনোবা ভাগ্যবানক টকা ঘূৰাই দিয়াৰ কাৰণে এই বিল অনা হৈছে। ইয়াৰ পৃষ্ঠা ৪, চেপ্তাৰ ২, ক্লজ ৩........provided that where tax has been paid under any sales tax law in respect of any goods sold to or, as the case may be, purchased by any person during the period from the 15th day of October, 1982 to the commencement of this Act, such tax shall be re-imbursed to such person," খেলটো জমি আছে। এতিয়া নগদ টকা ভৰালৰ পৰা দিবলৈ ওলাইছে কোনোবা উদোগপতিক। এইটো সকলোৱে জানে যে ভাৰতবৰ্ষ চলি আছে বৃহৎ উদ্যোগপতি সকলৰ স্বাৰ্থত। আপোনালোকো যে উদ্যোগ পতিৰ স্বাৰ্থত চলিছে আজিহে গম পালো। অসম গণপৰিষদ চৰকাৰ উদ্যোগপতিৰ স্বাৰ্থত চলিছে। এইটো অতি দুখ লগা কথা। উদ্যোগপতিক পইছা ঘূৰাই দিব অসমৰ ৰাজভৰালৰ পৰা তাৰ কাৰণে আজি বিল আনিছে। ইয়াৰ কাৰণে টেক্স সংশোধন কৰিব বিচাৰিছে। এই বিলত দুটা ভাগ আছে। এই বিলাক কাৰ স্বাৰ্থত কৰিছে? অসমীয়া মানুহৰ স্বাৰ্থত নিশ্চয় এইখিনি কৰা নাই। দিল্লীয়ে যেনেকৈ কমপেনচেচনৰ পিচত কমপেনচেচন দিছে সেই দৰে আমাৰ ইয়াটো কৰিব বিচাৰিছে। অসমৰ দুখীয়া জনসাধাৰণৰ পৰা সংগৃহিত ধন পুঁজিপতিক ফিৰাই দিব। মই

আশা কৰো আপোনালোকে এই পৰোচনাত ভৰি নিদিব। আৰু যদি ভৰি দিয়েও অসমৰ মানুহ চকুমুদি বহি নাথাকে। মই এইখিনিকে অনুৰোধ কৰিছো যে এই বিল প্ৰত্যাহাৰ কৰক। মই সবান্তঃকৰণেৰে, সৰ্বশক্তিৰে এই বিলৰ বিৰোধীতা কৰিম।

শ্ৰীদেব কুমাৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, আজি অসম গণ পৰিষদ চৰকাৰৰ দ্বাৰা উত্থাপিত হোৱা The Assam Industries (Sales Tax Concession) Bill, 1986 এই বিলখন সম্পূৰ্ণ ভাবে সমৰ্থন জনাই মই দুআষাৰ কব বিচাৰিছো।

প্ৰথমতে, অৰ্থনৈতিক ভাবে অসমৰ এক প্ৰগতিৰ আমাৰ প্ৰয়োজন হৈছে। এই প্ৰগতি বিভিন্ন দিশেৰে চাব লাগিব। কৃষিৰ ক্ষেত্ৰত যেনেকৈ চাব লাগিব সেইদৰে উদ্যোগৰ ক্ষেত্ৰটো চাব লাগিব। কৃষি আৰু উদ্যোগৰ জৰিয়তেই আমাৰ অসমৰ নিবনুৱা সমস্যা সমাধান কৰিব লাগিব। আৰু সেই কাৰণেই অসমৰ উদ্যোগীকৰণৰ ক্ষেত্ৰত অসম চৰকাৰে অনা এই বিলৰ জৰিয়তে নতুন নতুন উদ্যোগী সকলক প্ৰেৰণা দিব খোজা হৈছে।

অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষত বৰ্ত্তমান উদ্যোগৰ ক্ষেত্ৰত এটা ৰাষ্ট্ৰীয় সমস্যা দেখা গৈছে। সেইটো হৈছে ইনড্ৰাচট্ৰিয়েল চিকনেচ। এই বেমাৰ ইতিমধ্যে অসমতো হৈছে। সেই কাৰণেই নতুন নতুন যি বিলাক উদ্যোগী আহিছে সেই সকলে শক্তিশালী ভাবে আগবাঢ়িব পৰা নাই। সেই কাৰণেই উদ্যোগীকৰণৰ ক্ষেত্ৰত বৰ্ত্তমানলৈকে থকা ব্যৱস্থা সমূহ সম্পূৰ্ণ ভাবে টনকীয়াল কৰি উদ্যোগীক পৰিবৰ্ত্তন আনিব পৰা নাই। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ অহাৰ সময়ত গুৱাহাটীৰ ইনড্ৰাচট্ৰিয়েল ষ্টেটত ২১ টা চিক উদ্যোগ আছিল। সেইদৰে অসমৰ বিভিন্ন জিলাটো বহু সংখ্যক চিক উদ্যোগ আছিল। এই উদ্যোগীক চিকনেচৰ ওপৰত বহুতো চেমিনাৰ আদি হৈছিল। তাত বহুতো বিশেষজ্ঞই আলোচনা সমালোচনা কৰি পৰামৰ্শ আগবঢ়াইছিল আৰু সেইবিলাক পৰামৰ্শৰ বহুতো অনুমোদিত হৈ আছে। সেই পৰামৰ্শ সমূহৰ ভিতৰত আছে sales tax concessions to new industries আৰু সেই বাবেই এজন উদ্যোগীয়ে এটা উদ্যোগ প্ৰতিষ্ঠা কৰাৰ পৰা নতুন উদ্যোগটো পৰিকল্পিত ভাবে প্ৰতিষ্ঠা কৰি অৰ্থনৈতিক ভাবে লাভবান হোৱালৈকে এই সময়চোৱাক গেচটেচন বুলি কয়। উদ্যোগ প্ৰতিষ্ঠা কৰাৰ প্ৰথম ৫ বছৰক গেচটেচন পেৰিয়ড বুলি কয়।

এই গেচটেচন পিৰিয়ডত ইণ্ডাষ্ট্ৰীটো প্লেনিং ষ্টেজত থাকে। কোনো ইণ্ডাষ্ট্ৰিৰ লাভ নহয়। গতিকে এই ৫ বছৰৰ ভিতৰত উদ্যোগটো যাতে আৰ্থিক ভাবে উন্নত হব পাৰে তাৰ কাৰণে সুবিধা দিয়া হৈছে আৰু এই ৫ বছৰৰ

সময় খিনিত গেছট্ৰেচন পিৰিয়দ বুলি কোৱা হৈছে। তেওঁলোকক সহায় কৰিবৰ কাৰণে আৰু উৎপাদন বঢ়াবৰ কাৰণে কৰ ৰেহাই দিব খোজা হৈছে। এইটো প্ৰসংশনীয় কাম হব যদি কটকটীয়া কৰা যায়। এই ব্যৱস্থা সমূহত যাতে কেৰোণ নধৰে তাৰ প্ৰতি চৰকাৰ সজাগ থাকি কেতবোৰ কঠোৰ নিৰ্দেশনামা লগত ৰাখিব লাগিব। ১৯৮২ চনৰ পৰা এচ, এচ, আই ইউ-নিট ৰেজিষ্ট্ৰেচন কৰি কামত আগবাঢ়িছিল আৰু সেই বিলাক পিচত বেচি ভাগেই চিকনেচ হৈ আছে। এই সময় চোৱাৰ পৰা এই উদ্যোগ সমূহক চিকনেচৰ এটা ৰিলিফ দিব খোজা হৈছে যাতে বন্ধ হৈ যাব খোজা উদ্যোগ সমূহৰ উন্নতি সাধিব পৰা যায়। তাৰওপৰি আৰু এটা ভাল কথা আছে যে ইণ্ডাষ্ট্ৰি ইউনিট ১৯৮২ চনৰ পৰা ১৯৯০ চনৰ ভিতৰত অসমত স্থাপন কৰিছে সেই বিলাকক ৫ বছৰৰ কাৰণে প্ৰতিষ্ঠা কৰা দিনৰে পৰা বিক্ৰিকৰ ৰেহাই পাব যদি শতকৰা ৮০ ভাগ স্থানীয় যুৱকক চাকৰি দিয়া হৈছে বুলি প্ৰমান-পত্ৰ দিব পাৰে। ইতিমধ্যে চিঞৰ-বাখৰ কৰি থকা হৈছে যে সকলো প্ৰতি-স্থানত শতকৰা ৮০ ৰ পৰা ১০০ ভাগ থলুৱা লোকক নিযুক্তি দিব লাগে। ইয়াৰ আগতে এই বাধ্যবাধকতা সমূহ আইন সমূহত সুমুৱা নাছিল। বৰ্ত্তমানে ইয়াৰ যোগেদি বান্ধোনৰ মাজলৈ আনিব খোজা হৈছে। এই ক্ষেত্ৰত এনে-ধৰণৰ কটকটীয়া ব্যৱস্থা আনিবৰ কাৰণে সকলোৱে সমৰ্থন জনাব লাগে। ইয়াৰ ওপৰি এই বিষয় বিলাকৰ যোগেদিহে ইণ্ডাষ্ট্ৰীয়েল চিকনেচ নাইকীয়া কৰিব পৰা হব। ভৱিষ্যতে উদ্যোগীকৰণৰ ক্ষেত্ৰত অধিক শক্তিশালীভাৱে আগবাঢি আহিবৰ কাৰণে উদগনিমূলক ভাবে কেতবোৰ ৰেহাই দিয়াৰ অতি প্ৰয়োজন হৈ পৰিছে। সেই কাৰণে এই বিল খনৰ যুক্তি যুক্ততা সকলো ফালৰ পৰা প্ৰতিপন্ন কৰা যি খিনি কথা আছে তাক সন্নিবিষ্ট কৰা আছে। সেই কাৰণে বিলখনৰ প্ৰতি সমৰ্থন জনাই বক্তৃতা সামৰণি মাৰিলোঁ।

শ্ৰীকুমাৰ দীপক দাস—মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৬ চনৰ অসম উদ্যোগ বিক্ৰিকৰ ৰেহাই যি বিধেয়ক আগবঢ়াইছে মই তাৰ প্ৰতি সমৰ্থন জনাইছো। ইয়ে আমাৰ থলুৱা উদ্যোগিক যুৱকক এটা নতুন উৎসাহ আৰু প্ৰেৰণা যোগাব; ইয়াৰ ভৱিষ্যতে উদ্যোগিকৰণৰ ক্ষেত্ৰত এটা নতুন যুগৰ সূচনাৰ প্ৰয়াস কৰা হৈছে। এইটো এ, জি. পি, চৰকাৰৰ কাৰণে আৰু জনসাধাৰণৰ কাৰণে এটা উল্লেখযোগ্য দিশ বুলি বিবেচনা কৰিছো। এই বিলখনৰ বিৰো-ধীতা কৰি এজন মাননীয় সদস্যই কৈছে যে পুঁজিপতি সকলৰ সমৰ্থনৰ কাৰণে এই বিলখন অনা হৈছে। মই বুজি নাপালো অসমত পুঁজিপতি কোন আৰু কিমান আছে এই সম্পৰ্কত সদস্য গৰাকীয়ে বোধহয় নাজানে। পুঁজি নোহো-ৱাকৈ কোনোবাই উদ্যোগ কৰিব পাৰে নেকি ? এই সম্পৰ্কত সম্যক জ্ঞান

নাই বুলিয়েই ভাৱো। ইয়াত কোৱা হৈছে যে ১৯৮২ চনৰ পৰা ১৯৯০ চনৰ ভিতৰত নতুনকৈ স্থাপন কৰা উদ্যোগত শতকৰা ৮০ ভাগ থলুৱা যুৱকক চাকৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। গতিকে এইটো এটা বৰ গুৰুত্বপূৰ্ণ কথা। আমি দেখিছো যে অসমত বাহিৰৰ পৰা মানুহ আহি চাকৰি কৰিছে। আনহাতেদি আমাৰ থলুৱা যুৱক চাকৰিৰ অভাৱত হাবাথুৰী খাই থাকিব লগা হৈছে। এনে পৰিস্থিতি আমাৰ নিয়ন্ত্ৰণত আনিব লাগে। গতিকে কি উদ্দেশ্যত বিলখনৰ বিৰোধীতা কৰিছে। বাহিৰৰ পৰা মানুহ আহি থাকক আৰু থলুৱা মানুহ বঞ্চিত হৈ থাকক এইটোৱেই ইয়াৰ উদ্দেশ্য হয় তেনেহলে তাৰ তীব্ৰ বিৰোধীতা কৰো আৰু কৰি থাকিম। এই বিলখনৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীসহীদুল ইচলাম—অধ্যক্ষ মহোদয়, যিখন বিল আজি উত্থাপন কৰা হৈছে, তাৰ মই বিৰোধীতা কৰি দু-আষাৰ কব বিচাৰিছো। এই বিলখন পুঁজিপতিৰ স্বাৰ্থৰ কাৰণে অনা হৈছে। ইয়াক অসমৰ নিপীড়িত, দলিত, নিষ্পেষিত জনতাই কেতিয়াও সমৰ্থন কৰিব নোৱাৰে। অসমৰ শতকৰা ৯০ জন দুখীয়া খেতিয়কৰ ল'ৰাক পুঁজিপতিৰ হাতত পুতলাৰ দৰে খেলি থাকিবৰ ব্যৱস্থা কৰা হৈছে। এই যুৱক সকল পুঁজিপতিৰ কৱলৰ পৰা উদ্ধাৰ পাব বুলি নাভাৱো। ল'ৰাক চাকৰি দিয়াৰ, কৰ ৰেহাই দিয়াৰ যিটো কথা কৈছে সেইটো অমূলক কথা। যদি চৰকাৰৰ সৎ সাহস থাকে তেন্তে ৰেহাই নিদিয়াকৈ চাকৰি দিব লাগিব। পৃথিৱীত তিনিটা বস্তুৰ প্ৰতি ভয় হৈছে। সেই কেইটা হ'ল এটমিক এনাৰজি, জন্মৰ উৰ্দ্ধ গতি আৰু উদোগ। এই তিনিটা বস্তুৰ পৰা বিপদ, সংকট আহি পৰিছে আৰু তাৰ পৰা ৰক্ষা কৰিবৰ কাৰণে ক্ষুদ্ৰ উদ্যোগৰ প্ৰয়োজন বুলি মহামানৱ মহাত্মা গান্ধীয়ে কৈছিল। এই ক্ষুদ্ৰ উদ্যোগৰ দ্বাৰাহে ভাৰতৰ স্বাৰ্থ ৰক্ষা হব। বৃহৎ উদ্যোগৰ জড়িয়তে মানুহ অকামিলা হৈ পৰিব। মানুহ অকামিলা হৈ গলে বিদ্ৰোহ বেছি কৰিব। ক্ষুদ্ৰ উদ্যোগ যাতে নিজৰ হাতত থাকে আৰু দুখীয়া মানুহৰ সহায়ক হয় তাৰ বাবে ক্ষুদ্ৰ উদ্যোগত আগবাঢ়ি যাবৰ কাৰণে মহাত্মা গান্ধীয়ে ক্ষুদ্ৰ উদ্যোগৰ আদৰ্শ দাঙি ধৰিছিল। পৃথিবীৰ এই তিনিটা সংকটৰ পৰা ৰক্ষা পাবৰ কাৰণে ৰাষ্ট্ৰ সংঘই নীতি কৰিছে। ইয়ো এটা তাৰে অপৰিহাৰ্য্য অংগ। কৰ ৰেহাই দিয়াত অসমীয়া যুৱকক চাকৰী দিব সেইটো নহয়। তেওঁলোকৰ ওচৰত চাৰেওৱাৰহে কৰা হব। অসমত যি কেইটা উদ্যোগ আছে তাৰ ভিতৰত স্পানচিল্ক মিল জাগীৰোড, সুদক্ষ বিষয়া শ্ৰীজ্যোতি প্ৰসাদ ৰাজখোৱাৰ দিনত লাভ হৈছিল। এনে ধৰণৰ সুদক্ষ বিষয়াৰ পৰিচালনাত ক্ষুদ্ৰ উদ্যোগৰ নিশ্চয় লাভ হব আৰু শতকৰা ৮০ ভাগ থলুৱা ল'ৰাই নিযুক্তি পাব। সেই কাৰণে এই বিলখনৰ

বিৰোধীতা কৰিছো। অতি দুখলগা কথা যে পুঁজিপতিক কৰ ৰেহাই দি চাকৰীৰ কাৰণে ভিক্ষা কৰিব নোখোজো। এইখিনিকে কৈ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীগোলোক ৰাজবংশী—মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনৰ সম্পৰ্কত এটা স্পষ্টিকৰণ বিচাৰিব খুজিছো। প্ৰথম কথা হ'ল প্ৰটেকচন শিল্প নীতিত আছে কিন্তু বিলখনৰ জৰিয়তে ৰেট্ৰচপেকটিভ এফেক্ট দিয়াৰ ক্ষেত্ৰত আৰু থলুৱা মানুহৰ নিয়োগৰ যিটো কথা কৈছে সেই সম্পৰ্কত কিমান দূৰ লাভৱান হব সন্দেহ। বাগানকে ইণ্ডাষ্ট্ৰী হিচাবে যদি ধৰা যায় আৰু বাগানৰ মজদুৰক থলুৱা বুলি ধৰা যায় তেনেহলে বাগান বিলাকে এই কৰ ৰেহাই সুবিধা পাব। ইয়াৰ পাচত যদি কিবা কৰে কবলগীয়া নাই। ১৯৮২ চনৰ পৰা এতিয়ালৈকে যিবিলাক বাগান হস্তান্তৰ হ'ল আৰু তাক যি সকলে কিনিছে তেওঁলোকৰে লাভ হব। উদাহৰণ স্বৰূপে বোকাখাট শাওতলি বাগান বিক্ৰী হৈছে ২ কোটি ২০ লাখ টকাত। এতিয়া ১৯৮২ চনৰ পৰা যদি কৰ ৰেহাই দিয়া হয় তেনেহলে কিনোতাজন লাভৱান হব। যি সকলে যোৱা ৫ বছৰে ট্ৰেনজেকচন কৰিছে তেওঁলোকৰ ক্ষেত্ৰত কি হব মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো।

Shri Ardhendu Kumar Dey—Mr. Speaker, Sir, on the Assam Industries (Sales Tax Concessions) Bill, 1986 I submitted an amendment but my bad luck is that this has not come before the House. perhaps that was not approved. My amendment was on Chapter II in the proviso in the third line it has been mentioned that "purchased by any person during the period from the 15th day of October, 1982". The same thing was referred by Hon'ble Member Shri Hemen Das and he has justifiably pointed out that, why the exemption of sales tax should be from 15th day of October, 1982. In respect of this Hon'ble Shri Deba Bora told in the House that for 80% of jobs this assurance has been given. Then may I know from the Government whether this will be a reward to those persons who will offer 80% of the jobs in return and those we will offer 80% of the jobs to the local youths, they will be exempted from sales tax? Sir, what is going on in administration?

The Government makes some policy but the advantage of the policy is taken by some officers and some traders. Sir, here is an Audit Report i. e. the report of the Comptroller and Auditor General of India for the year 1984-85. In the chapter 2 it is Sales Tax-Results of Audit. The audit report has commented that "test check of assessment files, refund records and other connected documents of the Sales Tax Officers, conducted in audit during the year 1984-85, revealed under-assessment of the tax and losses of revenue amounting to Rs. 109·47 lakhs in 177 cases". Out of these 177 cases irregular grant of exemption was 58 and for the irregular grant of exemption the loss was Rs. 42·58 lahks. Sir, if we go through the report we find that loss of revenue is due to non-registration of dealers. If we go to the page 21—"Irregular grant of exemption from tax" we find that some traders had received exemption from Assam and taking advantage of that exemption they had sent the raw materials somewhere outside the State and they have earned huge profits. But the State had incurred a loss of Rs. 42·58 lakhs. Sir, my point of discussion is that while at the time of amending the rules we must see that nobody takes the advantage from this. Sir, why the Government should give exemption from 15th of October, 1982 ? What is the reason behind this ? Government must come out with a clear cut picture on this aspect. Sir, the Bill has been placed before the House to-day i. e. the 17th December, 1986 for the consideration and if exemption is to be given it should be given from to-day onwards. With these words Sir, I conclude.

শ্ৰীজয়নাথ শৰ্মা—মাননীয় উপাধ্যক্ষ মহোদয়, আজি যিথন বিল আমাৰ উত্থাপন কৰা হৈছে সেই বিল সমৰ্থন কৰি মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। অসমত ইণ্ডাষ্ট্ৰী কৰিবলৈ হলে আমি ভালেমান সা-সুবিধা আগবঢ়াব লাগিব। সেই সকল পুঁজিপতি হওক বা সৰ্বহাৰাই হওক। উদ্যোগ কৰিবলৈ

হলে যিখিনি সা-সুবিধা সেইখিনি চৰকাৰৰ পক্ষৰ পৰা মেক্সিমাম লিমিটত দিব লাগে। এই বিলখনত দুটা ভাগ আছে। এটা হৈছে চৰকাৰৰ কিছু ৰাজহ হেৰুৱাব আৰু থলুৱা নিবনুৱা লোকক এটা নিৰ্দিষ্ট দিশত, এটা নিৰ্দিষ্ট হাৰত নিয়োগ কৰাৰ কাৰণে পুঁজিপতি সকলৰ ওপৰত হেঁচা দিব পাৰিব। চৰকাৰে এই বিলৰ জৰিয়তে ইনচেনটিভ দিবনে? আৰু এটা কথা অসমৰ খিলঞ্জীয়া লোক সকলক পোনপটীয়া ভাবে নিয়োগ কৰাৰ কাৰণে ৰাইজে দাবী কৰিছে যে খিলঞ্জীয়া মানুহক শিল্প, উদ্যোগ বা অন্যান্য পটেনচিয়েলিটি থকা দিশত নিযুক্তি দিব লাগে দিয়া নাই। অসমত খিলঞ্জীয়া লোকক, স্থানীয় নিবনুৱাক সুবিধা নিদি অন্যান্য মানুহ আনি ইয়াত সুবিধা দিয়াটো মৌন ষড়যন্ত্ৰ স্বাধীনতাৰ পিচৰ পৰাই অবিৰত ভাবে চলি আছে। কিন্তু বাধা কৰাৰ আগতে চৰকাৰে উদ্যোগপতি সকলক সুবিধাও দিব লাগিব। এতিয়া নতুন উদ্যোগ পলিচিৰ লগত এই বিলখনৰ সামঞ্জস্য থকাৰ নিচিনা লাগিছে। মই আশা কৰিছো যে, আৰু কওঁ যে, ৮০ পাৰচেণ্ট সম্পৰ্কত মই একমত হব পৰা নাই, এইটো ১০০ পাৰচেণ্ট হব লাগিছিল গতিকে মই এই বিলত প্ৰভিজনেলী সমৰ্থন দিছো। কিন্তু এই ৮০ পাৰচেণ্টৰ যাতে ১ পাৰ-চেণ্টো কমিব নোৱাৰে তাৰ কাৰণে চৰকাৰে চোকা নজৰ ৰাখিব লাগিব। আগৰ দিনত উদ্যোগপতি সকলক লাইচেন্স দিয়া হৈছিল। কাৰণ উদ্যোগ কৰিবলৈ অসমীয়া মানুহ আগবাঢ়ি অহা নাছিল। এবটল মদৰ বিনিময়ত এখন লাই-চেন্স দিয়াৰ কথাটো কোনেও নুই কৰিব নোৱাৰে। আজি নেচনেল হাইওৱেৰ ফালে চালে দেখিব তাত ডাঙৰ ডাঙৰ ঘৰ আছে। সেই বিলাক মানুহক মাটি কোনে দিলে? চৰকাৰে দিছে। চৰকাৰে কাৰ অনুমোদন লৈছিল? লেণ্ড এদভাইজাৰী বৰ্ডৰ পৰা লৈছে। আৰু তাত আছিল ৰাজনৈতিক নেতা সকল। অসমক বিক্ৰী কৰাৰ ষড়যন্ত্ৰ সেই ৰাজনৈতিক নেতা সকলে চলাই-ছিল। আমি এটা স্বত্ব সাপেক্ষে অসমত উদ্যোগ গঢ়াৰ বাবে, উদ্যোগৰ বুনিয়াদ গঠন কৰাৰ বাবে এই বিলখন দেখা দেখিকৈ আনিছো। দৃঢ়তাৰে আৰু সাহসেৰে এই বিল অনাৰ বাবে মই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক ধন্য-বাদ জনাইছো, গণপৰিষদ চৰকাৰক ধন্যবাদ জনাইছো। আজি এই বিলৰ বিৰোধীতা কৰা মানে অসমত গঢ়ি উঠিব খোজা শিল্প বিলাক, উদ্যোগ বিলাকত অসমীয়া মানুহক নিয়োগৰ পৰা বঞ্চিত কৰা। আইনগত ভাবে ইয়াত দিয়া কথা নিশ্চয় প্ৰশাসনীয় কথা হব। ৰুল হব। ৰুল এক্সিকিউচন কৰোতে যাতে মিচ ইউজ নহয় তাৰ বাবে চৰকাৰে দৃষ্টি দিব লাগিব। প্ৰত্যেক পইচাৰ বিনিময়ত এজন কৈ ডেকা ল'ৰাই নিযুক্তি পাব লাগিব। যিখিনি পইচা লোকচান হব তাত আমি অন্য দিশত উপকৃত হোৱাৰ ব্যৱস্থা কৰিব

লাগিব। আৰু সেই ব্যৱস্থা হৈছে এজন নিবনুৱা যুৱকক নিয়োগ কৰা। কৰ্মসংস্থাপন দিয়া। আজি অসমৰ যি শিক্ষানীতি সেই নীতিৰ ব্যৱহাৰ কৰিবলৈ শিকা নাই। উদ্যোগৰ কথা বাদেই দিছো। উদ্যোগ কেনেকৈ কৰিব লাগে সেই বিষয়ে শিক্ষা দিয়া নাই। বেপাৰ কৰিবলৈ শিক্ষা দিয়া নাই। আজি অসমত বাণিজ্য শিক্ষা দিয়াৰ বাবে যিদৰে জোৰ দিব লাগিছিল সেইদৰে দিয়া নাই। আমাৰ শিক্ষিত যুৱক-যুৱতী সকল বেপাৰ, বাণিজ্য, শিল্প, উদ্যোগ আদিত আগবাঢ়ি অহা নাই। মই এইখিনিতে এটা উদাহৰণ দিব বিচাৰিছো যে, অসমত যিমান উদ্যোগ আছে এই উদ্যোগ সমূহত মেনেজাৰৰ কেদাৰত ক'ত অসমীয়া মানুহ আছে। চৰকাৰৰ যিবিলাক উদ্যোগ আছে সেইবিলাকৰ এম. দি সকল আই, এ, এচ বা এ, চি, এচ পৰা নিয়োগ কৰা হয়। এম, দি হৈ ১ বছৰ বা ডেৰ বছৰ থাকি লণ্ডন বা ওৱাচিংটনত হাই ট্ৰেইনিং লৈ আহি বদলি হৈ যাব খোজে। ইয়াৰ মূল তত্ব হল যে, এটা উদোগ কেনেকৈ মেনেজ কৰিব লাগিব, সেইসকলক আমি কি সুবিধা দিব লাগিব, এই সম্পৰ্কে আমাৰ ৰাজনৈতিক বিশ্লেষণ নাছিল। এইবিলাকৰ কাৰণেই আমি উদোগৰ ক্ষেত্ৰত ইমান পিচপৰি আছো। উদ্যোগ পুঁজিপতিয়ে কৰিব, ফাচী বজাৰৰ ফুট পাথত বহি থকা ভিক্ষাৰীয়ে কৰিবলৈ নাহে। পুঁজি-পতি সকলে কৰা উদ্যোগৰ এ, বি, চি, দি চাই আমাৰ খিলঞ্জীয়া লোক সকলো আগবাঢ়ি যাব লাগিব। আজি আমি পুঁজিপতি সকলক অসমৰ পৰা একে-বাৰে আঁতৰ কৰিব নোৱাৰো। তাৰ বাবে আমি দীৰ্ঘদিনীয়া আঁচনি লব লাগিব। আজি সেইটো চি, পি, এমে পশ্চিমবঙ্গত কৰা নাই আৰু ভৱিষ্যতে কৰিবলৈ কোনো পৰামৰ্শ দিয়া নাই। বাতৰি কাকতত লোকসভাৰ প্ৰচিদিংচ পঢ়িছো, ৰেডিঅ'ত আৰু টি, ভিটো শুনিছো কিন্তু সৰ্বভাৰতীয় দিশত পুঁজিপতি সকলক আঁতৰ কৰাটো সন্তৱ চি, পি, এম বা মাৰ্ক্সবাদী দলে আগবঢ়োৱা নাই। অসমৰ মানুহে সুবিধা অসমতে পাব লাগিব। অসমৰ মানুহে অসমত সুবিধা নাপালে পশ্চিমবংগত পাবনে? আজি অসমৰ ডেকা ল'ৰা বিলাক উদ্যগৰ প্ৰতি আকৰ্ষিত নোহোৱা বাবেই, তেওঁলোকক আকৰ্ষণ কৰাৰ বাবে এই বিলৰ প্ৰয়োজন আছে।

এই ৰেট আৰু মানুহৰ লগত যদি কাৰোবাৰ স্বাৰ্থ জড়িত আছে তাত মই একমত হব নোৱাৰোঁ, মই কিয় স্বয়ং মুখ্যমন্ত্ৰী মহোদয়ো একমত হব নোৱাৰে। নিশ্চয় চৰকাৰৰ হাতত এই ৰেটৰ যুক্তি আছে। আজি ইণ্ডাষ্ট্ৰীয়েল পলিচি কি হৈছে, তাৰ লগত সামঞ্জস্য আছে নেকি তাক চালি জাৰি চাব লাগিব। ইয়াৰ দ্বাৰা এজন মানুহৰো কিবা উপকাৰ কৰা হব নেকি, সাধাৰণ সংশোধনৰ দ্বাৰা আমি নিশ্চয় কিবা সলনি কৰিব পাৰোঁ। কিন্তু

হোৱাট ইজ দ্যা স্পিৰিট অৱ দা বিল ? এই বিলখনৰ স্পিৰিট কি ? দেখ দেখকৈ ওলাই পৰিছে অসমৰ মানুহে অধিক ভাবে শিল্পৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিব পৰা নাই। অসমত যাতে ইণ্ডাষ্ট্ৰীয়েল গ্ৰ'থ দ্ৰুতগতিত হয় সেই উদ্দেশ্য লৈ এই বিলখন দিছে। মই আশা ৰাখিছোঁ এই বিলখনৰ জড়িয়তে অসম শিল্প ক্ষেত্ৰত সৰ্বাঙ্গীন উন্নতিৰ পথত আগবাঢ়ি যাওক আৰু এটা ইণ্ডাষ্ট্ৰিয়েল গ্ৰথৰ কাৰণে অসমত এটা সুন্দৰ বুনিয়াদ গঢ়ি উঠক।

শ্ৰীআব্দুল হামিদ—মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ অসম বিধান সভাত আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে যিখন বিল উত্থাপন কৰিছে এই বিলখন যদিও আমি সমৰ্থন কৰিব লাগে কিন্তু কেইটামান কথাৰ কাৰণে এই বিলখন আমি সমৰ্থন কৰিব নোৱাৰো। প্ৰথমতে এই বিলখনৰ যিটো ফিনানচিয়েল মেমৰেন্দাম উল্লেখ কৰিছে সেইটো হৈছে বেংকৰ পৰা বছৰি আমি ১ কোটি টকা ক্ষতিপূৰণ বা টেক্স নাপাম আৰু এই টকাটো, আমাৰ বাজাৰ পৰা দিব লাগিব। আচল কথা হ'ল ১৯৮২ চনৰ পৰা যি খিনি টকা ৰেহাই দিয়াৰ কথা উঠিছে সেইটোত আমি আপত্তি কৰিবলগীয়া আছে। ইয়াত যদি এটা কথা উল্লেখ থাকিলেহেতেন যে কেইটা শিল্পৰ কাৰণে কিমান টকা দিব লাগিব তেতিয়া এটা বিশেষ ধাৰণা আমাৰ থাকিলহেতেন।

দ্বিতীয়তে আৰু এটা কথা হৈছে—This is not the correct statement given in the Financial statement of the Bill. আৰু কৈছে যে ইয়াত আজি আমি যিটো দেখিবলৈ পাইছোঁ যে ১৯৮২ চনৰ পৰা যদি বিক্ৰীকৰ ৰেহাই দিব লাগে তেতিয়া কোন কমিশানত দিয়া হব আৰু অফিচাৰ সকলে কি বুজি বনাব এই আচল কথাবিলাক যদি থাকিলহেতেন তেতিয়াও বেলেগ কথা আছিল। এই বিলখনৰ জড়িয়তে অসমত শিল্পানুয়ণ কৰাৰ কথা চিন্তা কৰা হৈছে আৰু কৰা হব। কিন্তু এই খিনিতে এটা কথা চিন্তা কৰিব লাগিব যদি বাহিৰৰ কোনোবা শিল্পপতিয়ে অসমত শিল্প স্থাপন কৰে তাত আমাৰ এটা চৰ্ত দিব লাগিব—সেইটো হৈছে আমাৰ অসমৰ এশ ভাগলোকক তেওঁলোকে নিয়োজিত কৰিব লাগিব। ইমান দিনে এটা কথা কোৱা হৈছে যে—80% other people, industrialists or capitalists should go from Assam সেই কথাটোৰ কিন্তু একো ব্যাখ্যা নাই। যিটো কথা যোৱা ৬ বছৰে কৈ অহা হৈছিল, কিন্তু আজি তাৰ বিপৰীত হৈছে।

গতিকে এই গোটেই খিনি কথা উল্লেখ কৰিলে দেখা যায় যে এই বিলখনত আমি সমৰ্থন জনাব নোৱাৰোঁ।

Shri Dewan Jo nal Abedin—Hon'ble Mr. Speaker Sir,

it has been explained that the Assam Industries (Sales Tax Concessions) Bill 1986 has been introduced here with a view to give relief to the sick industries of Assam and boost up the newly established industries in the State. Sir, if that is the real purpose of the Bill, we would not have any objection to the Bill because we feel that our State is very backward in industrial development and the process of industrial development should be hastened up by all possible means. With this end in view we have suggested some time back that it is the responsibility primarily of the Governments—specifically the State Government and also the Central Government—to reopen the closed down industries of the State and to see that newer industries are established in the State; but Sir, here the Governments in the State and also at the Centre, as we have seen in many cases, like the re-opening of Ashok Paper Mills and the establishment of the new oil refinery in Assam, have not come forward to share their responsibility. They are more keen to impose the responsibility on the poor people who are very backward and who have no capacity to boost up the industrial growth of the State. In that light if we consider the Bill, then one thing comes out. If the real purpose is to help industrialisation then we should support it, but then the question is who is to take the burden of industrialisation? In my opinion it is the Government and not the people, not a private sector industrialist, because we have seen most of the private sector industries are in bad shape. That is why this is the responsibility the Government in the State and at the Centre, but Sir, here by way of giving fillip to sick industries what has been sought to do is to give relief to some industrialists of Assam, to some capitalists of Assam. Here I object to this Bill mainly because of one factor that here it has been sought to give relief

with retrospective effect from 15th October, 1982.

Now Sir, all of us know that same steps, concessions may be returned to the industrialists to the dealers but should we suppose that the dealers would be generous enough to return the taxes to the customers, never Sir. He has already realised the taxes from all his customers. As a whole, no dealer sales any commodity in the market without realising the taxes from his customers. Now. he has been profitted by getting the taxes from his poor customers and if we propose to give the concessions back to him we are giving him a double benefit. Of course, Sir, I have seen it has been provided in this in this Act that those dealers who have already collected tax from the customers will not be given concessions. It is very much there in the Bill. But Sir, it is a clause. And perhaps that the dealer who has collected taxes from his customers will never return taxes to his customers and by this way or that he will invariably collect the concessions from the Government because we know what our dealers do, how they manage to evade taxes and how they maintain double registers, ledgers and other records to evade taxes. We know how our dealers behave. We know the honesty of our dealers. They are very sincere in evading taxes. So, these dealers will get the concessions from the Government alright, but they will never pay back to their customers. So, this is one reason for which I oppose this Bill, Sir.

Now, this is regarding giving retrospective effect Sir. Now Sir, as regards giving concessions to the new industries which are going to be established or which have been established very recently the provisions are here to give relief to the industries which will be set up upto 1990. Here also the question comes, whom the Govern-

ment want to give relief, to the rich industrialists or the customers, or the poor people of the State. Here Sir, if the Government claim to be a people's Government; If it is so, they should give all relief to the people and not to the industrialists, not to the capitalists. Here, all the relief would be consumed by the industrialists and the people of the State, the poor people of the state will not be benefitted by this Bill at all for whom it is said to be introduced. Sir, this is another reason why I would like to oppose the Bill. The third reason here is that Sir, it has been said in the chapter IV.

Mr. Speaker—Please make your speech brief. Be brief.

Shri Dewan Joinal Abedin—Yes Sir, I am making my speech brief. The third reason here is that Sir, it has been claimed that 80 percent of the employment would be reserved for the local people, the people of the State. Apparently there is nothing objectionable in trying to safeguard the interest of the local people. I am not opposed to this idea, but there is one thing, Sir. This is a legislation and in a legislation you must be very careful. In doing that we must not say that the people of one state of India has no right to get employment in another state. But I support the protection of the rights of the local people. Sir, with these words I would once again like to oppose this Bill as I feel this Bill is going against the interest of the Common people of the state. It is going in the interest of the industrialists, the capitalists of the state and that is why, I would like to oppose the Bill and with these words I would like to conclude.

Shri Charan Narzary—Sir, I have may opinion also.

Mr. Speaker—About this Bill ? Please be brief.

Shri Charan Narzary—Sir, personally this Bill unfor-

tunately has failed to convince me. The Bill appears to be very vague. The Government may have their own view-points in their minds. I have also my own view-points. The Government might be inspired by certain ideas in bringing in this Bill because it has been stated in this Bill that the basic objective of the Bill in just to ensure employment of the indigenous local people in the industries. As has been already discussed in the House, it seems that employment in the industries is being sought in exchange of concessions or whatever it is called. This appears to be very unbecoming or unfair. In fact, what I want to say is that before bringing in this Bill for legislation the Government should have taken steps to open up industries manned by the indigenous people of the state. So far as the industrialists of the outside state are concerned, even without giving them any concession the Government has right and power to ensure employment in those industries. This should have been the position. Now, after the legislation the Government may allow concessions to the industrialists. But the fact remains that the ordinary common people will continue to be squeezed. This squeezing business will never be stopped and and so far as the employment is concerned where is the guarantee ? How do the Government propose to enforce this legislation ? It is a matter to be seen in subsequent years after legislation of this Bill. Sir, I belong to a backward tribal community and I am convinced also from our experiences inspite of the provisions for giving high percentage of employment to the locals, the future of the tribals is uncertain and bleak. There is no guarantee. So, my conscience does not allow me to support this Bill and I am sorry that it will not be possible for us to land our support to this Bill. Thank you, Sir.

Shri A. F. Golam Osmani—Sir, I had to stand up to utter again a word of caution. The meaning of the fiscal policy of the Government is devolved. Sir, it is a serious matter and the consequences will be far-reaching if there is no pragmatic attitude towards the problem the Government is facing. We do admit that industries in Assam suffer from many deficiencies. There is no proper industrial growth. Encouragement and incentive have to be given. But I find that diagnosis is totally wrong. Simply by pumping some money the industries cannot be held or revived or strengthened. We have been told that new Industrial policy will be announced. Whatever policy is announced, we will have to find out the real constraints that are existing. There are so many constraints, Sir, but I feel this type of financial concessions which is of doubtful utility and nature will serve the purpose. Had the Government been pragmatic, if they really wanted to have the industries, their first concern should have been power. Power position is bleak. Nobody would feel encouraged to open industries in Assam if power position continues as such. Our Hon'ble Members know the position in Bongaigaon. The Kapili Project is also being delayed. Had they enquired our Industries Ministry that how much the industry had to pay because of the non-supply of the power. Most of the industrialists, genuine industrialists' complain is that in the State of Assam, in West Bengal and other parts of India the main constrain is supply of power. And you know, Sir, industries are charged at a very high rate. Even when there energy is not supplied, they have to pay a minimum rate. I would have been glad if something had been done in this respect. Sir, so, amongst others, the Ministry in Industries have failed to diagnosis the real constraint—the

growth of Assam's industries.

My second point is very short. There should not be financial recklessness. They are getting money from centre. Plan money is being given by the centre and the centre is insisting on the State share in three successive plans. Sir, Assam could not even to the tune of 30% fulfil its obligation. State had to come at last for rescue. Excise duty, Central Sales Tax—these are all taken away by the Centre and in arbitrary rate it is given back to the State. Assam suffers very much from resources—mineral resources, oil resources. State gets money on revenue account on a very few sources and Sales Tax is one of them. Sir, all emphasis should have been about the realisation of the Sales Tax. One of the scandals in the state administration is about the collection of the Sales Tax. At what rate the dealers, the wholesalers are collecting and at what rate Govt. is collecting from these respective agencies is never brought to light clearly. To what extent it is realised—it has not been made clear to the people of Assam. But whatever is received-it is your resources, it is your state's income. Now, you want to give away a portion of that money to some industries and see the consequences what is their proportion. For about the year 1985-86, if the reimbursement is to be made, obviously it has to be made with reference to the present financial year or next financial year. But if some reference is made to 1982-83, you are inviting the liability of the previous Government for no reason. So, I appeal to the Chief Minister, who is also the Finance Minister to be careful about this type of things where the State earns money this type of rosy picture of getting money, and if it is not clear, Sir, during the next budget session, we will see a monumental deficit in the State Budget, Thank you.

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ( মুখ্যমন্ত্ৰী )—অধ্যক্ষ মহোদয়, এই বিলখনৰ ওপৰত বহু আলোচনা আদি ইতিমধ্যে হৈ গ'ল মই এতিয়া এই বিলখনৰ বিষয়ে অলপ কবলৈ ওলাইছোঁ। ৰাজ্য চৰকাৰে ১৯৬৯ চনতে ঘোষণা কৰা উদ্যোগ নীতিত সন্নিবিষ্ট কৰা হৈছে অন্যান্য বিলৰ ভিতৰত অসমৰ খৰতকীয়া উদ্যোগ বিকাশৰ বাবে বিক্ৰীকৰ ৰেহাইৰ ব্যৱস্থাও আছিল। উপৰোক্ত নীতি কাৰ্য্যকৰী কৰাৰ বাবে ১৯৪৭ চনৰ অসম বিক্ৰীকৰ আইন আৰু ১৯৫৬ চনৰ অসম বিত্ত ( বিক্ৰীকৰ ) আইনত পাচলাখতকৈ অধিক মূলধন নিয়োগ নকৰা ক্ষুদ্ৰ উদ্যোগ গোটসমূহে বিক্ৰীকৰ ৰেহাই পোৱাৰ কেতবোৰ দফা অন্তৰ্ভুক্ত কৰা হৈছিল। আজি এই বিলখনত মাননীয় সদস্য কেইবাগৰাকীয়ে এই সম্পৰ্কত কৈছে যে ১৫-১০-৮২ ৰ পৰা ৩১-৩-৮৫ লৈ এই সময় ছোৱাৰ ভিতৰত চৰকাৰে এটা উদ্যোগ নীতি ঘোষণা কৰিছিল। সেই বিলাকৰ ভিতৰত যি বিলাক উদ্যোগ নীতিৰভিতৰত পৰে সেই বিলাকত বিক্ৰীকৰ ৰেহাই দিয়া হব। এই সম্পৰ্কত মই এটা কথা আজি কব খুজিছোঁ যে উত্তৰ প্ৰদেশৰ এজন মুখ্য সচিব আছিল মই তেখেতৰ নামটো পাহৰিছোঁ, অৱশ্যে তেখেতে এবাৰ এটা আশ্বাস দিছিল আৰু সেই আশ্বাস কাৰ্য্যকৰী নকৰাৰ ফলত ন্যায়ালয়ত বিচাৰ দিওঁতে বিচাৰত ন্যায়াধীশে ৰায় দিছিল যে এখন ৰাজ্যৰ মুখ্য সচিবে কিবা আশ্বাস দিলে সেইটো মানি চলিব লাগিব। এই ক্ষেত্ৰত বিল খনৰ ওপৰত এটা সিদ্ধান্ত লোৱা হৈছে যে ১৫-১০-৮২ তাৰিখৰ পৰা ৩১-৩-৮৫ তাৰিখলৈ কাৰ্য্যকৰী হব লাগিছিল। এই সময় সীমা বৰ্ত্তমান ৩১-৩-৯০ তাৰিখলৈ বঢ়াই দিব খোজা হৈছে। এই কালছোৱাত অৰ্থাৎ ১৫-১০-৮২ আৰু ৩১-৩-৩০ তাৰিখৰ ভিতৰত স্থাপন কৰা এটা নতুন উদ্যোগ গোটে প্ৰথম উৎপাদনৰ তাৰিখৰ পৰা পাছ বছৰৰ বাবে বিক্ৰীকৰ ৰেহাই পাব।

অধ্যক্ষ মহোদয়, এই সম্পৰ্কে আমি স্পষ্ট কৰি দিছো যে ১৫।১০।৮২ তাৰিখৰ পিচত যিবিলাক উদ্যোগ স্থাপন কৰা হৈছে, তেওঁলোকে জনসাধাৰণৰ পৰা বিক্ৰী কৰ সংগ্ৰহ কৰিছে। তেওঁলোকক এই বিক্ৰী কৰৰ পৰা ৰেহাই দিয়া নহব। জাননীৰ জৰিয়তে এইটো সকলোকে জনাই দিয়া হৈছে। চাহ বাগিছাক লৈ মাননীয় সদস্য এগৰাকীয়ে প্ৰশ্ন কৰিছিল—চাহ বাগিছা বিলাক অন্তৰ্ভুক্ত হব নেকি ? চাহ বাগিছাক ইণ্ডাষ্ট্ৰিৰ ভিতৰত অন্তৰ্ভুক্ত কৰা নাই। সেই কাৰণে চাহ বাগিছাই কপছেচনৰ পৰা ৰেহাই নেপায়।

ইয়াৰোপৰি পাচ নম্বৰত কোৱা হৈছে যে এই কেচা মাল কিনোতে দিব লগা বিক্ৰী কৰ সন্দৰ্ভত আগবঢ়োৱা ৰেহাই সমূহৰ অপব্যৱহাৰ কৰা উদ্যোগৰ কাৰণে বিক্ৰী কৰ আদায় কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াত এই

উদ্যোগ গোটে কেচা মাল কিনাৰ দিনাৰ পৰা ১২ মাহৰ ভিতৰত ব্যৱহাৰ নকৰিলেও বিক্ৰী কৰ আদায় দিব লাগিব। ইয়াত উল্লেখিয়াও হৈছে যে গোটেই উদ্যোগীকৰণৰ চৰকাৰী নীতি সম্পৰ্কে উদ্যোগ মন্ত্ৰীয়ে আপোনালোকক নিৰ্দ্দিষ্ট সময়ত জনাব। মই আপোনালোকক অনুৰোধ জনাইছো যে বিলখন সদনত গৃহীত কৰিব লাগে। ইয়াৰ জৰিয়তে সন্দেহ কৰা হৈছে যে বুজাপৰাৰ মাজেদি কাৰোবাক ৰেহাই দিয়া হব নেকি? ইয়াত সন্দেহ কৰিব লগীয়া কোনো কথা নাই। কাৰণ এই বিষয়ে এখন চাবকুলাৰ দিয়া হৈছিল। ইয়াত কাৰো লাভ বা লোকচান নহয়। মই আশা ৰাখিছো সদনৰ মাননীয় সদস্য সকল নিশ্চিত হৈছে, গতিকে এই বিলখন অনুমোদন জনাব লাগে।

Item No: 5 (b)

Mr. Speaker—There is no amendment on clauses 2 to 16 of the bill. Clauses 2 to 16 do form part of the Bill.

Clauses 2 to 15 do stand part of the Bill. Now I put Clause 1, preamble, Enacting Formula and Short Title of the Bill.

Clause 1, Preamble, Enacting Formula and Short Title form part of the Bill.

Item No. 5 (c)

Shri Prafulla Kr. Mahanta ( Chief Minister )—I beg to move that the Assam Industries ( Sales Tax Concession ) Bill 1986 be passed.

Mr. Speaker—The Motion is that "The Assam Industries ( Sales Tax Concession ) Bill 1986 be passed.

( The Motion is passed, the Bill is passed )."

শ্ৰীদিগেন চন্দ্ৰ বৰা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আজি এই সন্মানিত সদনৰ আগত বৰ্তমান চৰকাৰৰ উদ্যোগিক নীতিৰ লগত নিৰ্দিষ্ট উৎসাহজনক আঁচনি আৰু অগ্ৰাধিকাৰ ভিত্তিত দ্ৰুত উদ্যোগিক বিকাশ সাধনত ৰাজ্য চৰকাৰে দিয়া গুৰুত্বৰ প্ৰতি দৃষ্টি ৰাখি ফলপ্ৰসু ৰূপায়ণৰ কাৰণে প্ৰশাসনিক ব্যৱস্থাৱলীৰ বিষয়ে মই ঘোষণা কৰিবলৈ পাই অতিশয় আনন্দিত হৈছো। ৰাজ্যখনত দ্ৰুত উদ্যোগিকৰণত হোৱা আত্মনিয়োগৰ জৰিয়তে উদ্যোগিক ক্ষেত্ৰত যথেষ্ট কৰ্মসংস্থাপনৰ সুযোগ-সুবিধা অৱকাশৰ পৰিপ্ৰেক্ষিতত ১৯৮২ চনৰ পৰা

প্ৰচলিত উদ্যোগিক নীতি আৰু প্ৰেৰণা-মূলক উদ্যোগিক আঁচনি সমূহ পুনৰ বিবেচনা আৰু সংশোধন কৰাৰ আৱশ্যকতা অনুভৱ কৰা হৈছিল।

এই মৰ্মে মই মোৰ ভাষণটো মাননীয় সদস্য সকলৰ আগত দাঙি ধৰিব বিচাৰিছো। ইয়াৰ একোটাকৈ প্ৰতিলিপি সদনৰ মাননীয় সদস্য সকলক দিয়া হব।

নতুন উদ্যোগিক নীতিৰ উদ্দেশ্য হৈছে অতীতৰ ক্ষেত্ৰত হোৱা খেলিমেলি স্থবিৰতা দূৰ কৰাত যাতে জনসাধাৰণৰ নায্যপ্ৰাপ্য আশা-আকাংশা নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত ৰাজ্যখনৰ আৰ্থিক উদ্যোগিক উন্নতিৰ বিকাশৰ জৰিয়তে পূৰণ কৰিব পৰা হয়।

অতিশয় নিম্ন গতিত উদ্যোগিক বিকাশৰ ফলত জটিল শিক্ষিত নিবনুৱা সমস্যা প্ৰাথমিক আৰু মাধ্যমিক খণ্ডৰ (উদ্যোগৰ প্ৰতি) প্ৰতি স্থানীয় উদ্যোগী লোকৰ নিৰুৎসাহ ভাৱৰ বিষয়ে চৰকাৰ সম্পূৰ্ণ সজাগ। এইটো পৰিলক্ষিত হৈছে যে ১৯৮২ চনৰ নীতি নিৰ্ধাৰণ প্ৰস্তাৱ স্থানীয় জনসাধাৰণৰ আশা-আকাংশা পূৰণৰ প্ৰতি আশানুৰূপ নাছিল আৰু নীতি বাস্তৱ ৰূপায়ণত ফলৱতী হোৱা নাছিল।

এই নতুন নীতিৰ কথা হৈছে যাতে "স্থানীয় সম্পদ (যেনে কৃষিজাত, খনিজাত তথা তেল, গেছ, কয়লা, চূণশীল আদি বনজ সম্পদ), স্থানীয় নিবিদা (বহুল চাহিদাৰ সামগ্ৰী'. স্থানীয়ভাৱে অনাটো (লোহা, টিখা) আৰু স্থানীয় জলবায়ু, পাৰিপাৰ্শ্বিক অৱস্থা (ইলেক্ট্ৰনিক) ভিত্তিত সকলো পৰ্য্যায়ৰ উদ্যোগ গঠন আৰু বিকাশ সাধন হয়।

উল্লেখিত পটভূমিৰ ভিত্তিত (চৰকাৰৰ) নীতি নিৰ্দেশনা তলত উল্লেখ কৰা হ'ল—

নীতি নিৰ্দেশনা— ১। নতুন উদ্যোগিক নীতিৰ মুখ্য উদ্দেশ্য হৈছে— সমগ্ৰ ৰাজ্য খনত খাদী আৰু গ্ৰাম্য শিল্প, কাৰু শিল্প, ক্ষুদ্ৰতম শিল্প ক্ষুদ্ৰ শিল্প আৰু আনুসঙ্গিক শিল্পৰ জৰিয়তে আঞ্চলিক ভাৰসাম্য বিকাশ নিশ্চিত কৰা। স্থানীয় সম্পদৰাজি ব্যৱহাৰ, বয়ংস্তৰ স্থানীয় চাহিদা পূৰণৰ ব্যৱস্থাই এই শিল্প সমূহত কৰ্মসংস্থানৰ সুযোগ বৃদ্ধি কৰিব।

২। পৰিকল্পিত ভাৱে, ফলপ্ৰসূ এনেধৰণৰ উদ্যোগিক গোট যাতে গঢ়ি উঠে তাকে নিশ্চিত কৰিবৰ কাৰণে উদ্যোগ সঞ্চালকালয়ে ৰাজ্য খনৰ প্ৰত্যেক খন জিলাতে কাৰিকৰী আৰ্থিক জৰিপৰ যোগে বৈজ্ঞানিক ভিত্তিত গোট সমূহ পঞ্জীয়ন কৰিব।

৩। ৰাজ্যত প্ৰচুৰ পৰিমাণে থকা কেচামাল, সম্পদ যেনে খাৰুৱা তেল,

প্ৰাকৃতিক গেছ, কয়লা, চূণশিল, কৃষিজাত সামগ্ৰী, বাচনি ভিত্তিত বন সম্পদ ইত্যাদিৰ ওপৰত ভিত্তি কৰি চৰকাৰী/যুটীয়া/সমবায়/সাহায্য প্ৰাপ্ত আৰু বেচৰকাৰী খিতানত মজলীয়া আৰু বৃহৎ উদ্যোগ প্ৰতিষ্ঠা কৰাৰ ওপৰত গুৰুত্ব দিয়া হব। বৰ্তমান চলি থকা আৰু সঞ্চিত প্ৰাকৃতিক গেছক কেন্দ্ৰ কৰি বিভিন্ন মজলীয়া বৃহৎ উদ্যোগ স্থাপনত অধিক গুৰুত্ব দিয়া হব, যিহেতু এনে উদ্যোগৰ ভিত্তিত অন্যান্য বহুতো সৰু-ডাঙৰ উদ্যোগ হব পাৰে। চৰকাৰে উক্ত বিভিন্ন খিতানত কৰিবৰ অৰ্থে উদ্যোগ বিলাক চিনাক্তকৰণ কৰিব আৰু উচ্চ পৰ্য্যায়ৰ সমিতিৰ যোগে বিভিন্ন খিতানত উদ্যোগ প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব।

৪। উদ্যোগীকৰণৰ সফল আৰু দ্ৰুত উন্নতিৰ বাবে আৰু প্ৰয়োজনীয় বাতাবৰণ সৃষ্টি কৰিবৰ বাবে পৰিবহন, যাতায়ত, বিজুলী যোগান, উদ্যোগিক স্থান, উদ্যোগ পাম, বানিজ্যিক পাম আদি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ আৰু ক্ষীপ্ৰতাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। ইয়াৰ ভিতৰত প্ৰধান উৎস হৈছে জন সম্পদ উন্নীতকৰণ।

মাননীয় অধ্যক্ষ —এতিয়া চাৰে চাৰিটা বাজিল। আশাকৰো এই কাৰ্যসূচী শেষ হোৱালৈকে আমি বহিব পাৰো। আশাকৰো আপোনালোকৰ সন্মতি আছে।

শ্ৰীদিগেন চন্দ্ৰ বৰা (মন্ত্ৰী) : ৫। বিশদ প্ৰশিক্ষণ আঁচনিৰ দ্বাৰা বহুল প্ৰচাৰৰ জৰিয়তে জিলা, মহকুমা আৰু উন্নয়ন খণ্ডত থলুৱা কৰ্মশক্তি নিয়োগ আৰু ব্যক্তিগত খণ্ডৰ উদ্যোগ সমূহৰ উন্নয়ন সাব্যস্ত কৰাৰ বাবে ৰাজ্য চৰকাৰেই মুখ্য ভূমিকা গ্ৰহণ কৰিব।

৬। কেৱল ৰাজ্যৰ স্থানীয় লোকৰ বাবে সুক্ষ্ম খণ্ডত বাজ্যিক উদ্গনিমূলক আঁচনি উদ্ভাৱন কৰা হব যাতে স্থানীয় লোকৰ স্বাৰ্থ ৰক্ষা কৰা হয়। বাজ্যিক উদ্গানিমূলক আঁচনিৰ অধীনত সুবিধা পাবলৈ উপযুক্ত হবৰ কাৰণে সুক্ষ্ম খণ্ডত স্থানীয় লোকৰ শতকৰা ১০০ ভাগ কৰ্মসংস্থান হোৱা উচিত। মজলীয়া আৰু বৃহৎ খণ্ডত শতকৰা ৮০ ভাগ পৰিচালক শ্ৰেণীত আৰু শতকৰা ৯০ ভাগ অপৰিচালক শ্ৰেণীত কৰ্মসংস্থান দিবৰ বাবে ব্যৱস্থা কৰা হব আৰু উৎপাদন আৰম্ভ হোৱাৰ পৰা পাঁচ বছৰলৈ এনে ধৰণৰ মজলীয়া আৰু বৃহৎ গোট বিলাকে শতকৰা ১০০ ভাগ অপৰিচালক শ্ৰেণীত আৰু অন্ততঃ শতকৰা ৯০ ভাগ পৰিচালক শ্ৰেণীত নিযুক্তিৰ বাবে কাৰ্য্যকৰী ব্যৱস্থা লব। এই ব্যৱস্থা বিলাক কাৰ্যকৰী কৰাত বিফল হলে ৰাজ্য চৰকাৰৰ যিবিলাক অনুদান/উদ্গনি গোট-বোৰে পাই আছে সেইবিলাক সম্পূৰ্ণৰকমে ঘূৰাই দিব লাগিব। এইবোৰ

উদ্যোগীক গোটে ৰাজ্য চৰকাৰৰ সামগ্ৰী ক্ৰয় বিধি (Store Purchase Rules) কট্‌কটিয়াকৈ পালন কৰিব লাগিব।

৭। স্থানীয় উদ্যোগীক সকলক (IDBI Refinance) আঁচনিৰ অধীনত 'মজলীয়া' আৰু বৃহৎ উদ্যোগীক গোট স্থাপনৰ বাবে আৰু নতুনকৈ আৰম্ভ কৰা সাহায্যপ্ৰাপ্ত শিতান (Assisted Sector) আঁচনিটো অগ্ৰাধিকাৰ দিব। 'অসম উদ্যোগীক বিকাশ নিগমে' অসম চৰকাৰৰ হৈ শতকৰা দহ ভাগ মূল ধনৰ অংশ (Equity Share) কিনিব।

৮। চিৰাচৰিত কাৰিকৰী আৰু হস্তশিল্প যেনে, বাঁহ বেতৰ শিল্প, কাঁহ পিতলৰ শিল্প, হাঁতী দাঁতৰ শিল্প আদিক উদ্গনি দিয়া হব। এইবিলাকৰ বাবে সাধাৰণ সুবিধাখিনি যেনে, চাৰ্ভিচ চেণ্টাৰ, কেঁচা সামগ্ৰী যোগান, উপযুক্ত ক্ৰয়-বিক্ৰয়ৰ ব্যৱস্থা আৰু কাৰিকৰী সাহায্য দিয়া হব।

৯। উদ্যোগহীন জিলা আৰু পাহাৰী জিলা কেইখনত 'মজলীয়া' আৰু 'বৃহৎ' প্ৰকল্প স্থাপনৰ বাবে আৰু উদ্যোগীক ক্ষেত্ৰ বিকাশৰ বাবে বিশেষ মনোযোগ দিয়া হ'ব।

১০। উদ্যোগ চলাবৰ বাবে প্ৰয়োজন হোৱা বিজুলী যোগান যাতে ব্যাহত নহয় তাৰ বাবে বিদ্যুৎ শক্তি উৎপাদনৰ অৰ্থে ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ দিব। আৰু বিজুলী যোগানৰ অৱস্থা সুস্থিৰ নোহোৱালৈকে কেপ্‌টিভ ইউনিট স্থাপনত উৎসাহ দিব।

১১। চাহ উদ্যোগ সমূহৰ বিকাশৰ বাবে আৰু নিবনুৱা যুৱকৰ অতিৰিক্ত কৰ্মসংস্থাপনৰ বাবে হাতত লোৱা কাৰ্যাবোৰত সহায় আৰু উৎসাহিত কৰা হব।

১২। প্ৰত্যেক জিলা উদ্যোগীক কেন্দ্ৰবোৰত ক্ষুদ্ৰ উদ্যোগৰ বাবে আৰু উদ্যোগীক উন্নয়ন নিগমত মজলীয়া আৰু বৃহৎ উদ্যোগৰ বাবে "উদ্যোগ সহায়িকা" নামৰ "চিঙ্গল উইন্‌দো ক্লিয়াৰেঞ্চ এজেঞ্চি" (একক অনুমতি প্ৰদান শাখা) ৰখা হব।

১৩। উদ্যোগৰ বাবে আৱণ্টন কৰা চৰকাৰী মাটি সমূহৰ যাতে কোনো অপ-ব্যৱহাৰ নহয় তাৰ বাবে এতিয়াৰে পৰা এনেধৰণৰ মাটিৰ সকলো প্ৰস্তাৱ উদ্যোগ বিভাগৰ জৰিয়তে বিশেষ ভাবে অনুমোদন কৰিহে পঠোৱা হব। ৰাজহ বিভাগে যেওঁলোকৰ আৱণ্টনৰ আদেশত এনেধৰণৰ ব্যৱস্থা ৰাখিব যাতে ৩ বছৰৰ ভিতৰত আৱণ্টন কৰা মাটিত যদি মাটি পোৱা লোক সকলে যি উদ্দেশ্যত মাটি আৱণ্টন কৰা হৈছে সেই উদ্দেশ্যত ব্যৱহাৰ নকৰে তেনেহলে আৱণ্টন কৰা মাটিবোৰ তেওঁলোকৰ ক্ষতিত পুনৰ চৰকাৰৰ হাতলৈ ঘূৰি আহিব।

১৪। ফলপ্ৰসূ ৰুগ্ন গোটবোৰক চিনাক্তকৰণ কৰা হব আৰু সেইবোৰক

সঞ্জীৱিত কৰাৰ বাবে যথোচিত সহায় আগবঢ়োৱা হব। নতুন ক্ষুদ্ৰ উদ্যোগ-বোৰ যাতে ৰুগ্ন নহয় তাৰ বাবে নিয়মিত ভাৱে দিহা-পৰামৰ্শ দিয়া হব।

এনেধৰণৰ নীতি আগত ৰাখি ষ্টেট ইন্চেন্টিভ স্কিম, ১৯৮৬ ( ৰাজ্যিক উদ্গনিমূলক আঁচনি লোৱা হৈছে। চৰকাৰৰ লক্ষ্য পূৰণৰ লগত ৰাজ্যখনৰ সম্পদৰ প্ৰতিও লক্ষ্য ৰখা হৈছে। ইন্চেন্টিভ আঁচনি সমূহ এনে ধৰণে লোৱা হৈছে যাতে প্ৰভাৱশালী মুষ্টিমেয় উদ্যোগপতি সকলৰ মুঠিত নেথাকি ইয়াৰ নিৰ্ধাৰিত উদ্যোগীক উন্নয়ন গোট সমূহেও পাব পাৰে। সাধাৰণ আৰু উদ্যোগ গোট সমূহে যাতে উপযুক্ত সহায় সহযোগিত পায় তাৰ বাবে লক্ষ্য ৰখা হৈছে।

উদ্যোগ বিহীন জিলা সমূহত উদ্যোগ স্থাপন, ইলেক্ট্ৰনিক উদ্যোগৰ বিকাশ আৰু ফলপ্ৰসু, গোট সমূহ পুনৰ সঞ্জীৱিত কৰণৰ বাবে বিশেষ উদ্গনি-নিমূলক আঁচনি লোৱা হৈছে।

এনে গাঠনিত ১৯৮২ চনৰ উদ্গনিমূলক আঁচনিৰ কিছুমান চলিত আঁচনি বন্ধ কৰা হয়। চলিত আঁচনিসমূহৰ ভিতৰত কিছুমান খুট দূৰীকৰণ তথা সংশোধনৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি কিছু নতুন উদ্গনিমূলক আঁচনিৰ ব্যৱস্থা কৰা হ'ল।

সন্মানিত সদস্যসকলৰ জ্ঞাতাৰ্থে মই আমাৰ নতুন উদ্গনিমূলক আঁচনি-সমূহৰ বিশেষ উল্লেখযোগ্য কিছু কথা চমুকৈ কব খুজিছো।

উদ্গনিমূলক আঁচনিসমূহ : পানীযোগান, মাটি, বৈদ্যুতিকৰণৰ দৰে উদ্যোগ প্ৰতিষ্ঠাৰ মূল গাঠনিমূলক কামত বিশেষ গুৰুত্ব তথা অগ্ৰাধিকাৰ দিয়া হব। ইয়াৰ বাবে প্ৰত্যেক জিলা তথা মহকুমাতে একত্ৰিতভাবে থকা উপযোগী মাটিৰ চিনাক্তকৰণৰ ব্যৱস্থা কৰা হব। এই সন্দৰ্ভত দুই শ্ৰেণীৰ মাটি দিয়াৰ প্ৰস্তাৱ কৰা হৈছে—যেনে, (ক) আঁচনিসমূহৰ মূল গাঠনিত প্ৰয়োজনীয় সকলো সুবিধা থকা উন্নীত মাটি, (খ) অনুন্নত মাটি। উল্লেখিত (ক) শ্ৰেণীৰ মাটি ৩০ বছৰীয়া দীৰ্ঘম্যাদি চুক্তিত লীজত দিয়া হব আৰু মাটিৰ মূল্য তথা প্ৰাথমিক উন্নীতকৰণৰ খৰচ সমান বাৰ্ষিক কিস্তিত ১৫ বছৰত আদায় কৰা হব। তদুপৰি ক্ষুদ্ৰ উদ্যোগৰ ক্ষেত্ৰত ৰাজ্যচৰকাৰে মুঠ খৰছৰ ২৫ শতাংশ ৰেহাই দিব। ইয়াৰ উপৰিও উদ্যোগবিহীন জিলা আৰু ইলেক্ট্ৰনিক্স্ উদ্যোগৰ ক্ষেত্ৰতো ক্ষুদ্ৰ উদ্যোগৰ বাবে ৩৫ শতাংশ আৰু মজলীয়া আৰু বৃহৎ উদ্যোগৰ বাবে ১০ শতাংশ অতিৰিক্ত ৰেহাই দিয়া হব। লীজভুক্ত মাটি বন্ধকত দিয়াৰ বাবেও অনুমতি দিয়া হব। অনুন্নত মাটিৰ ক্ষেত্ৰতো এই নীতি আৰু ৰেহাই প্ৰযোজ্য কৰা ব্যৱস্থা ৰখা হৈছে।

নতুন ক্ষুদ্ৰ উদ্যোগৰ বাবে বছৰেকীয়া ভাড়া ভিত্তিত সৰু সৰু ঘৰ ( চালি ) ৰ আৰম্ভন দিয়া হব আৰু উপযুক্ত ভাড়াৰ ৫০ শতাংশ ৰাজ্য চৰকাৰে বহন কৰিব।

উদ্যোগ পাম, ৰাণিজ্যিক পাম আদিৰ দৰে প্ৰাথমিক গাঠনিমূলক পামৰ ব্যৱস্থাৰ ক্ষেত্ৰত অতীতত আমাৰ শোচনীয় অভিজ্ঞতা আছে। এই দুৰ্বলতাৰ পৰা হাত সাৰিবলৈ আৰু আনুষ্ঠানিক বিত্ত সাহায্যৰ সুযোগ পাবৰ বাবে এটা Infrastructural Dev. Corporation প্ৰতিষ্ঠা কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে আৰু এই নিগমেই প্ৰাথমিক গাঠনিমূলক ( Infrastuctural Dev. Corpn. ) সাহায্য তথা সমন্বয়ৰ ( Co-ordination) একমাত্ৰ প্ৰতিষ্ঠান হব। চলিত উদ্যোগ পাম, উদ্যোগ ক্ষেত্ৰ, ৰাণিজ্যিক পাম উন্নয়ন খণ্ড সমূহক এই প্ৰস্তাৱিত নিগমলৈ স্থানান্তৰ কৰা হব।

আমাৰ নীতিৰ ২য় গুৰুত্বপূৰ্ণ বিষয় হৈছে যে মানৱ শক্তিৰ বিকাশ। স্থানীয় সম্ভাৱনীয়তাৰ বিকাশ আৰু অগ্ৰগতিৰ ক্ষেত্ৰত উদ্‌গনি দিয়াৰ উদ্দেশ্যে প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব দিয়া হৈছে। প্ৰশিক্ষণৰ খৰচ হিচাবে প্ৰত্যেকজন প্ৰশিক্ষণ প্ৰাৰ্থীৰ বাবে এহেজাৰ টকা হিচাবে আৰু বিশেষভাবে উচ্চ প্ৰশিক্ষণপ্ৰাপ্ত লোকৰ বাবে দুহেজাৰ টকা হিচাবে চৰকাৰে বহন কৰিব আৰু এনে ধৰণেৰে বহন কৰিবলগীয়া টকাৰ সৰ্বাধিক পৰিমাণ প্ৰত্যেক উদ্যোগ গোটৰ বাবে ৬০০০ টকা হব। উদ্যোগবিহীন জিলা আৰু ইলেক্‌ট্ৰনিক উদ্যোগৰ বাবে চৰকাৰে বহন কৰিবলগীয়া টকাৰ পৰিমাণ প্ৰত্যেক প্ৰশিক্ষণাৰ্থীৰ বাবে যথাক্ৰমে ২৫০০ টকা আৰু ৫০০০ টকা হব আৰু এনে টকাৰ পৰিমাণ একোটা উদ্যোগ গোটৰ বাবে সৰ্বাধিক ১৫০০০ টকা হব।

এই কথা লক্ষ্য কৰি অহা হৈছে যে বিত্তীয় সম্পদ যথোপযুক্ত নোহোৱা কথাটোৱে এক ডাঙৰ হেঙাৰ হিচাবে অন্তৰায় আহিছে, আৰু এই হেঙাৰে সম্ভাৱনাপূৰ্ণ উদ্যোগী লোকক উদ্যোগ হাতত লোৱাৰ ক্ষেত্ৰত অন্তৰায় সৃষ্টি কৰি আহিছে। এই মৰ্মেও ৰাজ্যিক চৰকাৰে অসম উদ্যোগীক বিকাশ নিগমৰ দ্বাৰা পৰিচালিত হোৱা আন এখন আঁচনি প্ৰৱৰ্তন কৰিছে।

এই আঁচনি সাহায্যকৃত ক্ষেত্ৰত অসম উদ্যোগীক বিকাশ নিগম সম অংশীদাৰ হিচাবে পৰিচালনা কৰা আঁচনি।

বেহাই ব্যৱস্থাৰ উপৰিও এক নতুন Fiscal উদ্‌গনিমূলক ব্যৱস্থাও কৰা হৈছে। বিক্ৰী মূলধনৰ ১০ শতাংশলৈকে উদ্যোগ বিকাশ নিগমে সম বৰঙণি দিব আৰু এনে বৰঙণি যিকোনো ফলপ্ৰসু আঁচনিৰ বাবে সৰ্বোচ্চ ১০ লাখ হব তথা তেনে আঁচনিৰ খৰছ ৩ কোটি টকাৰ অধিক নহব।

স্থানীয় উদ্যোগীক অগ্ৰাধিকাৰ দিয়া হব।

সম্ভাৱনাপুৰ্ণ উদ্যোগীক আৰ্থিকভাৱে সাহায্য দিয়াৰ অৰ্থে এক বিশেষ সুদ ৰেহাই আঁচনি (Interest Subsidy) প্ৰৱৰ্তন কৰা হৈছে আৰু সেই আঁচনিৰ অধীনত ক্ষুদ্ৰ উদ্যোগ আৰু দুৰ্ব্বল উদ্যোগীক গোটৰ ক্ষেত্ৰত ভৰিব লগা সুদৰ ৮ শতাংশ অৱশিষ্ট সুদৰ অংশত চৰকাৰী সাহায্য (Subsidy) দিয়া হব।

এই সুবিধা, ব্যৱসায়ীক উৎপাদন গোট সঞ্জীৱিতকৰণ হোৱা তাৰিখৰ পৰা প্ৰথম তিনি বছৰৰ বাবে থাকিব।

ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় সাহায্যৰ বিভিন্ন উদ্গনিমূলক সাহায্য লাভ কৰাৰ উদ্দেশ্যে সম্পাদন কৰিবলগীয়া দলিল সমূহৰ বাবে এক নতুন আঁচনি যুগুত কৰা হৈছে। সুক্ষ্ম উদ্যোগৰ বাবে ১০০ শতাংশ আৰু ক্ষুদ্ৰ উদ্যোগৰ বাবে ৫০ শতাংশলৈকে ষ্টাম্প ডিউতি (Stamp Duty) ৰেহাই দিয়া ব্যৱস্থা হৈছে।

কেঁচা সামগ্ৰী আৰু উৎপাদিত সামগ্ৰীৰ ওপৰত লগোৱা বিক্ৰী কৰৰ ৰেহাই ব্যৱস্থা কৰা হৈছে আৰু উৎপাদন আৰম্ভণীৰ তাৰিখৰ পৰা ৫ বছৰ-লৈকে ৰেহাই দিয়া ব্যৱস্থা হৈছে। এই ৰেহাই ব্যৱস্থা ১৯৮২ চনৰ উদ্গনিমূলক আঁচনিৰ অন্তৰ্গত ৰেহাই ব্যৱস্থাৰ দৰে একেই হব। এই আঁচনি যাতে সঠিকভাৱে আৰু ক্ষীপ্ৰতাৰে ৰূপায়ণ কৰা হয় তাৰ বাবে যথোচিত সাৱধানতা লোৱা হব। ইতিমধ্যে বৰ্তমান চৰকাৰে চলিত বিধান সভাৰ অধিবেশনত এই মৰ্মে এখন বিধেয়ক উত্থাপন কৰিছে।

উক্ত (বিত্তীয় বিক্ৰীকৰ ৰেহাইৰ উপৰিও এক নতুন ৰাজহ উদ্গনিৰ (Fiscal Incentive) আঁচনি হাতত লোৱা হৈছে।

বৰ্তমান চলিত মূল্য অগ্ৰাধিকাৰ আঁচনি থকা স্বত্বেও, যেহেতু শতকৰা ১২ ভাগ বিত্তীয় বিক্ৰীকৰ উৎপাদিত সামগ্ৰীৰ ওপৰত আমাৰ ৰাজ্যত ভৰিব লাগে, কেন্দ্ৰীয় বিভাগীয় প্ৰতিষ্ঠান সমূহে আৰু অন্যান্য বহু প্ৰতিষ্ঠানে উচিত মূল্যত বিভিন্ন সামগ্ৰী অন্য ৰাজ্যৰ পৰা কিনাৰ ব্যৱস্থা কৰে, কাৰণ অসমৰ বাহিৰৰ পৰা অনা সামগ্ৰীৰ ওপৰত মাত্ৰ শতকৰা ৪ ভাগ কেন্দ্ৰীয় বিক্ৰি কৰ ভৰিব লগা হয় সেই কাৰণে এনে ধৰণৰ প্ৰতিষ্ঠানৰ চাহিদা থকা যি-বোৰ সামগ্ৰীৰ উৎপাদন এই ৰাজ্যত কৰা হৈ আছে আৰু যিবোৰ সামগ্ৰী স্থানীয়ভাৱে উৎপাদনৰ সম্ভাৱনা আছে এনে কিছুমান সামগ্ৰী চিনাক্ত কৰা হব। এই চিনাক্তকৰণৰ জৰিয়তে ৰাজহ নিৰ্ণয়ৰ পৰিমান শতকৰা ১২ ভাগৰ পৰা শতকৰা ৪ ভাগলৈ নমাই অনা হব যাতে স্থানীয় উদ্যোগ প্ৰতিষ্ঠানত অধিক সুবিধা হয় আৰু বৰ্ত্তমান চলিত উদ্যোগ সমূহৰ উৎপাদিত সামগ্ৰী অসমত

বিক্ৰী কৰিব পৰা হয়।

১৯৮২ চনৰ আঁচনিৰ অধিনত বৰ্ত্তমানৰ 'বিজুলী সাহায্য' ( Power Subsidy যঠেষ্ট পৰিমানে সংস্কাৰ আৰু সংশোধন কৰা হয়। চলিত আঁচনিখন মূল্যাংকন কৰাৰ পিছত এইটো পৰিলক্ষিত হয় যে বৃহৎ আৰু মধ্যম খণ্ডৰ ৩জন উদ্যোগীহে মাত্ৰ ৬০·৩২ লাখ টকাৰ বিজুলি সাহায্য গ্ৰহণ কৰে আৰু কোনো ক্ষুদ্ৰ শিল্প খণ্ডৰ উদ্যোগীয়ে এই বিজুলী সাহায্য গ্ৰহণ কৰা নাছিল। সেই হেতুকে এই আঁচনি সংশোধন কৰি স্থিৰ কৰা হয় যে ক্ষুদ্ৰ শিল্প খণ্ডৰ ক্ষেত্ৰত কোনো সীমা ( Ceiling ) নিৰ্ধাৰণ নকৰাকৈ বানিজ্যিক উৎপাদনৰ প্ৰথম ৫ বছৰলৈকে শতকৰা ৫০ ভাগ হাৰত বিজুলী সাহায্য মঞ্জুৰ কৰা হব। মধ্যম আৰু বৃহৎ খণ্ডৰ ( উদ্যোগ ) ক্ষেত্ৰত দুটা ভাগত ভাগ কৰা হয়, যেনে— (১) ২·৫ মেগাৱাট শক্তিযুক্ত উদ্যোগীক গোট, (২) আৰু তাতোকৈ অধিক শক্তিযুক্ত উদ্যোগীক গোট। প্ৰত্যেক গোটৰ কাৰণে একোটা বছৰত সৰ্বোচ্চ বিজুলী সাহায্য ৫ লাখ সাপেক্ষে ২·৫ মেগাৱাট শক্তিযুক্ত উদ্যোগীক গোটৰ ক্ষেত্ৰত বিজুলী সাহায্য ( পাৱাৰ টেৰিফ ) শতকৰা ৩০ ভাগ আৰু ইয়াতকৈ অধিক শক্তিযুক্ত গোটৰ ক্ষেত্ৰত শতকৰা ২৫ ভাগ বিজুলি সাহায্য মঞ্জুৰী দিবৰ কাৰণে স্থিৰ কৰা হয়। এই উদ্দিপনা ব্যৱস্থা ব্যৱসায়ীক উৎপাদন আৰম্ভ হোৱাৰ প্ৰথম ৩ বছৰৰ কাৰণেহে লাভ কৰিব। ইয়াৰোপৰি মধ্যম আৰু বৃহৎ খণ্ডৰ উদ্যোগসমূহে উৎপাদন কাৰ্য্যত প্ৰকৃত বিজুলী ব্যৱহাৰ অনুসাৰেহে বিজুলী সাহায্য লাভ কৰিব। ক্ষুদ্ৰ উদ্যোগ খণ্ডৰ ক্ষেত্ৰত 'আবাসিক' উদ্যোগ্যতে ব্যৱহাৰৰ পৰিমাণ বাদে গোটটোত প্ৰকৃততে ব্যৱহৃত হোৱা শক্তি পৰিমাণে সাহায্য লাভ কৰিব।

উদ্যোগ নথকা ( No Industry Dist ) জিলা আৰু ইলেক্ট্ৰনিক শিল্প ক্ষেত্ৰত শিল্প সাহাৰ্য্য ক্ষুদ্ৰ উদ্যোগ খণ্ডত টেৰিফৰ হাৰ প্ৰথম ৮ বছৰৰ কাৰণে শতকৰা ৬০ ভাগ আৰু মধ্যম বৃহৎখণ্ডৰ উদ্যোগৰ ক্ষেত্ৰত প্ৰতিবছৰে প্ৰতি গোটত সীমিত ৭·৫ লাখ টকা সাপেক্ষে শতকৰা ৪০ ভাগ শক্তি সাহায্য বানিজ্যিক উৎপাদনৰ প্ৰথম ৫ বছৰৰ কাৰণে লাভ কৰিব।

পাৱাৰ লাইন টানিবৰ কাৰণে আন এখন নতুন সাহায্য আঁচনি আৰম্ভ কৰা হৈছে। এই কথা পৰিলক্ষিত হৈছে যে এচ এচ আই ( SSI ) / টাইনি ( TINY ) খণ্ডত যথেষ্ট সংখ্যক উদ্যোগী লোকে এই ক্ষেত্ৰত বৃহৎ পৰিমানৰ আৰ্থিক অসুবিধাৰ সন্মুখীন হৈছে। গতিকে, ক্ষুদ্ৰ ( প্ৰধান ) লাইনৰ পৰা কাৰখানা ছেদলৈ পাৱাৰ লাইন টানোতে হোৱা খৰচৰ শতকৰা ৫০ ভাগ প্ৰত্যেক চালুকীয়া ( TINY ) খণ্ডৰ আৰু ক্ষুদ্ৰ ( Small ) খণ্ডৰ ক্ষেত্ৰত

সীমিত ২০,০০০ ( বিশ হেজাৰ ) টকা সাহায্যদান সাপেক্ষে সাহায্য লাভ কৰিব।

উদ্যেগীক জিলা সমূহত ইলেক্‌ট্ৰনিক উদ্যোগত ক্ষুদ্ৰ আৰু সাধাৰণ (Small and Tiny ) খণ্ডৰ উদ্যোগীক গোট সমূহৰ প্ৰতি গোটৰ বাবে সাহায্য কৰি টকা ৪০,০০০ ( চল্লিশ হেজাৰ ) টকালৈকে বিজুলি সৰবৰাহত খৰচ কৰাৰ ব্যৱস্থা আছে।

১৯৮৬ চনৰ নতুন উদ্যোগীকৰণ আঁচনিত ফলপ্ৰসু ৰুগ্ন উদ্যোগীক গোটবোৰক পুনৰ সংস্থাপনৰ বাবে বিশেষ ব্যৱস্থা কৰা হৈছে আৰু লগতে ক্ষুদ্ৰ উদ্যোগীক গোট সমূহৰ বাবে যিবোৰ উদ্গনিমূলক ব্যৱস্থা ৰখা হৈছে সেই ব্যৱস্থা সমূহ এই ফলপ্ৰসূ ৰুগ্ন গোট বোৰলৈও আগ বঢ়োৱাৰ প্ৰস্তাৱ লোৱা হৈছে।

কিছুমান নিৰ্দ্দিষ্ট সুক্ষম পৰিবৰ্ত্তনৰ জৰিয়তে উদ্গনিমূলক আঁচনিত কাৰ্য্যকৰী প্ৰতিবেদন ( feasibility study report ) সন্নিবিষ্ট কৰাৰ ব্যৱস্থা ৰখা হৈছে। এইটো দেখা গৈছে ক্ষুদ্ৰ উদ্যোগপতি সকলে সাধাৰণতে উদ্যোগ স্থাপনৰ ক্ষেত্ৰত বিজুলীৰ নাটনি অনুভৱ কৰে। যদিও অন্তবৰ্ত্তী কালত বিজুলী যোগানৰ ক্ষেত্ৰত সকলো প্ৰচেষ্টা হাতত লোৱা হৈছে তথাপি নিম্ন লিখিত হাৰত জেনেৰেচন চাবচিডী ( Generation Sussidy ) দিয়া হব :

(১) ২০ কে ভি এ লৈকে প্ৰত্যেক কে ভি এত ১০০০ টকাকৈ।

(২) ৫১ কে ভি এ লৈকে প্ৰত্যেক কে ভি এত ৮৫৯ টকাকৈ।

(৩) ৫১ কে ভি এক ওপৰলৈ প্ৰত্যেক কে ভি এত ৭০০ টকাকৈ।

ইয়াৰ প্ৰত্যেকতে সৰ্ব্বোচ্চ এক লাখ টকা হব।

উদ্যোগ নীতি নিৰ্ধাৰণ কৰোতে কোন প্ৰশাসনীয় যন্ত্ৰই উক্ত উদ্গনিমূলক আঁচনি ৰূপায়িত কৰিব তাকো নিৰ্ধাৰণ কৰি দিছে। মূল্যাংকণৰ পৰা দেখা গৈছে যে ১৯৮২ চনৰ উদ্যোগনীতি প্ৰস্তাৱৰ আটাইতকৈ ডাঙৰ দুৰ্বলতা হৈছে বিভিন্ন উদ্গানিমূলক আঁচনিৰ কাৰ্য্যকাৰীতাৰ অভাৱ। এইটো বিশেষকৈ একাধিক প্ৰতিষ্টানৰ দ্বাৰা কাৰ্য্যকাৰী কৰাৰ কাৰণে আৰু ক্ষেত্ৰ পৰ্য্যায়ত বিকেন্দ্ৰীকৰণ নোলোৱাৰ কাৰণে হবলৈ পাইছে। সেই কাৰণে প্ৰস্তাৱ কৰা হৈছে যে সংশোধিত উদ্গানিমূলক আচনি মাত্ৰ দুটা প্ৰতিষ্ঠান; যেনে—উদ্যোগ সঞ্চালকীয় আৰু অসম উদ্যোগীক বিকাশ নিগমৰ দ্বাৰা ৰূপায়িত কৰা হব। যিহেতুকে উদ্যোগ সঞ্চালকালয়ৰ ক্ষেত্ৰ পৰ্য্যায়ত সু-বন্দোবস্ত আছে গতিকে সাধাৰণ আৰু ক্ষুদ্ৰ উদ্যোগ (Small & Tiny ) ৰূপায়ণ উদ্যোগ সঞ্চালকালয়ে জিলা উদ্যোগ কেন্দ্ৰৰ জৰিয়তে কৰিব। মজলীয়া আৰু বৃহৎ উদ্যোগ আঁচনি ৰূপায়ণৰ সমূদায় কাম অসম উদ্যোগীক বিকাশ নিগমে ( A. I. D. C ) কৰিব। উদ্যোগ

সঞ্চালকালয়ত এজন অতিৰিক্ত সঞ্চালক বা যুটীয়া সঞ্চালকৰ তত্ত্বাবধানত উপযুক্ত তথা পৃথক সাংগঠনিক সমৰ্থনেৰে এটা শাখা শীঘ্ৰে খোলা হব। এই নতুন শাখাটোক 'উদ্যোগ সহায়ক' নামেৰে জনা যাব। আৰু এই উদ্যোগ সহায়কৰ একেই সংস্থাপন শাখা ( Single Window Clearance Agency ) একেই নামেৰেই থাকিব। জিলা পৰ্য্যায়ত ফাংচনেল মেনেজাৰ (Functional Manager) অধীনত এই উদ্যোগ সহায়ক শাখাবোৰ থাকিব। জিলা উদ্যোগ কেন্দ্ৰবোৰত যাতে প্ৰায়বোৰ উদ্যোগিকমূলক আঁচনি ৰূপায়ণ কৰিব পাৰি তাৰবাবে উপযুক্ত ক্ষমতা প্ৰদান কৰা হব। বৃহৎ আৰু মজলীয়া ক্ষেত্ৰৰ বাবে অসম উদ্যোগীক বিকাশ নিগমৰ অধিনত এটা সুকীয়া শাখা বিভাগ থাকিব আৰু ইয়াকো 'উদ্যোগ সহায়ক' নামেৰে জনা যাব।

উদ্যোগ সহায়ক সমূহে একেই স্থানৰ পৰা চিঙ্গল উইন্ডো ক্লিয়াৰেঞ্চ ( Single Window Clearance ) হিচাবে কাম কৰিব। উদ্যোগিকমূলক আঁচনি সমূহৰ ৰূপায়ণ নিশ্চিতাৰ্থে পৰ্য্যাপ্ত পৰ্য্যালোচনাৰ বাবে দুখন সমিতি গঠন কৰা হয়। তথা—

(১) বিভাগীয় ( সংমণ্ডল ) পৰ্যায় সমিতি,
(২) ৰাজ্যিক পৰ্য্যায় সমিতি।

বিভাগীয় ( Divisional ) পৰ্য্যায় সমিতি নিম্ন লিখিত বিষয়াৰ দ্বাৰা গঠন কৰা হয়।

(ক) সংমণ্ডল আয়ুক্ত ( Divisional Commissioner ) সভাপতি
(খ) অতিৰিক্ত উপায়ুক্ত ( উন্নয়ন ) – সদস্য
(গ) জেনেৰেল মেনেজাৰ. দি, আই, চি, ”
(ঘ) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ প্ৰতিনিধি ”
(ঙ) অসম উদ্যোগীক বিকাশ নিগমৰ ( A I D C ) প্ৰতিনিধি ”
(চ) অসম ক্ষুদ্ৰ উদোগীক বিকাশ নিগমৰ ( ASIDC ) প্ৰতিনিধি ”
(ছ) অসম বিত্তীয় নিগমৰ প্ৰতিনিধি ”
(জ) বেংকৰ প্ৰতিনিধি ”

এই সভাখন প্ৰতি তিনিমাহত এবাৰকৈ বহিব আৰু উদ্যোগীকৰণ আঁচনি সমূহৰ ৰূপায়ণ তথা অগ্ৰগতিৰ পৰ্য্যালোচনা কৰিব। এই সমিতিয়ে জনসাধাৰণৰ পৰা আঁচনিৰ আৱশ্যকীয় তথ্য সমূহ সংগ্ৰহ কৰিব আৰু আঁসোৱাহ

সমূহৰ দূৰীকৰণৰ ব্যৱস্থা কৰিব।

ৰাজ্যিক পৰ্য্যায়ত উদ্যোগ মন্ত্ৰীৰ সভাপতিত্বত এখন সমিতি থাকিব আৰু এই সমিতিত শক্তি, কৃষি, খনিজ আৰু ৰাজ্যিক উদ্যোগ মন্ত্ৰী থাকিব। তদুপৰি জেষ্ঠ বিষয়াসকল, যেনে—মুখ্য সচিব, উদ্যোগ বিভাগৰ আয়ুক্ত, বিত্ত আয়ুক্ত, উন্নয়ন আয়ুক্ত, কৃষি উৎপাদন আয়ুক্ত, পাৰ্বত্য অঞ্চল উন্নয়ন আয়ুক্ত, শক্তি (বিদ্যুৎ) আয়ুক্ত, বন বিভাগৰ সচিব, ৰাজহ সচিব, অসম ৰাজ্যিক পৰিষদৰ চেয়াৰমেন আৰু পৰিচালক সঞ্চালক, অসম উদ্যোগীক বিকাশ নিগম, পৰিচালক সঞ্চালক অসম ক্ষুদ্ৰ উদ্যোগীক বিকাশ নিগম, আৰু পৰিচালক সঞ্চালক, অসম বিত্ত নিগম, জেনেৰেল মেনেজাৰ. আই, ডি, বি, আই, ( IDBI ) মুখ্য জেনেৰেল মেনেজাৰ. ষ্টেট বেঙ্ক অব ইণ্ডিয়া আৰু NSIC & SISI ৰ প্ৰতিনিধি থাকিব। উদ্যোগ সঞ্চালক এই সমিতিৰ আহ্বায়ক সদস্য হব।

এই সমিতিয়ে তিনিমাহত এবাৰকৈ বহিব আৰু উদ্‌গনিমূলক আঁচনিৰ পৰ্য্যালোচনা তথা ৰূপায়ণৰ ব্যৱস্থা কৰিব।

সন্মানিত সদস্য সকলৰ জ্ঞাতাৰ্থে ইয়াকো জনোৱা হ'ল এই উদ্‌গনিমূলক আঁচনিখন অহা প্ৰথম জানুৱাৰীৰ পৰা কাৰ্যকৰী হব। যিবিলাক কেন্দ্ৰই ১৯৮২ আঁচনিৰ অধীনত উদ্‌গনিমূলক আঁচনিৰ সুবিধা পাই আছে সেই সুবিধা উপৰোক্ত আঁচনি কাৰ্য্যকৰী নোহোৱালৈকে বাহাল থাকিব।

এইটো আশা কৰা হৈছে যে বৰ্ত্তমান অসম গণ পৰিষদ চৰকাৰে প্ৰৱৰ্ত্তন কৰিবলৈ বিচৰা নতুন উদ্যোগ নীতি আৰু উদ্‌গনিমূলক আঁচনিয়ে ক্ষিপ্ৰতাৰে ৰাজ্যখনত উদ্যোগীক প্ৰগতি সাধন কৰাৰ ওপৰিও উদ্যোগীকৰণৰ জৰিয়তে প্ৰত্যোক্ষ আৰু পৰোক্ষ ভাৱে বিভিন্ন কৰ্মসংস্থানৰ যোগে নিবনুৱা সমস্যা লাঘৱ কৰাত সহায় কৰিব আৰু লগতে উন্নয়নৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্য দূৰীকৰণত ইন্ধন যোগাব। এই সন্দৰ্ভত মই সদনক জনাবলৈ পাই সুখী হৈছো যে উদ্যোগ সম্পৰ্কত নতুন নীতিৰ যোগে থলুৱা লোকক উপযুক্ত কৰিবৰ বাবে যোৱা সাধাৰণ নিৰ্বাচনৰ সময়ত নিৰ্বাচনী ইস্তাহাৰত ৰাইজক দিয়া প্ৰতিশ্ৰুতি অসম গণ পৰিষদ চৰকাৰে পালন কৰি আহিছে।

মাননীয় অধ্যক্ষ—এতিয়া চাৰে-চাৰিটা বাজিল, আশাকৰো এই কাৰ্য্যসূচী শেষ হোৱা লৈকে আমি বহিব পাৰো। আশাকৰো আপোনালোকৰ সন্মতি আছে।

Shri Zoii Nath Sarma—Sir, for a point of clarification

whether it is 25 or 50 ?

Shri Digendra Ch. Bora—It is 25 .... .... .... power line .... .... SSI Unit .... .... feasibility studies report .... .... generator subsidy .... .... General Manager .... .... IDBI.... ....

Shri Benoy Khungur Basumatary—Sir, a point of clarification. One of the the main points of this Industrial Policy is for the simplification of the licencing policy. Whether it has been simplified ?

Shri Digendra Ch. Bora, ( Minister, Industries )—We will fix a time for it and by an executive order Government can simplify it.

শ্ৰীদীগেন বৰা ( মন্ত্ৰী )—এইটো ইয়াত যি প্ৰশ্ন তুলিছে সেইটো আমি এডমিনিষ্ট্ৰেটিভ দিশত বিবেচনা কৰি কাম বিলাক কৰিব পৰা হব। উদ্যোগ নীতিত সেইটো উল্লেখ নাথাকিলেও হব।

## ADJOURNMENT

মাননীয় অধ্যক্ষ—সদন পিচৰ দিনালৈ স্থগিত থাকে।

The House adjourned at 4-45 p. m. to be reassembled on 18.12.86 at 10 A. M.

Dated Dispur,
the 17th December 1986.

Dr. P. N. Hazarika,
Secretary
Assam Legislative Assemly